www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সৃষ্টিশীল অভিব্যক্তি আৰু জ্ঞানৰ মাজত আনন্দ জগাই তুলিব পৰাটোৱেই এজন শিক্ষকৰ প্ৰকৃত। ---আইনষ্টাইন

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ১৮৭ | শুকুৰবাৰ | ৫ ছেপ্তেম্বৰ, ২০২৫ চন | ১৯ ভাদ, ১৯৪৭ শক | VOL - 6 | NO.- 187 | Friday | 5th September, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## প্ৰধানমন্ত্ৰী আৰু জিএছটি পৰিষদৰ ঐতিহাসিক সংস্কাৰৰ বাবে অসমৰ জনতা কৃতজ্ঞ ঃ হিমন্ত বিশ্ব শৰ্মা



**অসম বাৰ্তা, গুৱাহাটী, ৪ ছেপ্টেম্বৰ ঃ** জিএছটি পৰিষদৰ সাম্প্ৰতিক বৈঠকত ভাৰতৰ অৰ্থনৈতিক কাঠামোৰ বাবে এক গুৰুত্বপূৰ্ণ আৰু দূৰপ্ৰসাৰী সিদ্ধান্ত গৃহীত হৈছে। বৈঠকৰ শেষত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ▸▸৬ পৃষ্ঠাত

## প্ৰকৃতিয়ে এতিয়া প্ৰতিশোধ লৈছে ঃ উচ্চতম ন্যায়ালয়

# প্ৰাকৃতিক দুৰ্যোগৰ বাবে জগৰীয়া বন ধ্বংস




- বানত বিধ্বস্ত হিমাচল প্ৰদেশ, জম্মু আৰু কাশ্মীৰ, উত্তৰাখণ্ড আৰু পঞ্জাৱ
- পঞ্জাৱত ৩৭জন লোকৰ প্ৰাণহানি, প্ৰভাৱিত ৩.৫ লাখতকৈ অধিক লোক

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ ছেপ্টেম্বৰ ঃ** উচ্চতম ন্যায়ালয়ে বৃহস্পতিবাৰে কেন্দ্ৰ আৰু হিমাচল প্ৰদেশ, জম্মু আৰু কাশ্মীৰ, উত্তৰাখণ্ড আৰু পঞ্জাৱ ৰাজ্যসমূহক জাননী জাৰি কৰি অবৈধভাৱে গছ কটাৰ ▸▸৬ পৃষ্ঠাত

## ২০২৫ৰ INRF ৰেংকিঙৰ নৱম স্থানত গুৱাহাটী বিশ্ববিদ্যালয়

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৪ ছেপ্টেম্বৰ ঃ** শিক্ষা মন্ত্ৰালয়ৰ ঘোষিত ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানিক ৰেংকিং ফ্ৰেমৱৰ্ক (এনআই আৰএফ) ২০২৫ৰ তালিকাত গুৱাহাটী বিশ্ববিদ্যালয়ে দেশৰ শীৰ্ষ দহখন ৰাজ্যিক ৰাজহুৱা বিশ্ববিদ্যালয়ৰ নৱম ▸▸৬ পৃষ্ঠাত

## লাইব্ৰেৰীয়ান ছাংগ্ৰাং ব্ৰহ্মই সমাজকৰ্মী বুলি উল্লেখ কৰি দাখিল কৰা মনোনয়ন বাতিল



### আজিৰ কলম

## ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ আৰু শিক্ষক দিৱস



শৰৎ চন্দ্ৰ চিৰিংফুকন

১৯৪৭ চনৰ ১৫ আগষ্টত আমাৰ দেশ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। ১৯৫০ৰ ▸▸৬ পৃষ্ঠাত

## গুৱাহাটীৰ উৰণসেতু নিৰ্মাণস্থলী মৰণফান্দ; উন্মুক্ত নলাত পৰি শিশুৰ মৃত্যু

# চেটেলাইটৰ জৰিয়তে চিনাক্ত কৰা হ'ব গুৱাহাটীৰ উন্মুক্ত নলা



**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ৪ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ লখৰাৰ পৰা নেপালী মন্দিৰ সংযোগী এ. কে. আজাদ পথত নিৰ্মাণ হৈ থকা উৰণসেতুৰ স্থান এতিয়া বিপদজনক মৰণফান্দত পৰিণত হৈছে। বুধবাৰে সন্ধিয়া কালাপাহাৰৰ চাইকেল ফেক্টৰী অঞ্চলত উন্মুক্ত মেনহলত পৰি তিনি বছৰীয়া শিশু সুমিত কুমাৰৰ মৰ্মান্তিক মৃত্যুৱে সমগ্ৰ অঞ্চলত শোকৰ ছাঁ পেলাইছে। এই ঘটনাই স্থানীয় ৰাইজৰ মাজত তীব্ৰ ▸▸৬ পৃষ্ঠাত



- মই সপোন দেখা মানুহ নহয় ঃ হাগ্ৰামা
- বেলি মাৰ গৈছে বিপিএফৰ ঃ প্ৰমোদ

## হাগ্ৰামা-খাম্ফাৰ বাকযুদ্ধ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ ছেপ্টেম্বৰ ঃ** বিটিচি নিৰ্বাচনৰ দিন যিমানেই ওচৰ চাপি আহিছে, চিৰাং জিলাৰ ১৪ নং চিৰাং দুৱাৰ সমষ্টিত একালৰ সংগী হাগ্ৰামা মহিলাৰী (বিপিএফ) আৰু খাম্ফা বৰগয়াৰী (ইউপিপিএল)ৰ মাজত তীব্ৰ বাকযুদ্ধই ৰাজনৈতিক উত্তাপ বৃদ্ধি কৰিছে। এই নিৰ্বাচনত দুয়োজন নেতাই ইজনে সিজনৰ ▸▸৬ পৃষ্ঠাত



## প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধন কৰিব এই ঐতিহাসিক প্ৰকল্পৰ

## ১৪ ছেপ্টেম্বৰত নুমলীগড়ত ভাৰতৰ প্ৰথম বাঁহ ভিত্তিক বায়'ইথানল প্লাণ্টৰ উদ্বোধন

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ ছেপ্টেম্বৰ ঃ** অসমৰ গোলাঘাট জিলাৰ নুমলীগড় শোধনাগাৰত স্থাপিত ভাৰতৰ প্ৰথম বাঁহ ভিত্তিক বায়'ইথানল প্লাণ্টৰ উদ্বোধনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। অহা ▸▸৬ পৃষ্ঠাত

## বহু প্ৰত্যাশিত যোৰহাট-মাজুলী সংযোগী দলঙৰ খুঁটাত ধৰিছে মামৰ

### নিৰ্বাচনী ললীপপ হ'ব নেকি যোৰহাট-মাজুলী সংযোগী দলং?



**অসম বাৰ্তা, বনগাঁও, ৪ ছেপ্টেম্বৰ ঃ** মাজুলীবাসীৰ প্ৰবল দাবী আৰু হেঁচাৰ পৰিপ্ৰেক্ষিতত মাজুলীৰ প্ৰাক্তন বিধায়ক তথা প্ৰাক্তন মুখ্যমন্ত্ৰী বৰ্তমান কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বলিষ্ঠ পদক্ষেপত মাজুলী-যোৰহাট সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত এখনি দলং নিৰ্মাণত কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় পুজিঁত অনুমোদন দিয়ে। প্ৰথম পৰ্যায়ত ৪৮ মাহ সময়ৰ ভিতৰত দলং নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ ঘোষণা ▸▸৬ পৃষ্ঠাত

# বিজেপিৰ নাগৰিকত্ব নীতিয়ে অসম চুক্তি উলংঘা কৰিছে!

## দিল্লীত অসমবিৰোধী কথা কয় আৰু গুৱাহাটীত আহি জাতি, মাটি, ভেটি ৰক্ষাৰ কথা কয় ঃ দেৱব্ৰত শইকীয়া



**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ৪ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ ৰাজীৱ ভৱনত বৃহস্পতিবাৰে অনুষ্ঠিত এক সংবাদমেলত অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুণ বৰা আৰু দেৱব্ৰত শইকীয়াই বিজেপি চৰকাৰৰ নাগৰিকত্ব সংশোধনী ▸▸৬ পৃষ্ঠাত

## সদ্য অগপ ত্যাগী প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাৰ কংগ্ৰেছত যোগদানক লৈ উত্তপ্ত

# যুদ্ধপৰ্ব সদৃশ পৰিৱেশ গুৱাহাটীৰ ৰাজীৱ ভৱনত

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ ছেপ্টেম্বৰ:** গুৱাহাটীৰ ৰাজীৱ ভৱনত প্ৰাক্তন অগপ বিধায়ক সত্যব্ৰত কলিতাৰ কংগ্ৰেছত যোগদানৰ সম্ভাৱনাক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে। কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই বুধবাৰে অসম গণ পৰিষদ (অগপ) ত্যাগ কৰাৰ পিছত তেওঁৰ কংগ্ৰেছত যোগদানৰ চৰ্চাই ৰাজনৈতিক মহলত তীব্ৰতা লাভ কৰিছে। এই পৰিস্থিতিৰ ▸▸৬ পৃষ্ঠাত



## জনজাতিকৰণৰ দাবীত কাকপথাৰত মৰাণ ছাত্ৰ সন্থাৰ বিশাল জোঁৰ সমদল



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৪ ছেপ্টেম্বৰ ঃ** অসমৰ অন্যতম আদিম জনজাতি মৰাণসকলক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্বশাসনৰ দীৰ্ঘদিনীয়া দাবীত মৰাণ জনজাতিৰ একমাত্ৰ ছাত্ৰ সংগঠন সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত আজি হাতে হাতে ▸▸৬ পৃষ্ঠাত






# কুৰবান আলী আহমেদক ভাৰতীয় প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ পৰিষদৰ অসম ৰাজ্যিক সভাপতি নিযুক্তি

**অসম বাৰ্তা মাণিকপুৰ, ৪ ছেপ্টেম্বৰ ঃ** ভাৰতীয় প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ পৰিষদৰ কেন্দ্ৰীয় সভাপতি দাৰ্জ চৌধুৰীৰ দ্বাৰা এক গুৰুত্বপূৰ্ণ ঘোষণা কৰি কুৰবান আলী আহমেদক অসম ৰাজ্যিক সভাপতি হিচাপে নিযুক্তি প্ৰদান কৰিছে। এই নিযুক্তি সমগ্ৰ বঙাইগাঁও জিলা তথা অসমবাসীৰ বাবে গৌৰৱৰ বিষয় হৈ পৰিছে। কুৰবান আলী আহমেদ বঙাইগাঁও জিলাৰ মাণিকপুৰ থানাৰ অন্তৰ্গত ২ নং চালাবিলা গাঁৰৰ নিবাসী। বহু বছৰ ধৰি তেওঁ সমাজসেৱা, শিক্ষা-প্ৰসাৰ, দৰিদ্ৰ সহায়, আৰু জনসচেতনতামূলক কাৰ্যকলাপৰ সৈতে জড়িত হৈ আছে। অঞ্চলটোৰ ভিতৰত তেওঁৰ এক সজাগ, সৎ আৰু ন্যায়পৰায়ণ সমাজসেৱকৰ ৰূপত পৰিচয় আছে। নিযুক্তিৰ পাছত তেওঁ কয়, "মোক এই দায়িত্ব অৰ্পণ কৰাৰ বাবে মই কেন্দ্ৰীয় সভাপতি দাৰ্জ চৌধুৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মই প্ৰতিশ্ৰুতি দিছোঁ যে, অসমত জনসাধাৰণৰ অভিযোগ আৰু সমস্যা সমাধানৰ ক্ষেত্ৰত সংগঠনটোৰ লক্ষ্য আৰু উদ্দেশ্য অনুসৰি কঠোৰভাৱে কাম কৰিম। জনসেৱা মোৰ বাবে কেৱল দায়িত্ব নহয়, এক ধৰ্ম।" উল্লেখযোগ্য যে, ভাৰতীয় প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ পৰিষদ (Indian Council for Administrative Reforms and Public Grievances) এটা ৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী সংগঠন, যি দেশজুৰি প্ৰশাসনিক ব্যৱস্থাৰ উন্নয়ন, চৰকাৰী কামৰ অনিয়মৰ প্ৰতিবাদ, আৰু জনসাধাৰণৰ অভিযোগ সমাধানৰ বাবে সচেতনতা সৃষ্টি কৰে। এই সংগঠনটোৱে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সহায়ত নানান পদ্ধতিগত সংস্কাৰৰ ক্ষেত্ৰত ইতিমধ্যে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অসমত এই সংগঠনটোৰ শাখা আৰু প্ৰভাৱ বিস্তাৰৰ দায়িত্ব কুৰবান আলী আহমেদৰ হাতত আহিল। সামাজিক অৱদান আৰু ভৱিষ্যৎ লক্ষ্য কুৰবান আলী আহমেদে ইতিমধ্যে গাঁৱত বহু সমাজসেৱামূলক কাৰ্যসূচী সফলভাৱে সম্পন্ন কৰিছে। তেওঁৰ ভৱিষ্যৎ লক্ষ্যৰ ভিতৰত আছে— অভিযোগ নিষ্পত্তিৰ বাবে জিলাৰ ভিতৰত Help Desk স্থাপন, জনসচেতনতা সভা আৰু শিবিৰ আয়োজন, তৰুণ সমাজক দুৰ্নীতিৰ বিৰুদ্ধে সংগঠিত কৰা, আৰু প্ৰশাসনিক শুদ্ধতাৰ বাবে লোকেল স্কেলত Transparency Drive আৰম্ভ কৰা। স্থানীয়ভাৱে ইতিমধ্যে বিভিন্ন সংগঠন আৰু সচেতন নাগৰিকে কুৰবান আলী আহমেদৰ নিযুক্তিক স্বাগত জনাইছে আৰু সংগঠনটোৰ সফলতাৰ বাবে শুভকামনা জ্ঞাপন কৰিছে।

# মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ মৰিগাঁও, ৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি শিক্ষক ভৱনত অনুষ্ঠিত হয়। মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মিহিৰ হাজৰিকাই সভাখনত সভাপতিত্ব কৰে। সাধাৰণ সম্পাদক মানস প্ৰতীম পাটৰে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। জিলা আয়ুক্তৰ নিৰ্দেশনা আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ আদেশ অনুসৰি শিক্ষকৰ দৰমহা কৰ্তন কৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত সভাত আলোচনা কৰে। সভাত শিক্ষাসেতু এপত পলমকৈ উপস্থিতি দিয়াৰ বাবে শিক্ষকৰ দৰমহা কৰ্তন কৰিলে জিলা প্ৰশাসন আৰু শিক্ষা বিভাগে আয়োজন কৰা আগন্তুক শিক্ষক দিৱসৰ কাৰ্যসূচী বৰ্জন কৰি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। শিক্ষাৰ্থী- অভিভাৱক সকলে আয়োজন কৰা শিক্ষক দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মৰিগাঁৱত শিক্ষক সকলে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিব। তদুপৰি শিক্ষকসকলে মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়কৰ জৰিয়তে বিভাগে প্ৰেৰণ কৰা অনলাইন কামসমূহ কৰাৰ পৰা বিৰত থাকিবলৈ সভাই প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপদেষ্টা গিৰীন্দ্ৰ খাটনিয়াৰ, দীপক কুমাৰ মেধি, মিণ্টু কুমাৰ বৰঠাকুৰ, উপ-সভাপতি ইমৰান শ্বাহ আৰু নজৰুল ইছলাম, সাংগঠনিক সম্পাদক জিতেন শইকীয়া, সহকাৰী সম্পাদক প্ৰদীপ কুমাৰ নাথ, ৰাজীৱ চহৰীয়া আৰু উৎপল কুমাৰ দাস, ডিজিটেল কোষৰ সম্পাদক অনুপ কুমাৰ দাস, কপিলী খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি তিলক নাথ, লাহৰীঘাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক মিঠুন ঠাকুৰ প্ৰমুখ্যে কেইবাগৰাকীও বিষয়ববীয়াই বক্তব্য দাঙি ধৰে।

# জনজাতিকৰণৰ দাবীত তালাপত সদৌ মৰাণ ছাত্ৰ সন্থাৰ জোঁৰ সমদল

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ ছেপ্টেম্বৰ ঃ** অসমৰ অন্যতম ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসন প্ৰদানৰ দাবীত ধাৰাবাহিকভাৱে সংগ্ৰাম কৰি অহাৰ পাছতো কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে কোনো গুৰুত্ব নিদিয়াত পুনৰায় ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে সদৌ মৰাণ ছাত্ৰ সন্থাকে ধৰি জনগোষ্ঠীটোৰ ৬টাকৈ সংগঠনে। ইয়াৰে প্ৰথমটো কাৰ্যসূচী হিচাপে মংগলবাৰে সন্ধিয়া তিনিচুকীয়া জিলাৰ তালাপত এক জোঁৰ সমদল উলিওৱা হয়। সহস্ৰাধিক লোকে এই জোঁৰ সমদলত অংশ লয়। সদৌ মৰাণ ছাত্ৰ সন্থাই জনগোষ্ঠীটোৰ আটাইকেউটা সংগঠনৰ সহযোগত মৰাণ জনগোষ্ঠীক জনজাতিকৰণ কৰা, ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসন প্ৰদান, অৰুণাচল প্ৰদেশত বসবাস কৰা মৰাণসকলক স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ প্ৰদানৰ দাবীত উলিওৱা বিশাল জোঁৰ সমদলতো সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বৰাই শুভাৰম্ভ কৰে। মৰাণ জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ লগতে চৰকাৰ বিৰোধী শ্ল'গানেৰে সমদলকাৰীসকলে তালাপ বজাৰৰ আকাশ বতাহ উত্তাল কৰি তোলে। এই কাৰ্যসূচীৰ সময়ত শান্তি-শৃংখলা ৰক্ষাৰ বাবে প্ৰশাসনে বৃহৎ সংখ্যক আৰক্ষী মোটায়ন কৰা দেখা গ'ল। তালাপ বাইপাছৰ পৰা আৰম্ভ কৰা সমদলটোৱে তালাপ বজাৰ অতিক্ৰম কৰি টেঙাগাঁৱত পথৰ ওপৰতে এখন প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। সভাত মৰাণ জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ নেতৃত্ববৃন্দই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক সমালোচনাৰে থকাসৰকা কৰে। তালাপত জোঁৰ সমদলৰ কাৰ্যসূচী সফল সমাপ্তিৰ পাছত অহা ৪ ছেপ্টেম্বৰত কাকপথাৰত, ৬ ছেপ্টেম্বৰত মাৰ্ঘেৰিটাত আৰু ১০ ছেপ্টেম্বৰত তিনিচুকীয়াত জোঁৰ সমদলৰ কাৰ্যসূচী ৰূপায়ণ কৰিব।



## কাঠফুলা নৱপ্ৰজন্মৰ আদৰ্শ কৃষি আৰু স্বাৱলম্বনৰ পথ - মাধুৰিমা দত্ত

# মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত কাকৰিকটাত মাশ্বৰোম খেতিৰ প্ৰশিক্ষণ

## বৈজ্ঞানিক পদ্ধতিৰে মাশ্বৰোমৰ খেতি কৰিবলৈ আহ্বান




**অসম বাৰ্তা, উজনী মাজুলী, ৪ ছেপ্টেম্বৰ ঃ** "কাঠফুলা নৱপ্ৰজন্মৰ এক আদৰ্শ কৃষি। অতি কম সময়ত, কম ঠাইতেই উচ্চ প্ৰটীণৰ উৎস ওৱেষ্টাৰ মাশ্বৰোম অথাৎ কাঠফুলা খেতি কৰি স্বাৱলম্বী হ'ব পাৰে। কাঠফুলাক বৈজ্ঞানিক পদ্ধতিৰে উৎপাদন আৰু পেকেজিং কৰি অতি সহজে বজাৰ দখল কৰিব পাৰি, সেয়ে নৱ প্ৰজন্মৰ যুৱক- যুৱতীসকল কাঠফুলা খেতি কৰিবলৈ আগবাঢ়ি আহক"- এই আহ্বান যোৰহাটৰ বিশিষ্ট কাঠফুলা খেতিয়ক মাধুৰীমা দত্তৰ। আজি নামনি মাজুলীৰ কাকৰিকটাত অনুষ্ঠিত হোৱা কাঠফুলা খেতিৰ প্ৰশিক্ষণ প্ৰদান কৰি অভিজ্ঞ কাঠফুলা উৎপাদনকাৰী মাধুৰীমা দত্তই কেনেকৈ কাঠফুলা খেতি কৰিব, কেনেকৈ উচ্চ উৎপাদনক্ষম বীজ চিনাক্ত কৰিব, কাঠফুলাৰ পেকেজিং আৰু বজাৰ দখলৰ মূল্যায়ন কেনেকৈ কৰিব সেই সন্দৰ্ভত প্ৰশিক্ষাৰ্থীসকলক তন্ন তন্নকৈ বুজাই দিয়ে। তেওঁ, উক্ত প্ৰশিক্ষণথলীতে কাঠফুলা পেকেজিঙৰ বৈজ্ঞানিক ৰীতি-নীতিসমূহ ব্যাখ্যা কৰে আৰু পেকেজিং কৰি দেখুৱাই দিয়ে। মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত, মাজুলী উন্নয়ন খণ্ডৰ 'আতমা'ৰ সহযোগত আজি নামনি মাজুলীৰ কাকৰিকটাত নৱ প্ৰজন্মৰ কৃষকসকলৰ মাজত মাশ্বৰোম অথাৎ কাঠফুলা খেতিৰ ওপৰত এক উচ্চ পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। নামনি মাজুলীৰ কাকৰিকটাৰ উদীয়মান মাশ্বৰোম খেতিয়ক মনোজ দাসৰ কাঠফুলা ফাৰ্মত অনুষ্ঠিত হোৱা উক্ত প্ৰশিক্ষণ কাৰ্যসূচী আজি আঁত ধৰে 'আতমা'ৰ কৰ্মচাৰী প্ৰাণজিত ভূএগ্ৰাই। প্ৰশিক্ষণ কাৰ্যসূচীত কমালাবাৰী কৃষি উন্নয়ন বিষয়া পংকজ পূৰণে মাশ্বৰুমৰ গুণাগুণ, উচ্চ প্ৰটীণৰ উৎস ওৱেষ্টাৰ মাশ্বৰুম কৰিবলৈ কৃষকসকলক আহ্বান জনায়। প্ৰশিক্ষণত সমল ব্যক্তি যোৰহাট কেন্দুগুৰিৰ মাধুৰীমা দত্তই মাশ্বৰুমৰ খেতি কৰা বিভিন্ন প্ৰণালী, কাঠফুলাৰ গুণাগুণ ব্যাখ্যা কৰে। তেওঁ সমগ্ৰ অসমত ৩০০০ হেজাৰ মাশ্বৰোম কৃষকে বজাৰ দখল কৰি আছে বুলি উল্লেখ কৰে আৰু মাজুলীৰ কৃষকসকলে মাশ্বৰোমৰ বজাৰ নাপালে তেওঁ ক্ৰয় কৰিব বুলি উল্লেখ কৰে। বিশিষ্ট মাশ্বৰোম উৎপাদনকাৰী মাধুৰীমা দত্তই নিজেই মাশ্বৰোমৰ পৰা বিস্কুট, আচাৰ, কেক আদিও প্ৰস্তুত কৰি আছে বুলি প্ৰশিক্ষণত প্ৰকাশ কৰে। প্ৰশিক্ষণত মুখ্য অতিথি হিচাপে মাজুলী জিলা কৃষি বিষয়া নাছেৰ ইকবাল ৰেজাই মাশ্বৰোম খেতিয়কৰ বাবে থকা চৰকাৰী সাহায্য সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায় আৰু মাশ্বৰোম খেতিৰ মূল্য সংযোজন, মাশ্বৰোমৰ সংৰক্ষণ আৰু বজাৰ দখলৰ বিভিন্ন কৌশলসমূহ ব্যাখ্যা কৰে। নামনি মাজুলীৰ ৪০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা উক্ত প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থীসকলৰ লগত সমল ব্যক্তি মাধুৰীমা দত্তই মত বিনিময়ও কৰে। অনুষ্ঠানত স্বেচ্ছাসেৱী সংগঠন আয়াংট্ৰাষ্টৰ কৰ্মচাৰীয়েও অংশগ্ৰহণ কৰে। উক্ত, প্ৰশিক্ষণত শলাগ জ্ঞাপন কৰে মাশ্বৰোম কৃষক মনোজ দাসে।

# ডুমডুমাত চুতীয়া ছাত্ৰ সন্থাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, ছৈখোৱা, ৪ ছেপ্টেম্বৰ ঃ** সদৌ অসম চুতীয়া ছাত্ৰ সন্থা শিৱসাগৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক তপন চুতীয়াৰ মঙ্গলবাৰে পুৱা চিকিৎসাধীন অৱস্থাত অকাল মৃত্যুক আকোঁৱালি লয়। তপন চুতীয়াৰ মৃত্যুত সমগ্ৰ ৰাজ্যখনৰ লগতে তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাও শোকত ম্ৰিয়মাণ হৈ পৰে। জিলা চুতীয়া ছাত্ৰ সন্থাই শোক পালন কৰি সন্থাৰ স্থায়ী কাৰ্যালয়ত পতাকা তিনিদিনৰ বাবে অৰ্ধনিমিত কৰি ৰাখে। আজি সন্ধিয়া ৬ বজাত ডুমডুমা নগৰৰ মাজ মজিয়াৰ গান্ধীমূৰ্ত্তি তথা ক্লক টাৱাৰৰ সন্মুখত তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু প্ৰতিখন আঞ্চলিক সমিতিৰ প্ৰতিনিধিৰ উপস্থিতিত একাজলি শ্ৰদ্ধাঞ্জলি নামেৰে ছাত্ৰনেতাজনক স্মৰণ কৰা হয়। শিৱসাগৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক তপন চুতীয়া অসমৰ আদিম ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীৰ প্ৰতিবাদী কণ্ঠ হিচাপে চিনাকি আছিল ৰাইজৰ মাজত। কিছুদিনৰ পূৰ্বে স্বাস্থ্যজনীত কাৰণত চিকিৎসাধীন হৈ মঙ্গলবাৰে নিয়তিৰ আগত হাৰ মানি শেষ নিশ্বাস ত্যাগ কৰা তপন চুতীয়াৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি গান্ধীমূৰ্ত্তিৰ সন্মুখত ছাত্ৰনেতাজনৰ প্ৰতিচ্ছবিত মাল্যপৰ্ণ আৰু বন্তি প্ৰজ্বলন কৰি সমবেদনা জ্ঞাপন কৰে তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাই। সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক গংগাধৰ শইকীয়াই আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি সমীৰণ বৰা, জিলা সভাপতি নয়নজ্যোতি বৰশইকীয়া, সহকাৰী সম্পাদক জনজিত চুতীয়া, শিক্ষা আৰু আলোচনী সম্পাদক সত্যব্ৰত চুতীয়া, উক্ত অনুষ্ঠানত ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱড ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ লগতে অন্যান্য দল সংগঠনৰ বিষয়ববীয়া উপস্থিত থাকে।

# বৰখালাত ৪২তম্ অভীৰুচি ক্ৰীড়া দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বাহাৰঘাট, ৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে নলবাৰী জিলাৰ বৰভাগ অঞ্চলৰ বৰখালাটো ৪২ তম অভীৰুচি ক্ৰীড়া দিৱস উদযাপন কৰে। জিলাখনৰ অন্যতম ক্ৰীড়ানুষ্ঠান বৰভাগ ইউনাইটেড স্পোৰ্টচ ক্লাৱৰ সৌজন্যত উদ্‌যাপিত উক্ত অভীৰুচি ক্ৰীড়া দিৱস। তদুপলক্ষে পুৱাই আয়োজন কৰা সমূহীয়া দৌৰ উদ্বোধন কৰে প্ৰাক্তন খেলুৱৈ চহিদুল আলম আৰু চিকিঃসক ডাঃ হেমেন কুমাৰ শৰ্মাই। উল্লেখ্য আজিৰ পৰা ৪২ বছৰ পূৰ্বে নলবাৰী জিলাৰ সুসন্তান বিশিষ্ট ক্ৰীড়া সংগঠক বলেন্দ্ৰমোহন চক্ৰৱৰ্তীৰ ঐকান্তিক প্ৰচেষ্টাত কেইবাজনো ক্ৰীড়ানুৰাগী বিশিষ্ট লোকৰ সহযোগত অৰ্জন ভোগেশ্বৰ বৰুৱাৰ জন্মদিন তিনি চেপ্তেম্বৰ তাৰিখটো ৰাজ্যত অভীৰুচি ক্ৰীড়া দিৱস হিচাবে উদযাপন কৰি আহিছে। "সুদক্ষ খেলুৱৈ জাতিৰ গৌৰৱ, দেশৰ সম্পদ" মূল মন্ত্ৰৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত খেলুৱৈ সৃষ্টিৰ বৈপ্লৱিক পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে অভীৰুচিয়ে। আনহাতে বলেন্দ্ৰমোহন চক্ৰৱৰ্তীৰ সহযোগত এটা সময়ত প্ৰতিষ্ঠা হোৱা বৰভাগ ইউনাইটেড স্পোৰ্টচ ক্লাৱে প্ৰতিষ্ঠা কালৰে পৰা অভীৰুচি ক্ৰীড়া দিৱস উদযাপন কৰি আহিছে। আজি সমূহীয়া দৌৰ অন্তত ক্লাৱ প্ৰাংগনত আয়োজিত সভাত সভাপতিত্ব কৰে পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ শচীন্দ্ৰ শৰ্মাই। সভাত প্ৰাক্তন খেলুৱৈ চহিদুল আলম, হাৰেজ আলি, ৰবীন শৰ্মা, সাংবাদিক নৰেন শৰ্মা আদিকৰি কেইবাজনো ব্যক্তিয়ে অভীৰুচি ক্ৰীড়া দিৱস ওপৰত বক্তব্য দিয়ে। ক্লাৱৰ সম্পাদক দিলীপ কুমাৰ ভট্টাচাৰ্য আৰু উপসভাপতি তবিবৰ ৰহমানে আতধৰা সভাখনতে সমূহীয়া দৌৰত অংশগ্ৰহণ কৰা খেলুৱৈ সকলক মানপত্ৰ প্ৰদান কৰে। সমূহীয়া দৌৰত শতাধিক কিশোৰ, কিশোৰী তথা যুৱক যুৱতীয়ে অংশগ্ৰহণ কৰে। সমূহীয়া দৌৰত অঞ্চলৰ প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু ক্ৰীড়া প্ৰেমী ৰাইজে স্বতঃস্ফূৰ্ত ভাবে সহযোগ কৰে।

# মাকুমত গৰু ভৰ্তি বাহন-আৰক্ষীৰ বাহনৰ মাজত সংঘৰ্ষ

**অসম বাৰ্তা, মাকুম, ৪ ছেপ্টেম্বৰ ঃ** আজি পুৱাৰ ভাগত এ এচ ০৪ এ চি ৪৫৪৬ নম্বৰৰ টাটা ইণ্ট্ৰা বাহন এখনত লাংকাচি আৰক্ষী চকীৰ অন্তৰ্গত অঞ্চলৰ পৰা চোৰাংভাৱে গৰু সৰবৰাহ কৰি লৈ যোৱা অৱস্থাত লাংকাচি আৰক্ষী চকীৰ আৰক্ষীয়ে বাহনখন জব্দ কৰিবলৈ লওঁতে মাকুম টেঙাপানী ৰোডত আৰক্ষীৰ বলেৰো বাহন আৰু গৰু ভৰ্তি বাহন খনৰ মাজত সংঘৰ্ষ হয়। উক্ত সংঘৰ্ষৰ ফলত গৰু ভৰ্তি বাহনখন জব্দ কৰিবলৈ সক্ষম হোৱাৰ লগতে একমাত্ৰ চালকজন গুৰুতৰ ভাৱে আহত হয়। আঘাতপ্ৰাপ্ত হোৱা চালকজনক ততাতৈয়াকৈ মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে যদিও উন্নত চিকিৎসাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। ইপিনে উক্ত দুৰ্ঘটনাত আৰক্ষীৰ লোক কোনো ধৰণৰ আঘাতপ্ৰাপ্ত হোৱা নাই যদিও আৰক্ষীৰ বাহনখন দুৰ্ঘটনাগ্ৰস্ত হয়। ঘটনাস্থলীত লাংকাচি আৰক্ষী আৰু মাকুম আৰক্ষীৰ সহযোগত বাহন দুখন সহ গৰু কেইটা উক্ত স্থানৰ পৰা লৈ যোৱা হয়। সৰবৰাহ কৰা গৰু কেইটা কৰ পৰা কলৈ নিয়া হৈছিল লগতে বাহন খনৰ গৰু সৰবৰাহকাৰীজনৰ পৰিচয় সুস্থ অৱস্থালৈ অহাৰ পাছতহে জানিবলৈ পৰা হ'ব।

# ৰঙাচাহী মহাবিদ্যালয়ত নৱাগতা আদৰণি সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ৪ ছেপ্টেম্বৰ ঃ** মাজুলীৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰঙাচাহী মহাবিদ্যালয়ৰ ছাত্ৰ পৰিষদৰ উদ্যোগত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে এক নৱাগত আদৰণী সভা অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ সভাপতিত্ব কৰে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী বদন চন্দ্ৰ নেওগে আৰু আঁতধৰে শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা পাৰুল বৰা মিলিয়ে। সভাখনত ৰঙাচাহী মহাবিদ্যালয়ৰ উপাধ্যক্ষ তৰুণ কুমাৰ নাথে উদ্বোধনী ভাষণ প্ৰদান কৰে। সাধাৰণ সম্পাদকীয় অভিভাষণ পাঠ কৰে ছাত্ৰ পৰিষদৰ সম্পাদক ৰঞ্জিত পগাগে। ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱ কুমাৰ গামে নৱাগতসকলক মহাবিদ্যালয়লৈ স্বাগতম জনাই আদৰণি ভাষণ সামৰণি মাৰে। মাজুলী জিলাৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে মুখ্য অতিথি বক্তব্যত "প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলে একাগ্ৰতা, অধ্যৱসায় আৰু নীতিনিষ্ঠ সহকাৰে নিজকে মানসিকভাৱে প্ৰস্তুত কৰি আগুৱাই নিব লাগিব বুলি কয়।" সভাত সহকাৰী আয়ুক্ত অনুৰাগ প্ৰীতম বৰবৰা অতিথি হিচাপে উপস্থিত থাকে। ৰঙাচাহী মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ঘনকান্ত নাথে বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে। সন্মানীয় অতিথিসকলৰ একাষাৰত উপস্থিত থাকে ৰঙাচাহী মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক কৃষ্ণকান্ত দলে। মহাবিদ্যালয়ৰ পৰা শ্ৰেষ্ঠ স্নাতক বটা প্ৰদান কৰা হয় শিক্ষাতত্ত্ব বিভাগৰ সংযুক্ত বৰা আৰু লক্ষ্মিপ্ৰিয়া ভূএগ্ৰাক। উল্লেখনীয় যে দুয়োগৰাকী ছাত্ৰীয়ে ৮০ শতাংশকৈ লাভ কৰিবলৈ সমৰ্থ হৈছিল। লগতে বিভিন্ন বিভাগৰ কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীকো সম্বৰ্ধনা জনোৱা হয়। 'প্ৰজ্ঞা-মৈত্ৰী-সাহিত্য-সংস্কৃতি সাধনা মঞ্চ অসমে' প্ৰদান কৰা কাব্য বনফুল-২০২৫ ৰ বঁটা প্ৰাপ্য কবি পাৰুল বৰা মিলিক ৰঙাচাহী মহাবিদ্যালয়ৰ ছাত্ৰ পৰিষদে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি অনুষ্ঠিত প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে অসমীয়া বিভাগ; দ্বিতীয় স্থান বুৰঞ্জী বিভাগ আৰু তৃতীয় স্থান যুটীয়াকৈ ৰাজনীতি বিজ্ঞান আৰু শিক্ষাতত্ত্ব বিভাগে লাভ কৰিবলৈ সক্ষম হয়। সমাজতত্ত্ব বিভাগক বিচাৰকৰ বিশেষ বঁটা প্ৰদান কৰা হয়। সভাপতি মন্তব্যৰে মুকলি সভাৰ অনন্ত পৰা লগে লগে নৱ-প্ৰৱেশিত আৰু পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা প্ৰদৰ্শনৰ কাৰ্যসূচী ৰূপায়ণ হয়। সাংস্কৃতিক অনুষ্ঠানত মানস এছ.টিয়ে গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে।

# ডিব্ৰুগড়ত সোণোৱাল কছাৰী স্বায়ত্ত পৰিষদৰ উদ্যোগত নাগৰিক সভা

## শুদ্ধ ভোটাৰ তালিকাৰে নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ ছেপ্টেম্বৰ ঃ** সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত ডিব্ৰুগড় জিলা পুথিভঁৰালত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ আইন, অধিসূচিত গাঁও, স্বায়ত্ত শাসন ব্যৱস্থাৰ ধাৰণা আৰু সমাগত পৰিষদীয় নিৰ্বাচন বিষয় সম্পৰ্কত এক বিশাল নাগৰিক সভা অনুষ্ঠিত হয়। পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, জনজাতিটোৰ বিশিষ্ট ব্যক্তি তথা অধিবক্তা কেশৱ চন্দ্ৰ সোণোৱাল, শান্তনু দাস বৰহাজোৱাল, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ চন্দ্ৰ বড়াৰ যৌথ সভাপতিত্বত আয়োজিত নাগৰিক সভাত আদৰণি ভাষণ আৰু উদ্দেশ্য ব্যাখ্যা কৰি মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে কয় যে কাৰিকৰী বহু দিশত থকা আসোঁৱাহৰ বাবেই এখন শুদ্ধ ভোটাৰ তালিকা ৰাজ্য চৰকাৰৰ নিৰ্বাচন আয়োগে প্ৰস্তুত কৰি দিব নোৱাৰিলে। সেয়ে চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত পৰিষদৰ বৰ্ধিত কাৰ্যকাল অন্ত পৰাৰ পিছতো নিৰ্বাচন অনুষ্ঠিত কৰিব নোৱাৰাৰ কথা অৱগত কৰি অহা নৱেম্বৰত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰিব পৰাকৈ ৭০১খন ৰাজহ গাঁও আৰু ৯৩৯খন 'অংশ'যুক্ত গাঁৱৰ শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুতকৰণৰ সম্পৰ্কত ৰাইজৰ পৰা মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে পৰামৰ্শ বিচাৰে। সমান্তৰালকৈ ষষ্ঠ অনুসূচীত কিদৰে সোণোৱাল অধ্যুষিত অঞ্চলসমূহ অন্তৰ্ভুক্ত কৰি চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিব তাৰ সম্পৰ্কতো পৰামৰ্শ আগবঢ়োৱাৰ বাবে আহ্বান জনায়। ৰাজ্যখনৰ সোণোৱাল কছাৰী অধ্যুষিত বিভিন্ন জিলাসমূহৰ দুই সহস্ৰাধিক লোকৰ লগতে পৰিষদৰ পাৰিষদসকল, জনজাতিটোৰ বিভিন্ন সংগঠনৰ নেতৃবৃন্দৰ উপস্থিতিত অনুষ্ঠিত উক্ত সভাত সভাপতি মণ্ডলীৰ হৈ ড° বিনোদ চন্দ্ৰ বড়াই পৰিষদীয় আইন আৰু ষষ্ঠ অনুসূচি সম্পৰ্কীয় বিভিন্ন দিশৰ তুলনামূলক বিশ্লেষণ কৰি বিভিন্ন কাৰ্যবাহী ক্ষমতা লাভৰ ক্ষেত্ৰত ল'বলগীয়া দিশসমূহ চমুকৈ আলোকপাত কৰে। সভাত অংশগ্ৰহণ কৰি প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য মিলন সোণোৱালে ষষ্ঠ অনুসূচিত ১৯৫৬ চনতে মিজোৰামৰ লাখেৰ জনজাতিৰ মাত্ৰ ২৫ হেজাৰ জনসংখ্যা থকা অঞ্চলক যিদৰে ষষ্ঠ অনুসূচীভুক্ত হ'ল তাৰ বিপৰীতে ১৯৭১ চনতেপ্ৰায় দুই লাখ জনসংখ্যা আৰু বৰ্তমানে ৪ লাখৰো অধিক জনসংখ্যা থকা সোণোৱাল জনজাতিয়ে কিয় ষষ্ঠ অনুসূচীভুক্ত নহ'ব বুলি প্ৰশ্ন কৰি এই ক্ষেত্ৰত সকলোৱে একত্ৰিত হৈ সংগ্ৰাম কৰি যোৱাৰ পোষকতা কৰে। সভাত সোণোৱাল কছাৰী সাহিত্য সভাৰ হৈ ড° লৱৰাম সোণোৱাল, সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ হৈ সভাপতি দেবানন্দ চেলেং, প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য দণ্ডী সোণোৱাল, সোণোৱাল কছাৰী কালছাৰেল চ'চাইটিৰ হৈ সভাপতি ভুৱন চন্দ্ৰ বড়া, সোণোৱাল কছাৰী গণমঞ্চৰ হৈ কাৰ্যকৰী সভাপতি বিনোদ কুমৰাল, সোণোৱাল কছাৰী নাৰী সন্থাৰ হৈ সভানেত্ৰী ৰশ্মিৰেখা সোণোৱাল, স্বায়ত্তশাসিত পৰিষদ দাবী সমিতিৰ সম্পাদক উৎপল দাস, অৱসৰী ভাৰতীয় প্ৰশাসনীয় বিষয়া কুলস্বামী লালোৱাৰী, সোণোৱাল কছাৰী জাতীয় পৰিষদৰ হৈ সচিবপ্ৰধান চন্দন সোণোৱাল, বিশিষ্ট লেখক নন্দেশ্বৰ কছাৰী, 'সোণোৱাল কছাৰী সমাজ'ৰ হৈ কাৰ্তিক হাজৰিকা, প্ৰাক্তন ছাত্ৰনেতা কুমুদসাগৰ সোণোৱাল, কান্তেশ্বৰ বড়াকে ধৰি বহুসংখ্যক ব্যক্তিয়ে বিষয়কেইটাৰ সম্পৰ্কত নিজৰ মত ব্যক্ত কৰাৰ লগতে এই ক্ষেত্ৰত পৰিষদৰ কিছু দুৰ্বল ভূমিকাৰ ওপৰত তীক্ষ্ণ ভাষাৰে গঠনমূলক সমালোচনাও আগবঢ়ায়। নাগৰিক সভাই অহা নৱেম্বৰ মাহত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনোৱাৰ লগতে ভোটাৰ তালিকাত সন্নিৱিষ্ট হৈ থকা সোণোৱাল আৰু অ-সোণোৱাল লোকৰ অন্তৰ্ভুক্তি কৰা-নকৰাৰ সম্পৰ্কত শীঘ্ৰে জাতীয় সংগঠনসমূহৰে আলোচনা কৰি এক চূড়ান্ত ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত চৰকাৰক সহযোগিতা কৰাৰ সিদ্ধান্ত গ্ৰহণৰ উপৰিও জনজাতিটোৰ সকলো দল-সংগঠনৰ প্ৰতিনিধিৰ লগতে পৰিষদৰ সদস্য সকলৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰে চলিত ছেপ্টেম্বৰ মাহতেই এক আলোচনাত মিলিত হ'বৰ বাবেও নাগৰিক সভাই সিদ্ধান্ত গ্ৰহণ কৰে।




# মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে, ভাবিব কোনেনো কোৱা ?

## আৰ্তজনৰ কাষত ৰাইজৰ দলৰ কেন্দ্ৰীয় সমিতিৰ মুখপাত্ৰ

**অসম বাৰ্তা, মৈৰাবাৰী, ৪ ছেপ্টেম্বৰ ঃ** ধিং সমষ্টিৰ বলিকটিয়া আৰু জেঙনী অঞ্চলত বেদখল কৰি থকা ভূমি জিলা প্ৰশাসনৰ জাননীৰ পাছতে মুক্ত কৰি সেই স্থান এৰা দৰিদ্ৰ জনতাক খাদ্যৰ টোপোলা প্ৰদান মেহবুব মুক্তাৰৰ। নগাওঁ জিলাৰ ধিং সমষ্টিৰ বলিকটিয়া আৰু জেঙনী অঞ্চলত নগাঁও প্ৰশাসনে উচ্ছেদৰ জাননী জাৰি কৰিছিল। উক্ত জাননী পায় সেই অঞ্চলত থকা দুখীয়া পৰিয়ালসমূহে নিজেই বেদখল মুক্ত কৰিবৰ নিমিত্তে নিজ বাসস্থানসমূহ ভাঙি অন্য স্থানলৈ গতি কৰিছে। কিন্তু এই দুখীয়া পৰিয়ালৰ লোকেসকলে বহু কষ্ট আৰু যন্ত্ৰণাৰে জীৱন অতিবাহিত কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। এই বিষয়ে অৱগত হৈ, এই বিপদৰ সময়ত ৰাইজৰ কাষত থিয় দিছে ৰাইজৰ দলৰ কেন্দ্ৰীয় সমিতিৰ মুখপাত্ৰ মেহবুব মুক্তাৰে। যুৱনেতাগৰাকীয়ে সেইসকলৰ দুখৰ সমভাগী হোৱাৰ প্ৰয়াস কৰি, আজি ৫২টা ভূমিহীন পৰিয়ালক খাদ্য সামগ্ৰীৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ টোপোলা বিতৰণ কৰে। এইদৰে আৰ্তজনক সহায় কৰি তেওঁ অসহায় মানুহক কিঞ্চিত সহায় কৰিব পাৰিলে মনত সন্তোষ লাভ কৰো বুলি প্ৰকাশ কৰে। সাহায্য প্ৰদান কাৰ্যসূচীত ৰাইজৰ দলৰ ধিং সমষ্টি সমিতি, জাতীয় যুৱ বাহিনীৰ সভাপতি আশ্বাদুল ইছলাম, ৰাইজৰ দলৰ ধিং সমষ্টিৰ মুখ্য গঠনিক সম্পাদক মাইনুদ্দিন আহমেদৰ লগতে অন্যান্য বিষয়ববীয়া উপস্থিত থাকে।

# মুকালমুৱাত ১৩ সংখ্যক 'চক্ৰধৰ ডেকা' সোঁৱৰণী আমন্ত্ৰণমূলক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৪ ছেপ্টেম্বৰ ঃ** মুকালমুৱাত আজি ১৩ সংখ্যক চক্ৰধৰ ডেকা ফুটবল প্ৰতিযোগিতাখনৰ শুভাৰম্ভণি কৰা হয়। প্ৰতিযোগিতাখনৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। আজিৰ খেলত মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থা ( মাছা)ই সোণাপুৰ স্প'ৰ্টছ ক্লাৱক ২-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। আজিৰ খেলখন সূচাৰুৰূপে পৰিচালনা কৰে জেহেৰুল ইছলাম, চফিকুল হক, হবিবুল্লা ফিৰদুচ আৰু কনক বৰ্মনে। অহা ৰবিবাৰে প্ৰতিযোগিতাৰ প্ৰথমখন প্ৰি-কোৱাৰ্টাৰ খেলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ দলৰ বিপৰীতে কামৰূপা এফ.চি.দলে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি জনাইছে উদ্যোক্তাসকলে।

আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীক সন্মানীয় ডি.লিট ডিগ্ৰী প্ৰদান

# অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ দ্বাদশ দীক্ষান্ত সমাৰোহ



**উজনী মাজুলী, ৪ ছেপ্টেম্বৰ ঃ** অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ আজি দ্বাদশ দীক্ষান্ত সমাৰোহত আনুষ্ঠানিকভাৱে আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীক বিশ্ববিদ্যালয় খনে সন্মানীয় ডি.লিট ডিগ্ৰী প্ৰদান কৰে। অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য মুখ্য অতিথি হিচাপে উপস্থিত থকা দীক্ষান্ত সমাৰোহত অন্যান্য ডিগ্ৰী সমূহ প্ৰদান কৰাৰ পূৰ্বে আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীক ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আনুষ্ঠানিকভাৱে বিশ্ববিদ্যালয় খনে আগবঢ়োৱা সন্মানীয় ডি.লিট ডিগ্ৰী প্ৰদান কৰে। ইফালে আচাৰ্য তথা সত্ৰাধিকাৰ গৰাকীৰ সৈতে পদ্মশ্ৰী তথা দিল্লীৰ এইমছৰ প্ৰাক্তন সঞ্চালক, বিলাসপুৰ এইমছৰ বৰ্তমানৰ সঞ্চালক ৰণদীপ গুলেৰীয়াকো সন্মানীয় ডি.লিট উপাধি প্ৰদান কৰে। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাৰ দুলীয়াজনৰ সমীপৰ বিজয় মাহামৰা সত্ৰত ড° পীতাম্বৰ দেৱ গোস্বামীয়ে ১৯৫৯ চনৰ ১৪ জুনত জন্মগ্ৰহণ কৰে। পিতৃৰ নাম দেৱকান্ত গোস্বামী আৰু মাতৃৰ নাম সুভদ্ৰা দেৱী। তেতিয়াৰ শিশু পীতাম্বৰ দেৱক ৯ বছৰ বয়সতে টেঙাঘাট বাহৰত বাহৰ পাতি থকা সেই সময়ৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ স্বৰ্গীয় হেমচন্দ্ৰ দেৱগোস্বামীৰ হাতত অৰ্পণ কৰে। তেখেতে আধুনিক আনুষ্ঠানিক শিক্ষাৰ পাতনি মেলে দুলীয়াজানৰ জালান প্ৰাথমিক বিদ্যালয়ত। এইখন বিদ্যালয়ত দ্বিতীয় মানলৈকে পঢ়াৰ পাছত আউনীআটী সত্ৰৰ নিজা বিদ্যালয় আউনীআটী উচ্চ বুনিয়াদী বিদ্যালয়ত মাধ্যমিক শিক্ষা সম্পূৰ্ণ কৰে। আউনীআটী হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱম শ্ৰেণী উৰ্ত্তীণ কৰাৰ পাছত, তেখেত উত্তৰ গুৱাহাটীত অৱস্থিত আউনীআটী সত্ৰৰ শাখা সত্ৰলৈ যায় আৰু তাতে থাকি ১৯৭৭ চনত উত্তৰ গুৱাহাটী কমলদেৱ প্ৰতিষ্ঠানৰ পৰা সুখ্যাতিৰে মেট্ৰিক পৰীক্ষাত উৰ্ত্তীণ হয়। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ পৰা ১৯৭৯ চন আৰু ১৯৮১ চনত ক্ৰমে প্ৰাক বিশ্ববিদ্যালয় আৰু অসমীয়াত সন্মানসহ স্নাতক ডিগ্ৰী অৰ্জন কৰে। ১৯৮৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা তেখেতে অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেখেতে সংস্কৃত শিক্ষাও উত্তৰ গুৱাহাটীৰ আউনীআটী লীলাকান্ত সংস্কৃত বিদ্যালয়ৰ লয় আৰু ব্যাকৰণত "শাস্ত্ৰী" উপাধি লাভ কৰে। পীতাম্বৰ দেৱ গোস্বামীয়ে ড° নগেন শইকীয়াৰ তত্বাৱধানত "সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য্য বিচাৰ" শীৰ্ষক বিষয়ৰ ওপৰত গৱেষণা কৰি ২০০১ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট উপাধি অৰ্জন কৰে। ১৯৯৭ চনত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰৰ "নিৰ্মালি" গ্ৰহণ কৰা সত্ৰাধিকাৰ গৰাকী এজন সুলেখক হিচাপে পৰিচিত হোৱাৰ লগতে ইতিমধ্যে ভালেমান গ্ৰন্থ আৰু নাট্য গীতি ৰচনা কৰিছে। ইফালে ২০২২ বৰ্ষতে প্ৰতিষ্ঠা লাভ কৰা আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° পীতাম্বৰ দেৱ গোস্বামীয়ে উক্ত সন্মান লাভ কৰাৰ বাবে ক্ৰমে আউনীআটী সত্ৰৰ ডেকাধিকাৰ দেৱানন্দ দেৱ গোস্বামী, আউনীআটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° প্ৰকাশ জ্যোতি বৰঠাকুৰ, পঞ্জীয়ক ড° মাধুৰ্যমণ্ডিত বৰুৱা, আচাৰ্যৰ সচিব তুলসী ৰাজখোৱা, আউনীআটী বিশ্ববিদ্যালয়ৰ ন্যাস পৰিষদৰ সচিব প্ৰশান্ত দত্ত, বিশ্ববিদ্যালয়ৰ জনসম্পৰ্কৰক্ষী বিষয়া উৎপল বৰাৰ লগতে বিশ্ববিদ্যালয়ৰ সমূহ অধ্যাপক - অধ্যাপিকা, বিষয়া - কৰ্মচাৰী আৰু আউনীআটী সত্ৰৰ সমূহ বৈষ্ণৱে বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা সত্ৰাধিকাৰ গৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে।

ৰাষ্ট্ৰীয় ঘাইপথত ডাম্পাৰৰ সন্ত্ৰাস

## পশ্চিম যোৰহাট আছু-অসম সেনাৰ জিলা আয়ুক্তক স্মাৰক-পত্ৰ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৪ ছেপ্টেম্বৰ ঃ** গোলাঘাট-যোৰহাট সংযোগী ৰাষ্ট্ৰীয় ঘাই পথত তীব্ৰবেগী শিল-বালিভৰ্তি ডাম্পাৰৰ সন্ত্ৰাস দিনক দিনে বৃদ্ধি পাই অহা পৰিলক্ষিত হোৱাৰ সমান্তৰালকৈ নিৰ্মাণকাৰ্যত ব্যৱহৃত সা-সামগ্ৰী বে-আইনীভাৱে পৰিবহণ কৰাৰ খবৰে সচেতন মহলত চিন্তাৰ উদ্ভৱ ঘটাইছে। শেহতীয়াকৈ চৰকাৰী বিভাগীয় তালাচীৰ পৰা বাছিবলৈ ডাম্পাৰসমূহে পশ্চিম যোৰহাট অঞ্চলৰ ভিতৰুৱা গ্ৰাম্য পথসমূহেৰে যাতায়াত কৰি জনসাধাৰণক সামাজিকভাৱে অতিষ্ঠ কৰি তোলা পৰিলক্ষিত হৈছে। কালি পশ্চিম যোৰহাট আঞ্চলিক ছাত্ৰ সন্থা আৰু অসম সেনাৰ পশ্চিম যোৰহাট আঞ্চলিক সমিতিয়ে পশ্চিম যোৰহাট অঞ্চলবাসীৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাট জিলা আয়ুক্তক স্মাৰক-পত্ৰ প্ৰদান কৰে। পশ্চিম যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মধুৰিপু বৰঠাকুৰ আৰু সাধাৰণ সম্পাদক অৰ্কিড অংশু গোস্বামী, অসম সেনাৰ পশ্চিম যোৰহাট সমিতিৰ তৰফৰ মুখ্য আহ্বায়ক মৃদুল বৰাই অৱগত কৰে যে, আইনৰ নীতি-নিয়মৰ মাজেৰে শিল-বালিৰ পৰিবহণৰ ব্যৱসায়ৰ সৈতে জড়িত হৈ স্বাৱলম্বীতাৰ পথ অৰ্জন কৰাসকলৰ ক্ষেত্ৰত কোনো আপত্তি নাই যদিও বে-আইনীভাৱে বিধিগত আইন ব্যৱস্থাক ভেঙুচালি কৰাসকলক প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰক। পথচাৰী আৰু সাধাৰণ ৰাইজৰ নিৰাপত্তাৰ বিষয়টো অতিকৈ স্পৰ্শকাতৰ। এই বিষয়ত প্ৰশাসনে দৃষ্টি দিয়াৰ প্ৰয়োজন। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা উপৰোক্ত বিষয়সমূহৰ ক্ষেত্ৰত বিধিগত ব্যৱস্থা গ্ৰহণ কৰিব বুলি ছাত্ৰ সন্থা-অসম সেনাৰ দলটোক অৱগত কৰিছে।

## জনীয়া প্ৰেছ ক্লাৱৰ উদ্যোগত শিক্ষক দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, জনীয়া, ৪ ছেপ্টেম্বৰ ঃ** প্ৰতি বছৰৰ দৰে এইবেলিও জাক জমকেৰে জনীয়া প্ৰেছ ক্লাৱৰ উদ্যোগত শিক্ষক দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। জানিবলৈ দিয়া মতে সালেকুৰা, ছাপৰা, বাংলীপাৰা, বানিয়াৰাপাৰা, টাপাজুলি, জাহোৰপাম, জনীয়া আৰু ইয়াৰ পাশ্বৱৰ্তী অঞ্চলৰ ২০ গৰাকীকৈ অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুক ফুলাম গামোচা, মানপত্ৰ, জাপি আৰু এডালকৈ কলমেৰে জনীয়া প্ৰেছ ক্লাৱে সম্বৰ্ধনা জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই উপলক্ষে জনীয়া গাঁওপঞ্চায়তৰ কাৰ্যালয়ৰ সম্মুখত দিনৰ ২: ৩০ বজাত জনীয়া প্ৰেছ ক্লাৱৰ সভাপতি মইনুল হক চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া সম্বৰ্ধনা সভাত মুখ্য অতিথি হিচাপে সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰ, বিশিষ্ট অতিথি হিচাপে জনীয়া হাইস্কুলৰ প্ৰধান শিক্ষক ছোলাইমান চৌধুৰী, ফখৰুদ্দিন আলী আহমেদ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পি জি টি ছাহজাহান আলী আৰু সন্মনীয় অতিথি হিচাপে জনীয়া গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত সভাপতি আফছানা পাৰবিন উপস্থিত থাকিব বুলি সম্পাদক আবুল হুছেইনে জানিবলৈ দিছে। অঞ্চলৰ ২০ গৰাকীকৈ অৱসৰী শিক্ষকে জীৱনৰ বিয়লি বেলাত একত্ৰিত হৈ অতীতক ৰোমন্থন কৰিবলৈ সুযোগ পাব বুলি জানিবলৈ পাই অৱসৰী শিক্ষকগুৰু সকলেও ৫ ছেপ্টেম্বৰৰ শিক্ষক দিৱসলৈ অধিৰ আগ্ৰহেৰে অপেক্ষাৰত বুলি জানিব পৰা গৈছে।

মুকালমুৱাৰ নাৰায়ণপুৰত নিশা দুজন সৰবৰাহকাৰীক ৰাইজে হাতে-লোটে ধৰি গতাই দিয়ে আৰক্ষীক

## ড্ৰাগছৰ ঘাটিত পৰিণত বৃহত্তৰ মুকালমুৱা অঞ্চল

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৪ ছেপ্টেম্বৰ ঃ** নলবাৰীৰ বিভিন্ন অঞ্চলত ড্ৰাগছ আসক্তৰ লগতে সৰবৰাহকাৰীৰ অতপালিত অতিষ্ঠ হৈ পৰিছে সাধাৰণ জনতা। উল্লেখ্য যে সন্ধিয়া হ'লেই একাংশ উদণ্ড যুৱকৰ অতপালিত পদপথেৰে যাব নোৱাৰে সাধাৰণ পথচাৰী। আৰক্ষী প্ৰশাসনৰ অমনোযোগিতাৰ ফলতেই অঞ্চলটোত দীৰ্ঘদিন ধৰি এনেদৰে অপৰাধজনিত ঘটনা সংঘটিত হৈ অহাৰ অভিযোগ দীৰ্ঘদিনীয়া। নলবাৰী জিলাৰ মুকালমুৱাৰ নাৰায়ণপুৰত দুজনকৈ লোকক স্থানীয় সচেতন লোকে যোৱা নিশা নিচাজাতীয় সামগ্ৰীসহ হাতে লোটে ধৰি গতাই দিয়ে আৰক্ষীক। সৰবৰাহকাৰী দুজন হৈছে আলাউদ্দিন আলী আৰু ৰফিকুল আলী। ধৃত নিচাজাতীয় সামগ্ৰী সৰবৰাহকাৰী লোক দুজনৰ ঘৰ মুকালমুৱাৰ নাৰায়ণপুৰত। লোক দুজনে বহুদিনৰ পৰা অঞ্চলটোত নিচাজাতীয় সামগ্ৰীৰ ৰমৰমীয়া বেহা চলাই অহাৰ অভিযোগ উত্থাপিত হৈছে। লোক দুজনৰ পৰা এ এছ ১৪০৮৯৫০ নম্বৰৰ এখন মটৰ চাইকেল আৰু কিছু নগদ ধন উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে।

প্ৰতিক্ৰিয়া আন্তঃৰাষ্ট্ৰীয় কোচ ৰাজবংশী সংস্থাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনৰ

## বঙাইগাঁৱত শিক্ষকৰ ধনেৰে শিক্ষা বিভাগে উদ্‌যাপন কৰিব শিক্ষক দিৱস

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ৪ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাত শিক্ষকৰ দৰমহাৰ ধনৰ অংশ আদায়েৰে শিক্ষক দিৱসৰ দিনা শিক্ষকক সম্বৰ্ধনা দিৱলৈ ওলোৱা কাৰ্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আন্তঃৰাষ্ট্ৰীয় কোচ ৰাজবংশী সংস্থাই। এক বিবৃতিত সংস্থাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে কয় যে, বঙাইগাঁও জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ে শিক্ষক দিৱস উদ্‌যাপনৰ উদ্দেশ্যে জিলাখনৰ প্ৰতিখন বিদ্যালয়ৰ পৰা পাইকাৰী হিচাপত ধন আদায়ৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেইমৰ্মে জিলাখনৰ প্ৰতিখন উচ্চতৰ মাধ্যমিক, উচ্চ বিদ্যালয়, মধ্য ইংৰাজী আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পৰা পৃথকে-পৃথকে ধনৰ নিৰিখ নিৰ্ধাৰণ কৰি সংশি-ষ্ট শিক্ষা বিষয়াক ধন সংগ্ৰহৰ নিৰ্দেশ দিছে। সেই অনুসৰি সংশি-ষ্ট শিক্ষা বিষয়াৰ অধীনস্থ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়কসকল নামি পৰিছে শিক্ষক দিৱসৰ নামত ধন সংগ্ৰহ অভিযানত। বিবৃতিত সভাপতি বৰ্মনে কয় যে, জিলাখনৰ প্ৰতিখন উচ্চতৰ মাধ্যমিকৰ পৰা এহাজাৰ টকা, উচ্চ বিদ্যালয়ৰ পৰা সাতশ টকা, মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা দুশ টকা আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পৰা এশ টকাকৈ আদায়ৰ ব্যৱস্থা কৰে শিক্ষক দিৱস উদ্‌যাপনৰ বাবে। এনে সিদ্ধান্তক তীব্ৰ বিৰোধিতা কৰি বিবৃতিত কয় যে, শিক্ষকসকলৰ বাবে এক উল্লেখযোগ্য দিন হৈছে শিক্ষক দিৱস। দেশৰ মহান শিক্ষাবিদ প্ৰয়াত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনত উদ্‌যাপিত শিক্ষক দিৱস শিক্ষকসকলৰ বাবে বিশেষ তাৎপৰ্যপূৰ্ণ। শিক্ষক সকলোক সমাজে গুৰুৰ আসনত অধিষ্ঠিত কৰি আহিছে। এনে অৱস্থাত শিক্ষকৰ পৰা ধন আদায়েৰে শিক্ষক দিৱস উদ্‌যাপন কৰাটো চৰকাৰৰ বাবে এক নেতিবাচক দিশ বুলি মন্তব্য কৰিছে বৰ্মনে।

ইউপিপিএল দল থকালৈকে বড়োভূমিত উচ্ছেদ নহয় ঃ প্ৰাৰ্থী চৰনজিৎ বসুমতাৰী

## বিটিচিৰ ৪ নং যমদুৱাৰ সমষ্টিৰ পিজিয়াৰ গাঁৱত ইউপিপিএলৰ যোগদান সভা

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৪ ছেপ্টেম্বৰ ঃ** বিটিআৰ নিৰ্বাচনৰ পূৰ্বে বড়োভূমিত বলিছে নিৰ্বাচনী গৰম বতাহ। শাসক বিৰোধীয়ে নিজৰ দলীয় ভেটি অধিক শক্তিশালী কৰাৰ বাবে চলাইছে নিৰ্বাচনী সভাৰ লগতে যোগদান কাৰ্যসূচী। পিছ পৰি থকা নাই ইউপিপিএলৰ প্ৰাৰ্থী চৰনজিৎ বসমুতাৰীও, দিনে- ৰাতি একাকাৰ কৰি চলাই গৈছে নিৰ্বাচনী প্ৰচাৰ সভা। অসম-বঙ্গ সীমান্তৰ শিমুলটা পিজিয়াৰ গাঁৱৰ নুৰুল ইছলামৰ পৰিচালনা কৰা সভাত যোৱা মঙ্গলবাৰে সন্ধিয়া ১০ বজাত যমদুৱাৰ সমষ্টিটোৰ তিনি খনকৈ গাঁৱত ইউপিপিএল দলৰ যোগদান কাৰ্যসূচী সভা অনুষ্ঠিত হয়। যোগদান সভাত ৪ নং যমদুৱাৰ সমষ্টিৰ ইউপিপিএলৰ প্ৰাৰ্থী চৰনজিৎ বসমুতাৰীৰ উপস্থিতিত তিনি-শতাধিক পুৰুষ মহিলাই আনুষ্ঠানিক ভাৱে ইউপিপিএল দলত যোগদান কৰে। নতুনকৈ যোগদান কৰা সকলক এখন ফুলাম গামোচা দলৰ প্ৰতিক চিহ্ন দি দলত আদৰি লৈ প্ৰাৰ্থী চৰনজিৎ বসমুতিৰীয়ে কয় ইউপিপিএল চৰকাৰ থকালৈকে বড়োভূমিত উচ্ছেদ নহয়। তেখেতে আৰু কয় মোৰ আত্ম বিশ্বাস যমদুৱাৰ সমষ্টিত বিপুল ভোটৰ ব্যৱধানত ৰাইজে মোক জয়ী কৰাব আৰু আকৌ প্ৰমোদ বড়োৰ চৰকাৰ হব। যোগদান কায্যসুচীত যমদুৱাৰ ব্লকৰ সমন্বয়ক ধজেন্দ্ৰ ৰাভা, ইউপিপিএল দলৰ জিলা সমিতিৰ উপসভাপতি লোকনাথ নাৰ্জাৰী, মালাগুৰী ভিচিডিচিৰ উপসভাপতি জালাল উদ্দিন তালুকদাৰ সহ বহুতে উপস্থিত আছিল।

## আৰ্যভট্টৰ বিজ্ঞান কেন্দ্ৰ গমাৰীগুৰি ব্লকৰ উদ্যোগত দৈয়াং উঃ মাঃ বিদ্যালয়ত বিজ্ঞান ভিত্তিক প্ৰতিযোগিতা

**অসম বাৰ্তা, মেৰাপানী, ৪ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানীৰ দৈয়াং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি আৰ্যভট্টৰ গমাৰিগুৰী ব্লকৰ উদ্যোগত দৈয়াঙৰ বিভিন্ন বিদ্যালয়ৰ দুই শতাধিক ছাত্ৰ ছাত্ৰীৰ মাজত আকশ্বিক বক্তৃতা, চিত্ৰাংকন, মৰ্ডেল আহি বিজ্ঞান ভিত্তিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাসমূহৰ বিচাৰক হিচাপে উপস্থিত থাকে মেৰাপানী টাউন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নগেন বৰা আৰু কেবিএম ইংলিছ স্কুলৰ বিজ্ঞান শিক্ষক প্ৰসেনজিৎ চৰকাৰ। শিক্ষক বিমান শইকীয়াই আতধৰা অনুষ্ঠানটীত আয্যভট বিজ্ঞান কেন্দ্ৰৰ গোলাঘাট জিলা সমন্বয়ক মঃ ইমৰাজ আলি, মৰঙি আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক অতুলচন্দ্ৰ শইকীয়া, দৈয়াং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কৰবী বৰা জাতীয় বিদ্যালয় মেৰাপানীৰ অধ্যক্ষা ৰূপা শইকীয়া, কাছমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক প্ৰফুল্ল বৰুৱা, সাংবাদিক ভদ্ৰেশ্বৰ বৰা, ৰাজুমণি শইকীয়াকে আদি কৰি বহু গণ্য-মান্য লোক উপস্থিত থাকে।

## অভয়াপুৰী লেংটিচিঙাত HP পেট্ৰ'ল পাম্পত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, লেংটিছিঙা, ৪ ছেপ্টেম্বৰ ঃ** HP পেট্ৰল পাম্পৰ কৰ্মচাৰী থকা কোঠাত দীৰ্ঘদিন ধৰি অনৈতিক কাৰ্য চলি থকা দীৰ্ঘ দিনীয়া অভিযোগ স্থানীয় ৰাইজৰ। আজি উক্ত বিষয় সন্দৰ্ভত স্থানীয় এগৰাকী যুৱকে প্ৰতিবাদ কৰাত HP পেট্ৰল পাম্পৰ স্বত্বাধিকাৰী কালা চন্দ্ৰ দাসৰ গুণ্ডাবাহিনীয়ে যুৱক জনক অক্ৰমন কৰাৰ গুৰুতৰ অভিযোগ উৎক্ষাপিত হৈছে। গুণ্ডাবাহিনীৰ উক্ত কাৰ্যত জাঙুৰ খাই উঠে স্থানীয় ৰাইজ আৰু উত্তেজিত ৰাইজে পেট্ৰল পাম্পখন ঘেৰাও কৰে আৰু পৰিস্থিতি উত্তপ্ত কৰি তোলে। পিছত ঘটনা স্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ক্ষুব্ধ ৰাইজে শীঘ্ৰেই উক্ত পেট্ৰল পাম্প বন্ধ কৰি দিবলৈ প্ৰশাসনক আহ্বান জনায়।

প্ৰতিখন জিলাতে একোটা ৰংগমঞ্চ নিৰ্মাণৰ দাবী; ধেমাজি জিলাত মাণ্ডলিক অধিৱেশন

## মাজুলীত অসম নাট্য সন্মিলনৰ স্বৰ্ণ পীঠ মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

মাজুলীত শিশু নাট ৰচনা কৰ্মশালা, লখিমপুৰত কবিতা আবৃত্তি কৰ্মশালা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত

**অসম বাৰ্তা, উজনী মাজুলী, ৪ ছেপ্টেম্বৰ ঃ** অসম নাট্য সন্মিলনৰ চাৰিটা মণ্ডলৰ অন্যতম স্বৰ্ণ পীঠ মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা মাজুলী জিলা নাট্য সন্মিলন উদ্যোগত মাজুলী মহাবিদ্যালয়ৰ পদ্মনাথ গোস্বামী প্ৰেক্ষাগৃহত মণ্ডলৰ সভাপতি হৰেন শইকীয়াৰ পৌৰুহিত্যত অনুষ্ঠিত হয়। মণ্ডলৰ সাতখন জিলাৰ প্ৰতিনিধি আৰু কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত সভাৰ আদৰণি ভাষণ আগবঢ়াই বিশিষ্ট কবি, অভিনেতা তথা মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। ভাষণ প্ৰসংগত ড° শইকীয়াই কয় - পৃথিৱীৰ আটাইতকৈ উন্নত মাধ্যম হ'ল নাট্য কলা যাৰ মাধ্যমেৰে সমাজখনৰ এটা নতুন গতি দিব পাৰে। সেই মাধ্যমৰ সেনানী সকলক সত্ৰীয়া সংস্কৃতিৰ পীঠ স্থান মাজুলীলৈ স্বাগত সম্ভাষণ জনাই মাজুলীতো ইতিবাচক প্ৰভাৱ পৰিব বুলি আশা প্ৰকাশ কৰে। সভাৰ আৰম্ভণিতে সদ্য প্ৰয়াত নাট্য যোদ্ধা হেমন্ত দত্তকে ধৰি জ্ঞাত অজ্ঞাত বৰেন্য ব্যক্তি সকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি মৌন প্ৰাৰ্থনা জনায়। গত সভাৰ কাৰ্যবিৱৰনি পাঠ আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে স্বৰ্ণপীঠ মণ্ডলৰ সম্পাদক কুমাৰেশ দত্তই। আজিৰ সভাত মাজুলীৰ বৰ্ষীয়ান শিল্পী ইন্দ্ৰেশ্বৰ ৰাজখোৱা, বলো কলিতা, পুতুল মহন্ত, ৰেনুমালা দত্ত, বসন্ত মিলি, ৰমেশ মিলি, বৰ্ষিাম ৰেগন আদিয়ে মত বিনিময়ত অংশগ্ৰহণ কৰি মাজুলীৰ নাট্য কলাৰ ঐতিহ্যৰ আভাস দাঙি ধৰে আৰু মিচিং জনগোষ্ঠীৰ এটা শাখা গঠনৰ পোষকতা কৰে। সভাত সাংগঠনিক দিশৰ ওপৰত বক্তব্য ৰাখে ক্ৰমে অসম নাট্য সন্মিলনৰ কাৰ্যকৰী সভাপতি হিৰন্য হাজৰিকা, মাজুলী জিলাৰ সভাপতি ৰঞ্জিৎ কুমাৰ ভূএঞা, উপদেষ্টা ড° আনন্দ হাজৰিকা, স্বৰ্ণপীঠ মণ্ডলৰ প্ৰচাৰ সম্পাদক সমীৰণ গোস্বামী, ধেমাজি জিলাৰ সভাপতি নৱ ডেকা বৰুৱা, প্ৰাক্তন সভাপতি ৰবী গগৈ, সম্পাদক ৰাজেন শইকীয়া, কেন্দ্ৰীয় সমিতিৰ সহঃ সম্পাদক যোগানন্দ গগৈ, কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি মৃগেন বৰা, মনোনীত সদস্য যদুমনি বৰুৱা, লখিমপুৰ জিলাৰ সভাপতি সঞ্জয় ফুকনে বক্তব্য ৰাখে। সভাই সৰ্বসন্মতিক্ৰমে বহু কেইটা প্ৰস্তাৱ গ্ৰহণ কৰে। তাৰ ভিতৰত আগন্তুক মাণ্ডলিক অধিবেশন ডিচেম্বৰত ধেমাজি জিলাত অনুষ্ঠিত কৰা, মাজুলীত শিশু নাট ৰচনা কৰ্মশালা আৰু লখিমপুৰত কবিতা আবৃত্তি কৰ্মশালা অনুষ্ঠিত কৰা, নবেম্বৰ মাহৰ ভিতৰত শাখা আৰু জিলা সমূহ নবীকৰণ কৰাৰ লগতে অসম নাট্য সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বিকৃত কৰা কৰিস্মা নাথৰ কাৰ্যক গৰিহনা দি চৰকাৰক উপযুক্ত শাস্তি প্ৰদান কৰিবলৈ দাবী জনোৱা হয়। আনহাতে অসম নাট্য সন্মিলনে চৰকাৰক নাট্য সন্মিলনৰ প্ৰতিখন জিলাতে একোটাকৈ ৰংগমঞ্চ নিৰ্মাণৰ দাবী স্বৰ্ণ পীঠ মণ্ডলৰ কাৰ্যনিৰ্বাহক সভাই পূৰ্ণ সমৰ্থন আগবঢ়ায়। সভাই পৰবৰ্তী সময়ত অসম নাট্য সন্মিলনৰ এখন কাৰ্যনিৰ্বাহক সভা মাজুলীত অনুষ্ঠিত কৰাৰ পোষকতা কৰে। সভাপতিৰ মন্তব্যত মাজুলীৰ সাংস্কৃতিক চৰ্চা বিপুল সম্ভাৰ বিৰাজমান সত্ৰীয়া শৈশীৰ আধাৰত আধুনিক নাট্য যাত্ৰা আৰম্ভ কৰাৰ আহ্বান জনায়। মাজুলীৰ জিলা সমিতিৰ আতিথ্য আৰু মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ বাদান্যতাত কৃতজ্ঞতা জ্ঞাপন কৰে।

সাংবাদিক কল্যাণ ন্যাসলৈ ১০ হাজাৰ টকা

## বিজেপিৰ ৰাজ্যিক সম্পাদক বিতোপন দলেৰ মাজুলী জিলা সাংবাদিক সন্থাৰে অন্তৰংগ আলাপ

**অসম বাৰ্তা, বনগাঁও, ৪ ছেপ্টেম্বৰ ঃ** অসম প্ৰদেশ ভাৰতীয় জনতা পাৰ্টীৰ নৱ নিৰ্বাচিত সম্পাদক মাজুলী জেংৰাইমুখ নিবাসী জনপ্ৰিয় যুৱ সমাজ কৰ্মী বিতোপন দলেৰ আহৱানত মাজুলী কমলাবাৰীস্থ মাজুলী জিলা সাংবাদিক সন্থাৰ মুখ্য কাৰ্যালয় দত্ত দেৱ গোস্বামী ভৱনত আজি বুধবাৰে দিনৰ ১১-০০ বজাত এটি অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত জিলা সাংবাদিক সন্থাৰ সকলো বিষয় ববীয়া সদস্যই সভাত উপস্থিত থাকে। শাসকীয় দলৰ ৰাজ্যিক সম্পাদক গৰাকীক জিলা সাংবাদিক সন্থাৰ তৰফৰ পৰা সভাপতি দিবাকৰ শইকীয়াই এখনি ফুলাম গামোছাৰে আদৰনি জনায়। সভাপতি দিবাকৰ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাত ৰাজ্যিক সম্পাদক বিতোপন দলেই দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সু-শাসন, উন্নয়নমুখী যাত্ৰাৰ শলাগ লৈ মাজুলীৰ সা্ব্বাংগীণ উন্নয়নত জিলাৰ সকলো সাংবাদিকক অংশীদাৰী হোৱাৰ আহ্বান জনায় ৰাজ্যিক পৰ্যায়ৰ দায়িত্ব লাভ কৰাৰ পিছত প্ৰথমতে জিলা সাংবাদিক সন্থাৰে অন্তৰংগ আলাপ অনুষ্ঠান নিজে আহৱান কৰিবলৈ পাই আনন্দিত হওঁ। জিলা সাংবাদিক সন্থাৰ হৈ জ্যেষ্ঠ সাংবাদিক তথা জিলা সাংবাদিক সন্থাৰ উপদেষ্টা বিপিন শইকীয়া, বিকাশ শইকীয়া, উপ সভাপতি পদ্মধৰ কলিতা, প্ৰাক্তন সম্পাদক দীপু বৰা, ৰাজীৱ পাতিৰ, সম্পাদক ডিম্বেশ্বৰ দত্ত, সভাপতি দিবাকৰ শইকীয়া আদিয়ে যুৱ সমাজকৰ্ম্মী হিচাবে জিলাখনৰ চুকে—কোনে পৰিচিত জনপ্ৰিয় ভাৰতীয় জনতা পাৰ্টী ৰাজ্যিক সম্পাদক গৰাকীৰ সেৱাক সকলোৱে একেমুখে শলাগ লয় আৰু তেওঁৰ ভৱিষ্যত জীৱনৰ মংগল কামনা কৰি বক্তব্য প্ৰদান কৰে। সাম্প্ৰতিক সময়ত সাংবাদিক সকলে সন্মুখীন হোৱা কেতবোৰ সমস্যাৰ ওপৰত নেতা গৰাকীৰে হোৱা অন্ত ৰংগ মতবিনিময় অন্ততঃ প্ৰতিগৰাকী সাংবাদিকক ক্ৰমানুসৰি চেলেং চাদৰ/গামোছাৰে নেতা গৰাকীয়ে স্ব হস্তে সম্বৰ্ধনা জ্ঞাপন কৰি সাংবাদিক সন্থাৰ সাংবাদিক কল্যাণ নিধিলৈ মুক্তমনে দহ হাজাৰ টকাৰ বৰঙনি আগবঢ়াই। সভাই নেতা গৰাকীৰ এনে মহানতাক আন্তৰিকতাৰে গ্ৰহণ কৰে।

## প্ৰশিক্ষণৰ নামত অনিয়ম; মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী দুৰ্নীতি বিৰোধী যুৱ শক্তিৰ

## দেৰগাঁৱত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানত দুৰ্নীতিৰ এলান্ধু

**অসম বাৰ্তা, দেৰগাঁও, ৪ ছেপ্টেম্বৰ ঃ** এফালে মুখ্যমন্ত্ৰীৰ দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি আৰু আনফালে শূন্য সহনশীল নীতিক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন একাংশ চৰকাৰী কৰ্মচাৰীৰ। অসম চৰকাৰৰ এটা অতি গুৰুত্বপূৰ্ণ বিভাগ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান। এই বিভাগটো যোগেদি গ্ৰামাঞ্চলৰ দক্ষতা ভিত্তিত শিক্ষিত যুৱক-যুৱতীক প্ৰদান কৰা হয় প্ৰশিক্ষণ। প্ৰশিক্ষণৰ সময়ছোৱাত অহা বিভিন্ন ধৰণৰ চৰকাৰী সা-সুবিধা সমূহ যেন এতিয়া আত্মসাৎ কৰাৰ অভিসন্ধি ৰচিছে বিভাগটোৰ দুনীতিগ্ৰস্থ বিষয়াই। শেহতীয়াকৈ এই বিভাগটোৰ কাৰ্যালয়ত দুৰ্নীতিৰ হোৱাৰ অভিযোগ উত্থাপিত কৰিছে দুৰ্নীতি বিৰোধী যুৱ শক্তি অসম নামৰ সংগঠনটোৱে। অভিযোগ অনুসৰি গোলাঘাট জিলা কাৰ্যালয়ৰ অন্তৰ্গত আটাইকেইটা উন্নয়ন খণ্ডৰ অধীনৰ কাৰ্যালয়ত ২০২১- ২০২৫ চনলৈ ৰূপান্তৰিত বিভিন্ন আঁচনিৰ তথা কাৰ্যালয় সমূহলৈ আৱণ্টিত ধনৰ খতিয়ান, খা-খৰচৰ খতিয়ান, কাৰ্যালয় পৰিচালনা আৰু যান-বাহনৰ বাবদ লাভ কৰা ধন সকলো স্তৰৰ দক্ষতা বৃদ্ধি প্ৰশিক্ষণৰ তথ্য সা-সামগ্ৰী প্ৰদান তথ্য ইত্যাদি ক্ষেত্ৰত সংগঠনটোৱে 'তথ্য জনাৰ অধিকাৰ আইন ২০০৫'ৰ তথ্য বিচাৰি আবেদন কৰাত কেৱলমাত্ৰ ২০২১ চনৰ যোগান ধৰি দায়িত্ব সামৰিলে বিভাগটোৱে। ২০২২ চনৰ পৰা তথ্য নাই গোলাঘাট জিলাৰ ৮টা উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ কাৰ্যালয় সমূহত। সেই অনুসৰি দেৰগাঁও কাকডোঙা উন্নয়ন খণ্ডটো সংঘটিত হৈছে দক্ষতা ভিত্তিত প্ৰশিক্ষণ প্ৰদান কৰা নামত দুৰ্নীতি। যাৰ পৰিপ্ৰেক্ষিতত জিলা ডিপিএম বিষয়া আৰু বিপিএম গৰাকীৰ জৰিয়তে দক্ষতা ভিত্তিত প্ৰশিক্ষণৰ নামত অনিয়ম হোৱাৰ অভিযোগ উত্থাপিত কৰি দুৰ্নীতি বিৰোধী যুৱ শক্তি অসম'ৰ কেন্দ্ৰীয় সভাপতি গোলোক দাসে গ্ৰাম্য জীৱিকা বৃদ্ধিৰ বাবে লোৱা আঁচনিত শেনচকু পৰা সেই সকল বিষয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থাৰ গ্ৰহণৰ দাবী উত্থাপন কৰি মুখ্যমন্ত্ৰীৰ হস্তক্ষেপৰ দাবী কৰিছে।

## অভীৰুচি ক্ৰীড়া দিৱস উপলক্ষে দেওমৰনৈত খেলুৱৈক সম্বৰ্ধনা

**অসম বাৰ্তা, দেওমৰনৈ, ৪ ছেপ্টেম্বৰ ঃ** প্ৰসিদ্ধ ক্ৰীড়াবিদ অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ ওপজা দিন উপলক্ষে দৰঙৰ দেওমৰনৈত বুধবাৰে ৰাজ্যৰ ক্ৰীড়া জগতলৈ বৰুৱাদেৱে আগবঢ়োৱা উৎকৃষ্ট অৱদানৰ স্বীকৃতিস্বৰূপে এই বিশেষ দিনটো উদ্‌যাপন কৰে অভীৰুচি ক্ৰীড়া দিৱস হিচাপে। মৰনৈ ক্লাবৰ উদ্যোগত অনুষ্ঠিত ক্ৰীড়া দিৱসত প্ৰাক্তন ফুটবল খেলুৱৈ অমিয় কুমাৰ শৰ্মা, মাণিক শৰ্মা আৰু চবক্তৰ আলীক সম্বৰ্ধনা জনোৱা হয়। লগতে এক দহদিনীয়া ফুটবল প্ৰশিক্ষণ শিবিৰো আৰম্ভ কৰা হয়। তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক তথা প্ৰবীণ খেলুৱৈ ডাঃ ৰমেশ চন্দ্ৰ গোস্বামীয়ে প্ৰশিক্ষণ শিবিৰ মুকলি কৰে।

- মহকিনা গাঁৱৰ ত্ৰিনয়ন শিৱ মন্দিৰৰ নামত দুষ্টচক্ৰই উপহাৰ কুপন খেল অনুষ্ঠিত কৰি ধন সংগ্ৰহৰ অভিযোগ
- দুষ্ট চক্ৰটোৰ জালত ভৰি নিদিবলৈ মহকিনা গাঁওবাসীৰ আহ্বান

## উপহাৰ কুপন খেলৰ নামত ৰাজ্যত দুষ্টচক্ৰই পেলাইছে ভয়ংকৰ প্ৰৱঞ্চনাৰ জাল

**অসম বাৰ্তা, উজনী মাজুলী, ৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যত উপহাৰ কুপন খেলৰ নামত যে একাংশই ৰাইজৰ পৰা ধন সংগ্ৰহ কৰি একপ্ৰকাৰে লুণ্ঠন চলাই আহিছে সেয়া বিভিন্ন সময়ত প্ৰমাণিত হৈ অহাৰ সমান্তৰালভাৱে এইবাৰ মাজুলীৰ গড়মূৰ আৰক্ষী থানাৰ অন্তৰ্গত মহকিনা গাঁৱত অৱস্থিত ত্ৰিনয়ন মন্দিৰৰ নামত এটা দুষ্ট চক্ৰই উপহাৰ কুপনৰ খেল অনুষ্ঠিত কৰাৰ খবৰে গাঁওখনৰ লগতে মন্দিৰ কৰ্তৃপক্ষক হতচকিত কৰিছে। ৰাজেশ এণ্টাৰপ্ৰাইজ নামৰ এটা একাউণ্টত উক্ত উপহাৰ কুপনৰ ধন সংগ্ৰহ কৰি অহা দুষ্ট চক্ৰটোৱে উপহাৰ কুপন খেলৰ নামত জাল তৈয়াৰ কৰাৰ সন্দৰ্ভত আজিহে গাঁওবাসী অৱগত হয়। ইতিমধ্যে অনলাইন যোগেও খেলখনৰ টিকট বিক্ৰী কৰি অহাৰ লগতে মাজুলী মহকিনাৰ গাৱঁত উপহাৰ কুপন খেল অনুষ্ঠিত হ'ব বুলি বুলি ভিদিঅ প্ৰস্তুত কৰি সামাজিক মাধ্যমত প্ৰচাৰ চলোৱাৰ পিছতেই দুষ্টচক্ৰটোৱে কৰা সমগ্ৰ কাণ্ড পোহৰলৈ অহাৰ পিছত মন্দিৰ কৰ্তৃপক্ষ আৰু গাঁওবাসীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ত্ৰিনয়ন মন্দিৰ পৰিচালনা সমিতি আৰু মহকিনা গাঁও উন্নয়ন সমিতিয়ে বিষয়টোৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ যোগেদি স্পষ্ট কৰি জনাইছে প্ৰকৃততে মাজুলীৰ মহিকানাৰ গাৱঁৰ ত্ৰিনয়ন শিৱ মন্দিৰে কোনো খেলেই খেলোৱা নাই। এয়া কোনো দুষ্টচক্ৰৰ প্ৰৱঞ্চনা। মাজুলীৰ বাহিৰৰ কোনো দুষ্ট চক্ৰৰ ধন ঘটা কৌশল বুলিহে তেওঁলোকে জানিবলৈ দি দুষ্ট চক্ৰৰ এনেধৰণৰ জালত ভৰি নিদিবলৈ ৰাইজক আহ্বান জনোৱাৰ লগতে উক্ত খেলৰ কোনো টিকট ক্ৰয় নকৰিবলৈ আহ্বান জনোৱাৰ লগতে মহকিনা গাৱঁৰ ৰাইজে উক্ত ভুৱা খেলেৰে প্ৰৱঞ্চনাৰ জাল পেলোৱা দুষ্ট চক্ৰটোক উৎখাত কৰিবলৈ মাজুলী প্ৰশাসনক আহ্বান জনাইছে।

## সম্পাদকীয়

# আজিৰ শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয় আলোচনা

আজিৰ যান্ত্ৰিক যুগত শিক্ষা ব্যৱস্থাত এক গভীৰ সংকটে দেখা দিছে। পাঠ্যক্ৰমৰ জ্ঞান প্ৰদান কৰা আৰু পৰীক্ষাত ভাল নম্বৰ দিয়াটোৱেই যেন শিক্ষকৰ একমাত্ৰ কৰ্তব্য হৈ পৰিছে। কিন্তু প্ৰাচীন ভাৰতীয় দৰ্শনত 'শিক্ষক' আৰু 'গুৰু'ৰ মাজত এক সূক্ষ্ম তথা গুৰুত্বপূৰ্ণ পাৰ্থক্য আছিল। এই পাৰ্থক্যবোধ হেৰুৱাই পেলোৱাটোৱেই বৰ্তমান ছাত্ৰ-শিক্ষক সম্পৰ্কৰ অৱনতিৰ এক মুখ্য কাৰণ। এজন শিক্ষক হ'ল বিষয়ভিত্তিক জ্ঞানৰ বাহক। তেওঁ পাঠ্যক্ৰমৰ সীমিত পৰিসৰত জ্ঞানৰ সঞ্চাৰ কৰে। আনহাতে, গুৰু এজনৰ ধাৰণা ইয়াৰো বহু ওপৰত। গুৰু হ'ল এনে এক আধ্যাত্মিক পথপ্ৰদৰ্শক, যিজনে জীৱনৰ মূল্যবোধ, চৰিত্ৰ গঠন, নৈতিক শিক্ষাই নহয়, জীৱনক সফলভাৱে যাপনৰ কলা-কৌশলও শিকায়। গুৰুৱে শিষ্যৰ অন্তৰ্নিহিত শক্তি আৰু সম্ভাৱনাৰ উন্মেষ ঘটায়। তেওঁৰ লক্ষ্য কেৱল এটা ডিগ্ৰী দিয়াটো নহয়, এজন সম্পূৰ্ণ ব্যক্তি গঢ়ি তোলাটো। দুৰ্ভাগ্যজনকভাৱে, আজিৰ বাণিজ্যিকীকৃত শিক্ষা ব্যৱস্থাই শিক্ষকক এক সেৱাদাতা আৰু ছাত্ৰক গ্ৰাহক হিচাপে পৰিচয় দিছে। শিক্ষা হৈ পৰিছে এটা লাভৰ ব্যৱসায়। ফলত, ছাত্ৰ-শিক্ষকৰ সম্পৰ্কটোৱেও গ্ৰাহক-দোকানীৰ সম্পৰ্কৰ ৰূপ লৈছে। ছাত্ৰসকলেও জ্ঞান আহৰণৰ পৰিৱৰ্তে ডিগ্ৰী আৰু চাকৰিৰ লাভৰ পিছতহে ধাৱমান। ইয়াৰ ফলত মানৱীয় সম্পৰ্ক, শ্ৰদ্ধা-ভক্তি আৰু আন্তৰিকতাবোৰ হ্ৰাস পাইছে। সাধাৰণ মানুহৰ মনত বহু সময়ত ভিন্ন প্ৰশ্নৰ উত্থাপন হৈছে — "শিক্ষা এটা ব্যৱসায় হৈ পৰিল নেকি?", "শিক্ষকসকল কেৱল টকাৰ পিছতহে ঘূৰে নেকি?", "আমাৰ সন্তানক নৈতিক শিক্ষা কোনে দিব?" ইয়াৰ পৰা ওলাই অহাটো অতি প্ৰয়োজন। শিক্ষকসকলক কেৱল পাঠ্যক্ৰমৰ সীমিত দায়িত্বৰ পৰা আতঁৰুৱাই 'গুৰু'ৰ মৰ্যাদালৈ উন্নীত কৰিব লাগিব। শিক্ষানুষ্ঠানসমূহক ব্যৱসায়িক মনোবৃত্তি ত্যাগ কৰি জ্ঞান আৰু মূল্যবোধৰ নীলকুঁৱৰ হিচাপে গঢ়ি তুলিব লাগিব। ছাত্ৰ-অভিভাৱকসকলেও হেয় দৃষ্টিৰে চোৱাৰ সলনি শিক্ষকক সন্মান আৰু সহযোগিতা আগবঢ়াব লাগিব। শিক্ষক এজন হ'ল জাতিৰ স্থপতি। তেওঁলোকৰ হাততেই ভৱিষ্যৎ প্ৰজন্মৰ চৰিত্ৰ গঠন হয়। সেয়েহে, 'শিক্ষক' আৰু 'গুৰু'ৰ মাজৰ এই পাৰ্থক্যবোধ সমাজৰ মনত জাগ্ৰত কৰাটো সময়ৰ অপ্ৰিয় আৱশ্যক। জ্ঞান আৰু জীৱনদৰ্শনৰ মিলনতেহে সৃষ্টি হ'ব এক উজ্জ্বল ভৱিষ্যতৰ।

**ভাৰতৰ প্ৰাচীন ৰাজতন্ত্ৰত ৰজাই যে ৰাজগুৰু বা গুৰুকুলক অপৰ্য্যপ্ত দান- দক্ষিণা, ভূমি-সম্পত্তি দান কৰিছিল, সেয়া যথাৰ্থতে উচিত আছিল। কাৰণ কোনে দেশৰ উন্নতিৰ বাবে কিমান অৰিহণা যোগাইছে, সেই অনুপাতে তেওঁৰ আৰ্থিক ভেটি টনকিয়াল হোৱা উচিত। নহ'লে এজন শিক্ষকে একানপতীয়াকৈ উৎকৃষ্ট মানৱসম্পদ সৃষ্টি কৰিব নোৱাৰে। দৰাচলতে এজন শিক্ষকৰ দৰমহা এজন মন্ত্ৰী বা বৈজ্ঞানিকতকৈ বেছি হোৱা উচিত। এয়া নক'লেও হ'ব যে শিক্ষকজন প্ৰকৃত পক্ষে শিক্ষকৰ সকলো গুণেৰে বিভূষিত হোৱাও উচিত।**

# সমাজ গঠনত শিক্ষকৰ অমৰ অৱদান

### ড° আৰ কে বেজবৰুৱা

শিক্ষকসকলে সমাজলৈ আগবঢ়োৱা বদান্যৰ বাবে শিক্ষক দিৱস (Teachers' Day) পালন কৰা হয় তেখেত সকলৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ বাবে। বহু সময়ত সমাজলৈ দি থকা অৱদানৰ বাবে সন্মানৰ লগতে শিক্ষকক পুৰস্কৃতও কৰা হয়। এই খিনিতে উল্লেখ কৰা উচিত হ'ব যে শিক্ষকৰ লগতে 'শিক্ষক' শব্দটোৰে শিক্ষয়িত্ৰী সকলকো সামৰি লোৱা হৈছে। শিক্ষক দিৱসৰ ধাৰণা গঢ় লৈ উঠে বিংশ শতিকাত। পৃথিৱীৰ নানা দেশত শিক্ষক দিৱস পালন কৰা হয়। আচলতে 'পালন' কৰাৰ পৰিৱৰ্তে শিক্ষক দিৱস 'উদযাপন কৰা' বুলি ক'লেহে শুদ্ধ হ'ব যেন লাগে।

আমি স্কুল-কলেজত পঢ়ি থাকোঁতে ৰাতিপুৱা স্কুললৈ আহি দেখিছিলোঁ, আমাৰ চাৰসকলে 'শিক্ষক দিৱস' বুলি লিখা টিকট একোটা চোলাৰ বুকুত আলপিনেৰে মাৰি লোৱা। তেনেকুৱা টিকট একোটা আমাকো দিছিল। কোনোবাটোৰ দাম পঁচিশ পইচা, কোনোবাটোৰ দাম পঞ্চাশ পইচা। আমিয়ো ঠিক তেনেকৈয়ে টিকটটো চোলাৰ বুকুত লগাই লৈছিলোঁ। ঘৰৰ পৰা পৰিয়ালেও সিদিনা সকলোৰে হাতত পইচা দি পঠাইছিল। এই টিকটবোৰ পিন্ধি লৈ এক অনামী গৌৰৱত মনটো উঠলি উঠিছিল সেই বিশেষ দিনটোত। শুনিবলৈ পাইছিলোঁ, এই টিকট বিক্ৰী কৰা পইচাখিনি শিক্ষকসকলৰ ফাণ্ডত জমা হয়। শিক্ষকৰ কোনো জটিল ৰোগ হ'লে এই ফাণ্ডেৰে দুখীয়া শিক্ষকক কিছুপ্ৰকাৰে সহায় কৰা হয়। কথাটো শুনি মনটো গভীৰ দুখানুভূতিৰে গধুৰ হৈছিল।

পৃথিৱীত পোন প্ৰথমবাৰৰ বাবে শিক্ষক দিৱস উদযাপনৰ আয়োজন কৰিছিল আৰ্জেণ্টিনাত, ড'মিংগ' ফ'ষ্টিন' চাৰ্মিয়েণ্ট'ৰ মৃত্যুৰ দিন ১১ ছেপ্টেম্বৰ ১১৯১৫ চনত। তাৰ পিছৰে পৰা অন্যান্য দেশবোৰতো শিক্ষক দিৱস উদযাপন কৰি অহা হৈছে। এই দিৱস ১৯৬২ চনৰ ৫ ছেপ্তেম্বৰৰ পৰা ভাৰতে উদ্‌যাপন কৰি আহিছে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটোত। পৃথিৱীৰ প্ৰতিখন ৰাষ্ট্ৰৰ শিক্ষক দিৱসৰ তাৰিখ ভিন্ন। পৃথিৱীৰ ১৯খন ৰাষ্ট্ৰ, ক্ৰমে আৰ্জেণ্টিনা, বুলগেৰিয়া, জাৰ্মেনী, লিথুৱানিয়া, কানাডা, ইষ্টোনিয়া, মালডোভা, মেচিডনীয়া, মালদ্বীপ মৰিচচাচ, নেডাৰলেণ্ড, কুৱেইট, কাটাৰ, ফিলিপাইনছ, ৰাছিয়া, ৰোমানিয়া, পাকিস্তান, বৃটেইন আদি ১৯খন দেশে অক্টোবৰৰ ৫ তাৰিখত শিক্ষক দিৱস উদ্‌যাপন কৰে। মৰক্কো, আলজেৰিয়া, চিউনেচিয়া, ইজিপ্ত, লিবিয়া, জৰ্ডান, য়েমেন, চৌদি আৰব, বাহৰেইণ, ইউনাইটেড আৰৱ এমেৰিটাচ আৰু ওমান আদি ১১খন দেশে ২৮ ফেব্ৰুৱাৰীত শিক্ষক দিৱস পাতে।

ইউনেস্ক'ৰ নিৰ্দেশ মৰ্মে 'বিশ্ব শিক্ষক দিৱস' ৫ অ'ক্টোবৰত উদযাপন কৰা হয়। শিক্ষকসকল আচলতে ইঞ্জিনিয়াৰ। তেখেতসকলে জীৱনৰ আটাইতকৈ মূল্যৱান সময়খিনি নিয়োজিত কৰে দেশৰ নাগৰিক গঢ়াৰ বাবে। তেখেতসকলৰ গঢ়শালত সৃষ্টি হয় বৈজ্ঞানিক, দেশ প্ৰেমিক, দূৰদৰ্শী ৰাজনীতিক, শিল্পী- সাহিত্যিক সকলোকে লৈ সমগ্ৰ দেশৰ নতুন নতুন নাগৰিক। কাৰখানা এটাৰ আৰৰ্জনাও থাকে, বাই প্ৰডাক্টো থাকে। শিক্ষকৰ গঢ়শালত অৱধাৰিত ভাৱেই আৰৰ্জনাৰো সৃষ্টি নোহোৱাকৈ নাথাকে। শিক্ষকৰ গঢ়শাল পাৰহৈ শাসনত উপবিষ্ট হোৱা এইসকল লোকে সদায়ে যে তেওঁক পঢ়োৱা শিক্ষকৰ কথা বা দেশৰ কথা চিন্তা কৰে কাৰ্যতঃ সেয়া দেখা নাযায়। তেনেকুৱা নাগৰিকক শিক্ষকৰ গঢ়শালৰ আৰৰ্জনা বা বাই প্ৰডাক্ট বুলি ক'লে হয়তো ভুল নহয়।

ভাৰতৰ প্ৰাচীন ৰাজতন্ত্ৰত ৰজাই যে ৰাজগুৰু বা গুৰুকুলক অপৰ্য্যপ্ত দান- দক্ষিণা, ভূমি-সম্পত্তি দান কৰিছিল, সেয়া যথাৰ্থতে উচিত আছিল। কাৰণ কোনে দেশৰ উন্নতিৰ বাবে কিমান অৰিহণা যোগাইছে, সেই অনুপাতে তেওঁৰ আৰ্থিক ভেটি টনকিয়াল হোৱা উচিত। নহ'লে এজন শিক্ষকে একানপতীয়াকৈ উৎকৃষ্ট মানৱসম্পদ সৃষ্টি কৰিব নোৱাৰে। দৰাচলতে এজন শিক্ষকৰ দৰমহা এজন মন্ত্ৰী বা বৈজ্ঞানিকতকৈ বেছি হোৱা উচিত। এয়া নক'লেও হ'ব যে শিক্ষকজন প্ৰকৃত পক্ষে শিক্ষকৰ সকলো গুণেৰে বিভূষিত হোৱাও উচিত।



শিক্ষক দিৱসৰ দিনটোত আমি শিক্ষকসকলক সন্মান যাচিছিলোঁ আৰু তেখেতসকলৰ পৰা আশীৰ্বাদ লৈছিলোঁ। স্কুলত সিদিনা পঢ়োৱা নাছিল, কেৱল শিক্ষক দিৱসৰ তাৎপৰ্য, আৰু ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ বিষয়ে আলোচনা কৰা হৈছিল। তেখেতৰ জীৱন সম্পৰ্কে, তেখেতৰ দৰ্শন আৰু অধ্যাৱসায় সম্পৰ্কে বিভিন্ন চাৰে বিভিন্ন কথা কৈছিল। তেনেকুৱা আন এগৰাকী মহান শিক্ষক আছিল, অসমৰ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়া। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমজন উপাচাৰ্য্য। বাণীকান্ত কাকতি, ভবেন্দ্ৰ নাথ শইকীয়া আদিয়ো মহান শিক্ষক আছিল। তেনেকুৱা শিক্ষক আজি-কালি বিৰল। সকলো থাকিয়ো তেখেতসকলে কোনোদিনেই ৰাজনীতিৰ মোহত পৰা নাছিল। আমি এই সময়তো তেনেকুৱা শিক্ষক কিছুমান গঢ়ি তুলিব পৰাহেঁতেন হয়তো দেশৰ স্বৰূপ অন্য হ'লহেঁতেন।

শিক্ষক দিৱসৰ দিনা হোৱা কিছুমান নতুন কথা লক্ষ্য কৰি আহিছোঁ আৰু পুৰণি কথা মনলৈ আহিছে। তাকেই সীমাবদ্ধ কৰাৰ প্ৰয়াস কৰিছোঁ এই অৱতাৰণিকাত।

৫ ছেপ্তেম্বৰৰ দিনটোতহে শিক্ষকসকল আমাৰ স্মৃতিৰ পটত উদ্ভাষিত হয় নেকি। বছৰৰ বাকী ৩৬৪ দিনত শিক্ষকৰ প্ৰতি কাৰো চিন্তা কৰাৰ যেন আহৰি নাই!

সুদীৰ্ঘ জীৱন এই মানুহ তৈয়াৰ কৰা শিক্ষকসকলে গঢ়-শালৰ তাপত দহি জীৱনৰ শেষ সময়ত যেতিয়া গ্ৰেচুইটি - পেঞ্চনৰ বাবে অফিচৰ বাৰাণ্ডাত থিয় হৈ থকাৰ পৰম্পৰাএটাৰ সৃষ্টি কৰিছিল, তেখেতসকলৰ কিছুমান মহান ছাত্ৰই। ফাইলটো ঘূৰিবলৈ নিজৰ ছাত্ৰৰ দৰে কেৰাণী-বিষয়াক কেইটামান টকা ধৰাই দিব লাগে, তেতিয়া হয়তো শিক্ষকৰ শিক্ষক হোৱাৰ মহত্ত্বৰ ওপৰতে ধিক্কাৰ ওপজে।

আগৰ দিনৰ শিক্ষকৰ দৰ্মহা কম আছিল। কিন্তু সমাজত তেওঁলোকৰ সন্মান আছিল বেছি। স্কুল এখন নতুনকৈ পাতিবলৈ গাৱঁৰ মানুহে প্ৰথম অৱস্থাত গাঁৱৰ শিক্ষিত ডেকাক দায়িত্ব দিয়ে। তেওঁৱেঁকে স্কুল খুলি পঢ়োৱাৰ দায়িত্ব পালন কৰে। এদিন তেওঁলোকৰ স্কুলত সময় শেষ হ'য়। এখন শ্ৰীমদ্ভাগৱত গীতা, এটা মহেন্দ্ৰ দত্তৰ ছাতি আৰু হাতত এডাল লাঠী লৈ শিক্ষক ঘৰমূৰা হয়। সেইজন শিক্ষক যেতিয়া পেঞ্চনৰ বাবে কাহিলিপাৰাৰ 'আই এছ' অফিচত ঠিয় হৈ থাকে, কোনো কৰ্মচাৰী বা বিষয়াই শিক্ষক জনক বহিবলৈ চকী বা বেঞ্চ এখনো আগবঢ়াই নিদিয়ে।

এসময়ত গুৰুজী, মহোদয়, মহাশয় বুলি সম্বোধন কৰা শিক্ষক বৰ্তমান 'ছাৰ' হ'ল। শিক্ষিত ব্যক্তিৰ সংখ্যা বৃদ্ধি হ'ল। কিন্তু শিক্ষকৰ প্ৰতি শ্ৰদ্ধা-ভক্তি কমি আহিল। সন্মান প্ৰায় নাইকিয়া হ'ল। আজিৰ যুগ পণ্য আৰু বাণিজ্যৰ যুগ। শিক্ষাৰো বাণিজ্য কৰণ কৰা হ'ল। তাৰ লগে লগে শিক্ষকো বাণিজ্যৰ সামগ্ৰী হৈ পৰিল। হাজাৰ টকাৰ পৰা লাখ লাখ টকাত এতিয়া শিক্ষক কিনা হয়। লাখ- কোটি টকাৰে ডাক্তৰ-ইঞ্জিনিয়াৰ গঢ়ি তোলা হয়। এই ব্যৱস্থাত শিক্ষক দিৱসৰ প্ৰাসংগিকতা যেন অৰ্থহীন হৈছে।

আজি কালি শিক্ষক দিৱসৰ ৰূপ সলনি হৈছে। ছাত্ৰ-ছাত্ৰীয়ে কেক কাটি শিক্ষকক আশীৰ্বাদ দিয়া হ'ল। শিক্ষক দিৱসত গিফ্‌ট দিয়া হ'ল। নাচ-গানৰ পাৰ্টিৰ আয়োজন কৰা হ'ল। এই পৰম্পৰা ক'ৰ পৰা কেনেকৈ আহিল গমেই নাপালোঁ।

পিছে শিক্ষকৰ সন্মান হানিৰ বাবে কিছুমান শিক্ষকো কম জগৰীয়া নহয়। উত্তেজক দ্ৰব্য সেৱন কৰি বাটে-ঘাটে অভদ্ৰ আচৰণ কৰি কিছুমান শিক্ষকে নিজৰ অৱস্থিতি তললৈ অৱনমিত কৰাও দেখা যায়। নিষিদ্ধ কৰ্মৰ দ্বাৰা সমাজ কলুষিত কৰা শিক্ষৰ সংখ্যাও কম নহয়। যাৰ শিক্ষা বৃত্তিটোৰ প্ৰতি শ্ৰদ্ধা নাই তেওঁৰ শিক্ষক হোৱাৰ যোগ্যতা নাথাকে।

আজিৰ শিক্ষা ব্যৱস্থাই কিন্তু এচাম নতুন শিক্ষাবিদৰো সৃষ্টি কৰিছে। তেওঁলোকে একোটা অনুষ্ঠান, একোখন বিশ্ববিদ্যালয় ধ্বংসৰ মুখলৈ লৈ যাব পাৰে। তেনে শিক্ষাবিদৰ নাম প্ৰায়েই প্ৰচাৰ মাধ্যমত পোৱা যায়। কিন্তু আমি আশাবাদী। শিক্ষাৰ অনুশীলন চলি থাকিব, তাৰ লগতে প্ৰকৃত শিক্ষকৰ সৃষ্টি হৈয়েই থাকিব।

সৰ্বশেষত, ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে মোৰ নিজৰ শিক্ষাগুৰু আৰু সমগ্ৰ শিক্ষক কুললৈ সেৱা জনাইছোঁ। কামনা কৰিছোঁ - আমাৰ শিক্ষকসকলে একোজন মহান শিক্ষক হিচাপে নিজকে গঢ়ি তুলিব।

# শিক্ষক হিচাপে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ আৰু মোৰ অনুভৱ

### ব্ৰজেন দাস

ভাৰতৰ গৌৰৱমণি বিখ্যাত শিক্ষাবিদ, দাৰ্শনিক ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম হৈছিল ১৮৮৮ চনৰ ৫ চেপ্তেম্বৰ তাৰিখে তামিলনাডুৰ মাদ্ৰাজ চহৰৰ কাষতে থকা তিৰুতানি নামৰ গাঁও এখনত। সৰ্বপল্লী ৰাধাকৃষ্ণণ ৰাষ্ট্ৰপতি হিচাপে যিমান বিখ্যাত তাতকৈ বেছি শিক্ষক হিচাপেহে প্ৰখ্যাত। এটি মধ্যবিত্ত ব্ৰাহ্মণ পৰিয়ালৰ সন্তান হোৱাৰ বাবে পঢ়া-শুনাত বিশেষ অসুবিধা পোৱা নাছিল। খুব চোকা আৰু অনুসন্ধিৎসু প্ৰিয় ছাত্ৰ হিচাপে কিতাপেই জীৱনৰ একমাত্ৰ সংগী হৈ পৰিছিল। এখন খ্ৰিষ্টান মিছনেৰী স্কুলৰ পৰাই সু-খ্যাতিৰে এণ্ট্ৰেন্স উত্তীৰ্ণ হোৱাৰ পিছত মাদ্ৰাজৰে অন্য এখন মিছনেৰী কলেজত নামভৰ্তি কৰি ১৯০৭ চনত স্নাতক ডিগ্ৰী লাভ কৰিছিল। স্নাতক চূড়ান্ত পৰীক্ষাত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ স্থান দখল কৰিবলৈ সক্ষম হৈছিল। দৰ্শন বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত তেখেতে মাদ্ৰাজৰে বিখ্যাত উচ্চ মান বিশিষ্ট মহাবিদ্যালয় 'প্ৰেছিডেন্সী কলেজ'ত দৰ্শন শাস্ত্ৰৰে অধ্যাপক হিচাপে নিযুক্তি লাভ কৰে। এজন পাকৈত ইংৰাজী তাৰ্কিক আৰু পাণ্ডিত্যই ড° সৰ্বপল্লী ৰাধাকৃষ্ণণক বিশ্ববিখ্যাত কৰি তুলিছিল। এই গুণৰাজিয়ে ৰাধাকৃষ্ণণৰ ব্যক্তিত্ব সোণত সুৱগা চৰোৱাৰ দৰে হৈ পৰিছিল। কথিত আছে যে শ্ৰেণীত অধ্যাপক হিচাপে ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰোঁতে তেখেতৰ মুখৰ ইংৰাজী বক্তৃতাৰ শুৱলা উচ্চাৰণ শুনাৰ লগতে জ্ঞান পাবলৈ আন আন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাৰ বাৰাণ্ডাত মনে মনে থিতাপি লৈছিল আৰু আলোচনাৰ বিষয় অনুধাৱন কৰিবলৈ চেষ্টা কৰিছিল। সেইসময়ত মাদ্ৰাজ চহৰত এগৰাকী কৃতী শিক্ষক হিচাপে জনপ্ৰিয় ড° ৰাধাকৃষ্ণণে "মহীশূৰ বিশ্ববিদ্যালয়"তো অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিল। ইয়াৰ পিছত কলিকতা বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ আমন্ত্ৰণ ক্ৰমে দৰ্শন বিষয়ৰ অধ্যাপক হিচাপে বহু বছৰ ধৰি কাৰ্যনিৰ্বাহ অতিবাহিত কৰিছিল। সেইসময়ত তেখেতে লিখা দৰ্শন তত্ত্ব সমৃদ্ধ বহু সংখ্যক প্ৰবন্ধ ইউৰোপ আৰু আমেৰিকাৰ বিভিন্ন কাকত আলোচনীৰ যোগেদি প্ৰকাশিত আৰু প্ৰসাৰিত হয়। হিন্দু ধৰ্ম আৰু হিন্দু দৰ্শনৰ ওপৰত লিখা প্ৰবন্ধবোৰে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ খ্যাতি আমেৰিকা আৰু ইউৰোপত দুগুণে বৃদ্ধি কৰে। উল্লেখযোগ্য যে কলেজীয়া জীৱনত ৰাধাকৃষ্ণণে মানৱতাবোধৰ স্ৰষ্টা স্বামী বিবেকানন্দৰ সান্নিধ্য লাভ কৰিছিল। সেইসময়ত বাতৰি কাকত, আলোচনী আদিত প্ৰকাশিত স্বামী বিবেকানন্দৰ হিন্দু ধৰ্মৰ বিভিন্ন চিন্তাধাৰাৰ লিখনিয়ে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণক আপ্লুত কৰিছিল। একপ্ৰকাৰ স্বামী বিবেকানন্দৰ দৰ্শন বিষয়ত থকা অগাধ পাণ্ডিত্যই ৰাধাকৃষ্ণণক মোহিত কৰিছিল। আৰু সেয়ে ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণে ভাৰতীয় হিন্দু ধৰ্মৰ প্ৰাচীন গ্ৰন্থৰাজি বেদ, উপনিষদ, পুৰাণ, দৰ্শন আদি শাস্ত্ৰ-ভাগৱতসমূহ গভীৰ ভাৱে অধ্যয়ন কৰি অমৃত মন্থন কৰিছিল আৰু সেই অমৃত জগতত বিলাই দিয়াৰ চেষ্টা অব্যাহত ৰাখিছিল।

স্বামী বিবেকানন্দৰ উপৰিও ৰাধাকৃষ্ণণৰ অন্যতম আদৰ্শ লেখক আছিল কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ। ৰবীন্দ্ৰনাথ ঠাকুৰৰ লিখনিৰ মাজতো বিচাৰি পাইছিল তেখেতৰ চিন্তাধাৰাৰ অমূল্য সম্ভাৰ। সেয়ে হয়তো ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছিল বিশ্বৰ অন্যতম এখন অমূল্য গ্ৰন্থ "ৰবীন্দ্ৰ নাথৰ দৰ্শন"। কৃতী শিক্ষক আৰু দাৰ্শনিক হিচাপে খ্যাত ড° ৰাধাকৃষ্ণণে পৰৱৰ্তী সময়ত বিলাতৰ মানচেষ্টাৰ আৰু ইংলেণ্ডৰ অ'ক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ দৰ্শনৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰে। আৰু সমসাময়িকভাৱে বেনাৰস হিন্দু বিশ্ববিদ্যালয় আৰু বেনাৰস অন্ধ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদত অধিষ্ঠিত হ'বলৈ সক্ষম হয়। প্ৰণিধানযোগ্য যে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ এজন কৃতী শিক্ষক হিচাপে ৰাষ্ট্ৰপতি হোৱাৰ আগতেই খ্যাতি লাভ কৰিছিল। পৃথিৱীত আজিলৈকে যিসকল বিখ্যাত দাৰ্শনিকৰ জন্ম হৈছে সেইসকলৰ ভিতৰত সৰ্বপল্লী ৰাধাকৃষ্ণণ অন্যতম। তেখেত আছিল একাধাৰে সু-বক্তা, সু-লেখক, সু-প্ৰশাসক আৰু এজন শ্ৰেষ্ঠ দাৰ্শনিক। এনে এজন ব্যক্তিৰ নাছিল কোনো অভিমান, নাছিল কোনো লালসা অথবা বিলাস। সচৰাচৰ পিন্ধা এখন মিহি ধুতি, এটা লম্বা কোট, মূৰত পাগুৰি আৰু মাথোঁ এযোৰ ভাৰতীয় সাধাৰণ পোছাক পৰিধান কৰিয়েই বিশ্বৰ প্ৰায়বোৰ দেশতেই বক্তৃতা দিবলৈ গৈছিল। অ'ক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ ইংৰাজী পণ্ডিত সকলৰ সন্মুখত প্ৰায়ে এনে শুৱলা আৰু উচ্চ খাপৰ ভাষণ আগবঢ়াইছিল যে ইংৰাজসকলে ইয়াৰ আগতে কোনো ভাৰতীয়ৰ মুখত তেনেকুৱা শুৱলা আৰু মধুৰ ভাষণ শুনা নাছিল বুলি মন্তব্য কৰিছিল। শিক্ষকতাৰ জীৱনতেই আমেৰিকাৰ চিকাগো বিশ্ববিদ্যালয়ত ভাষণ প্ৰদান কৰি ৰাধাকৃষ্ণণে ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। অ'ক্সফ'ৰ্ডৰ মানচেষ্টাৰ কলেজৰ অধ্যাপক হৈ থাকোঁতে বছৰেকীয়া ব্ৰিটিছ একাডেমীৰ অধিবেশনত "গৌতম বুদ্ধ"ৰ ওপৰতো এলানি স্মৰণীয় বক্তৃতা প্ৰদান কৰি পণ্ডিত-মণ্ডলীৰ সন্মুখত সন্মানৰ পাত্ৰ হৈ পৰিছিল। তেখেতৰ সুমধুৰ বক্তৃতা সন্নিবিষ্ট অমূল্য গ্ৰন্থ "ইষ্টাৰ্ণ বিলিয়ান এণ্ড ওৱেষ্টাৰ্ণ মটো" গ্ৰন্থৰ বাবে অ'ক্সফ'ৰ্ড বিশ্ববিদ্যালয়ে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণক "ফেলশ্বিপ অৱ ব্ৰিটিছ একাডেমী" বঁটা প্ৰদান কৰিছিল। মেধাবী পুৰুষ আজীৱন শিক্ষাৰ লগত জড়িত এই পণ্ডিত গৰাকীক দেশ-বিদেশৰ কেইবাখনো বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা সন্মানজনক উপাধি "ডি লীট" প্ৰদান কৰিছিল। ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ অসাধাৰণ ব্যক্তিত্ব আৰু কীৰ্তিৰ বাবে ভাৰত চৰকাৰে পলমকৈ হলেও সৰ্বোচ্চ সন্মান "ভাৰত ৰত্ন" উপাধি প্ৰদান কৰে।। ১৯৪৯ চনত ছোভিয়েট ৰাছিয়াৰ ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি পোৱা এইজনা দাৰ্শনিক ১৯৫২ চনত প্ৰথম গৰাকী উপ-ৰাষ্ট্ৰপতি ৰূপে অধিষ্ঠিত হৈ ১৯৬২ চনত ভাৰতৰ দ্বিতীয় গৰাকী ৰাষ্ট্ৰপতিৰূপে শপত গ্ৰহণ কৰে। বিশ্বৰ সৰ্বশ্ৰেষ্ঠ দাৰ্শনিক প্লেটোৱে কৈছিল - "বেয়া-ভাল চিনাক্ত কৰিব পাৰে কেৱল দাৰ্শনিক সকলেহে। সেয়ে দেশৰ শাসনভাৰ দাৰ্শনিক সকলৰ ওপৰতহে অৰ্পণ কৰিব লাগে।" ভাৰতৰ জনগণে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণক ৰাষ্ট্ৰপতি পাতি প্লেটোৱে কোৱা বাণীকেই যেন সত্যতা প্ৰমাণ কৰিলে।

১৯৬২ চনত ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণ ৰাষ্ট্ৰপতি হোৱাত ভাৰতীয় ছাত্ৰ আৰু তেখেতৰ অনুগামীসকলে জন্ম দিন উদ্‌যাপন কৰাৰ মানসেৰে তেখেতৰ অনুমতি বিচৰাত তেখেতৰ জন্ম দিনটো শিক্ষক সকলৰ দিন হিচাপে পালন কৰিবলৈ অনুমতি প্ৰদান কৰাত ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলে খুবেই আনন্দ লাভ কৰে আৰু সেইদিন ধৰি "শিক্ষক দিৱস" হিচাপে ৰাধাকৃষ্ণণৰ জন্মদিনটো সমগ্ৰ ভাৰততে উলহ-মালহেৰে উদযাপন কৰি আহিছে। সম্প্ৰতি সমগ্ৰ বিশ্বতে ৰাধাকৃষ্ণণৰ জন্মদিন উদযাপন কৰা হয় বুলি ক'লেও বেছি কোৱা নহ'ব। ১৯৭৫ চনৰ ১৭ এপ্ৰিলত ৰাধাকৃষ্ণণৰ মৃত্যু হয় আৰু সেই বছৰৰ পৰাই অ'ক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ তৰফে ড° ৰাধাকৃষ্ণণৰ স্মৃতিত "স্মৃতি বক্তৃতা পাঠ অনুষ্ঠান" আয়োজন কৰে আৰু আজি পৰ্যন্ত নিয়মিতভাৱে চলাই আহিছে। এইজনা বিশ্ববিখ্যাত দাৰ্শনিক আৰু শিক্ষকক শিক্ষক সমাজে শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে তেখেতৰ আদৰ্শৰে মহীয়ান হ'বলৈ শিকাটো প্ৰয়োজন। বিভিন্ন সময়ত শিক্ষকৰ ওপৰত অভিযোগ তোলা হয়। বহু শিক্ষকে নিজৰ কু-কৰ্মৰ বাবে কাৰাবাস খাটিব লগা হয়। সম্প্ৰতি ছছিয়েল মিডিয়াৰ যুগ। শিক্ষকে নকৰিব লগীয়া কাম কৰিলে ভাইৰেল হৈ পৰাটো স্বাভাৱিক, যাৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ ওপৰত ইয়াৰ বাৰুকৈয়ে কু- প্ৰভাৱ পৰে। সেয়ে শিক্ষক সমাজে সৰ্বপল্লী ৰাধাকৃষ্ণণক পঢ়িব লাগে। কেৱল ৫ চেপ্তেম্বৰ তাৰিখটো কিয়, প্ৰত্যেক দিনাই বিদ্যালয়ৰ প্ৰাতঃসভাত শিক্ষকে ৰাধাকৃষ্ণণৰ বিষয়ে আলোকপাত কৰাৰ লগতে তেখেতৰ মহান উক্তিবোৰ ছাত্ৰ-ছাত্ৰীক আওৰাব দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহে যথাৰ্থতে এই মহান পণ্ডিতজনাক সন্মান জনোৱাৰ উদ্দেশ্যে শিক্ষক দিৱসৰ দিনটো উদ্‌যাপন কৰা হ'ব বুলি মনে কয়।

# শিক্ষক দিৱস অতীত আৰু বৰ্তমানৰ পৰিৱেশ

### ৰিণু ভট্টাচাৰ্য্য

"গুৰু ব্ৰহ্মা গুৰু বিষ্ণু
গুৰু দেৱ মহেশ্বৰ
গুৰু সাক্ষাৎ পৰম ব্ৰহ্ম
তস্মৈশ্ৰী গুৰুৱে নমঃ"

প্ৰত্যেক বছৰে ৫ ছেপ্তেম্বৰ দিনটোত শিক্ষক দিৱস পালন কৰা হয়। ১৯৬২ চনৰ ৫ ছেপ্তেম্বৰত পৰা পণ্ডিত প্ৰৱৰ, শিক্ষাবিদ, ৰাজনীতিবিদ, ভাৰতবৰ্ষৰ প্ৰথম গৰাকী উপ-ৰাষ্ট্ৰপতি, দ্বিতীয় গৰাকী ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জন্ম দিনটো শিক্ষক দিৱস হিচাপে উদযাপন কৰি অহা হৈছে। সৰ্বপল্লী ৰাধাকৃষ্ণণ ভাৰতৰত্ন সন্মানৰে বিভূষিত হৈছিল। ইমান বোৰ সন্মান লাভ কৰা সত্বেও তেখেতে নিজকে শিক্ষক বুলি পৰিচয় দিহে ভাল পাইছিল। ৫ ছেপ্তেম্বৰ দিনটোত শিক্ষক দিৱস হিচাপে পালন কৰাৰ তাৎপৰ্য নথকা নহয়। সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম দিনটোত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে জন্ম দিন হিচাপে পালন কৰিবৰ বাবে অনুমতি বিচাৰিছিল, কিন্ত তেখেতে উক্ত দিনটোত শিক্ষক দিৱস হিচাপে পালন কৰিবৰ কাৰণে পৰামৰ্শ দিয়ে। সেই পণ্ডিত প্ৰৱৰ গৰাকীৰ জন্ম হৈছিল ১৮৮৫ চনৰ ৫ ছেপ্তেম্বৰত। ইয়াৰ পৰাই বুজা যায় তেখেতে শিক্ষকক কিমান সন্মান কৰিছিল। পিতৃ- মাতৃৰ পিছতেই শিক্ষকসকল আমাৰ সকলোৰে শ্ৰদ্ধাৰ আৰু নমস্য ব্যক্তি। শিক্ষক সকলেই আমাক জ্ঞানৰ পোহৰ বিলাই এজন এজন দেশৰ সু-নাগৰিক হোৱাত নিজকে সমৰ্পিত কৰে। শিক্ষক -শিক্ষয়িত্ৰীসকলে ছাত্ৰ -ছাত্ৰীকসকলক নিজ সন্তান জ্ঞান কৰে। শিক্ষকসকলে আমাক জীৱনৰ আদি পাঠ শিকায়। শিক্ষকসকলে আমাক পাঠ্য পুঠিৰ শিক্ষা প্ৰদান কৰাৰ উপৰিও স্বভাৱ- চৰিত্ৰ গঠনত অৰিহনা যোগায়। ছাত্ৰ -ছাত্ৰীৰ সাফল্যত তেওঁলোক সুখী হয়। তেওঁলোকৰ কথাই ছাত্ৰ-ছাত্ৰীৰ বাবে শিলৰ খুটি আছিল। বৰ্তমান সময়ত নীতিত অটল, সৎ, গুৰু গম্ভীৰ শিক্ষা গুৰুৰ অভাৱ আমাৰ সমাজত অনুভৱ কৰা হৈছে। কেই দশক মানৰ আগতে ছাত্ৰ- ছাত্ৰীয়ে শিক্ষাগুৰুসকলক ৰাজহুৱা স্থানত দেখিলেও চৰণ স্পৰ্শ কৰিছিল। কোনো ছাত্ৰয়ে চাইকেল চলাই গ'লে শিক্ষাগুৰুৰ মুখামুখি হ'লে চাইকেৰ পৰা নামি দি শিক্ষাগুৰুক সন্মান প্ৰদৰ্শন কৰিছিল, আনকি ছাতিলৈ গ'লেও ছাতিটো নমাই দিছিল। দুয়োৰে মাজত গভীৰ সম্পৰ্ক আছিল। আজি সেই দিন নাই। বৰ্তমান ত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ দুয়োৰে মাজত প্ৰমূল্য বোধৰ বহু পৰিমাণে অৱক্ষয় দেখা গৈছে। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত ব্যৱধান আহি পৰিছে। আজি-কালি শিক্ষকসকলক আগৰ ছাত্ৰই কৰা সন্মান, সমীহ নকৰা হ'ল। এই ক্ষেত্ৰত শিক্ষকসকল কিছু পৰিমাণে জগৰীয়া। আজি বহু শিক্ষা বৃত্তিৰ লগত জড়িত লোক বিভিন্ন সমাজ বৰ্হিভূত কাৰ্য্যত জড়িত থকাৰ অভিযোগ মাজে মাজে প্ৰচাৰ মাধ্যমত প্ৰকাশ পায় থাকে। ধন আত্মসাতৰ ঘটনা, আনকি এই ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ পঞ্জীয়কো সাৰি যোৱা নাই। নিচা জাতীয় সামগ্ৰী সেৱন কৰি বিদ্যালয়লৈ যোৱা, আনকি কোনো কোনো শিক্ষক যৌন কেলেংকাৰীৰ লগতো জড়িত থকাৰ অভিযোগ শুনা যায়। (সকলো শিক্ষককে কোৱা হোৱা নাই। )এনে বোৰ বহু কাৰক আছে। আনহাতে বৰ্তমান সময়ত শিক্ষক দিৱস উপলক্ষে উপহাৰৰ পয়োভৰ। আগৰ শিক্ষক দিৱস আৰু বৰ্তমান সময়ৰ শিক্ষক দিৱস আকাশ- পাতাল পাৰ্থক্য। কেইদশক মানৰ আগতে শিক্ষক দিৱসৰ দিনা ছাত্ৰ-ছাত্ৰীৰ ফুলনি খনৰ পৰা ফুলৰ থোপা, নহ'লে ফুলৰ মালা এডাল গুঠি শিক্ষা গুৰুক দিয়াটোৱেই নিয়ম আছিল। আগৰ দিনত শিক্ষকসকলে বেলেগ উপহাৰ গ্ৰহণ নকৰিছিল। কিন্তু বৰ্তমান সুকীয়া পৰিৱেশ। এটা উদাহৰণ দিব বিচাৰিছোঁ। দুবছৰ মানৰ আগতে গুৱাহাটী মহানগৰীৰ এখন দোকানত দেখা দৃশ্যই মোক ভবাই তুলিছিল। সম্ভৱ শিক্ষক দিৱসৰ আগে আগে উক্ত দোকানখনত মোৰ কিবা লাগতিয়াল সামগ্ৰী কিনিবলৈ গৈছিলো। কোনো অভিজাত বিদ্যালয়ৰ এগৰাকী ছাত্ৰী লগত মাতৃ গৰাকী। ৰঙা নীলা কাগজৰে বন্ধা নামি- দামী উপহাৰ লোৱাত ব্যস্ত। কথাত অনুমান কৰিলো আহি থকা শিক্ষক দিৱস উপলক্ষে গুৰু দক্ষিণা। আজিৰ অভিভাৱকৰ সন্তানৰ প্ৰতি অত্যধিক প্ৰীতিয়েও শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সম্পৰ্কত ফাট মেলিছে। বিদ্যালয়ত শিক্ষকৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত কৰা অনুশাসনে অভিভাৱকে সৰু - সুৰা কথাত হস্তক্ষেপ কৰিবলৈ ল'লে। আগৰ দিনত অভিভাৱক শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সোমোৱা নাছিল। বিদ্যালয়ত সন্তানে কোনো অপৰাধ কৰিলে শিক্ষকক দোষাৰোপ কৰা নাছিল বৰঞ্চ নিজ সন্তানকহে জগৰীয়া কৰিছিল। এনেবোৰ পৰিৱেশৰ বাবেই শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সম্পৰ্ক মধুৰ আছিল। আজি-কালি প্ৰায়ে শিক্ষক সকলৰ বাতৰিয়ে সংবাদ শিৰোনাম দখল কৰে। নমস্য শিক্ষা গুৰুসকলক সকলো ফালৰ পৰা সুস্থিৰ পৰিৱেশ দিলেহে ভৱিষ্যতে দেশে একো একোজন সু-নাগৰিক পাবলৈ সক্ষম হ'ম। শেষত সকলো শিক্ষা গুৰুক শিক্ষক দিৱসৰ শুভ কামনা জনাইছোঁ।

# শিক্ষকতাৰ সৰ্বশ্ৰেষ্ঠ সন্মান

### ৰঞ্জিত শইকীয়া

শিক্ষাক জাতি এটাৰ সৰ্বাঙ্গীণ বিকাশৰ মেৰুদণ্ড বুলি কোৱা হয়। এটা জাতিৰ ভাষা-সাহিত্য, কৃষ্টি -সংস্কৃতি, বিজ্ঞান-প্ৰযুক্তি, ৰাজনীতি-অৰ্থনীতি আদি সকলো ক্ষেত্ৰৰ পৰিচিতি নিৰ্ভৰ কৰে জাতিটোৰ মাজত প্ৰচলিত শিক্ষা ব্যৱস্থাটোৰ ওপৰত। জাতি আৰু সমাজ গঢ়াৰ এই পৱিত্ৰ শিক্ষাৰ স্ৰোত প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰৱাহিত কৰাত শিক্ষাগুৰুসকলেই গুৰি ব'ঠা ধৰি আহিছে। অৰ্থাৎ জাতি এটাৰ এক সুস্থ, সবল আৰু প্ৰগতিশীল পৰিচয় গঢ় দিয়াত শিক্ষাগুৰুসকলৰ ভূমিকা অপৰিসীম। সেয়েহে অতীজৰে পৰা সমাজত শিক্ষাগুৰুসকলৰ স্থান আৰু মৰ্যাদা শীৰ্ষ পৰ্যায়ত আৰোহিত হৈ আহিছে। শিক্ষাৰ্থীসকলৰ ব্যক্তিত্বৰ সৰ্বাঙ্গীণ বিকাশ তথা বিদ্যালয়ৰ অভ্যন্তৰৰ লগতে বিদ্যালয়ৰ সৈতে সংপৃক্ত চৌপাশৰ সমগ্ৰ সমাজখনৰে বহু বিষয়ৰ সমাধানসূত্ৰৰ বেলিকা নেতৃত্ব বহন কৰি আহিছিল শিক্ষাগুৰুসকলে। সকলো বৃত্তিৰে আদিপাঠৰ মূল এই শিক্ষকতাৰ বৃত্তি। অৱধাৰিতভাৱেই সমাজৰ সকলো স্তৰৰ লোকে সন্মান আৰু সমীহ কৰি চলিছিল শিক্ষক-শিক্ষয়িত্ৰীসকলক। অৱশ্যে সময় বাগৰাৰ সমান্তৰালভাৱে বহু কাৰকৰ ফলশ্ৰুতিত শিক্ষকসমাজৰ মান-মৰ্যাদাৰ বহু পৰিমাণেই অৱনমিত হ'ল। আনকি সম্প্ৰতি বিভাগীয় মন্ত্ৰী তথা একাংশ উচ্চ পদবীধাৰী শিক্ষা বিষয়াই শিক্ষকসকলক চৰম সীমা অতিক্ৰম কৰিও কৰ্কথনা কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। কোৱা হয় শিক্ষাই আমাৰ আচৰণৰ পৰিৱৰ্তন কৰে, সংস্কাৰ কৰে, পৰিমাৰ্জিত কৰে। কিন্তু একাংশ বিষয়াই নম্বৰতালিকা প্ৰদত্ত মেধাৰে উচ্চ আসনত অধিষ্ঠিত হৈছে যদিও তেওঁলোকৰ যেন সৰ্বাংগীণ বিকাশত কিছু বিচ্যুতি ৰৈ গ'ল। মানসিক গভীৰতা, প্ৰজ্ঞা আৰু ব্যক্তিসত্তাৰ মাধুৰ্যতাৰ পৰা বহুদূৰ যেন পিছুৱাই থাকি গ'ল তেওঁলোক। যাৰ বাবে একাংশ বিষয়াই উচ্চ আসন প্ৰদত্ত ক্ষমতাৰ বলত হয়তো পাহৰি যায় যে তেওঁলোকো সেই স্থানত উপৰিষ্ট হোৱাত কোনোবা শিক্ষাগুৰুৰে গঠনাত্মক পৰামৰ্শ আৰু আৰ্শীবাদ আছিল। অধিকাংশ শিক্ষাগুৰুৱেই পৱিত্ৰ সেৱা হিচাপে আজীৱন ব্ৰতী হৈ থকা শিক্ষকতাৰ জীৱনত বিভাগৰ পৰা আশানুৰূপ স্বীকৃতিতো নাপায়েই বৰঞ্চ কেতবোৰ দুৰ্ভাগ্যজনক পৰিস্থিতিত অকথ্য কৰ্কথনাও শুনিবলৈ বাধ্য হৈ পৰে। আনহাতে শিক্ষা বিভাগে একাংশ শিক্ষকক আবেদন পত্ৰ দাখিলকৰণৰ মাধ্যমেৰে কৃতী শিক্ষকৰ বঁটা প্ৰদান কৰা বিষয়টোও বৰ আশ্চৰ্যজনক। প্ৰকৃততে শিক্ষক এগৰাকীয়ে বাৰু নিজেই নিজকে কৃতী শিক্ষক হিচাপে দাবী কৰিব পাৰেনে? সেয়ে চৰকাৰে প্ৰচলিত পদ্ধতিৰে কৃতী শিক্ষকৰ বঁটা প্ৰদানৰ বেলিকা একাংশ একান্ত অতিশয় নিষ্ঠাৱান শিক্ষাগুৰু চৰকাৰী সন্মান প্ৰাপ্তিৰ পৰা স্বাভাৱিকতে নিলগত থাকি যায়। যথাৰ্থতে শিক্ষক এগৰাকীৰ অৱশ্যে কোনো আনুষ্ঠানিক বঁটাৰ প্ৰতি আসক্তিও নাথাকে। কিয়নো শিক্ষাৰ্থীসকলৰ হৃদয়ত শিক্ষক অথবা শিক্ষয়িত্ৰী এগৰাকীয়ে স্বকীয় আদৰ্শনীয় ব্যক্তিত্বৰে যি নিগাজী ঘৰ সাজে সেয়াহে শিক্ষক এগৰাকীৰ প্ৰকৃত স্বীকৃতি, নিভাঁজ সুখ আৰু সন্মান। শিক্ষকতাৰ জীৱনত শিক্ষক এগৰাকীয়ে বিভিন্ন প্ৰজন্মৰ শিক্ষাৰ্থীসকলৰ হৃদয়ত লোৱা এই আসনখন বহুযুগলৈ অক্ষয় হৈ ৰয়। পৰৱৰ্তী প্ৰজন্মসমূহৰ মাজত আকৌ সেই অনুকৰণীয় ব্যক্তিত্বৰ আদৰ্শৰে ন ন শিক্ষকৰ সৃষ্টি হয়। নিৰলে নীৰৱে শিক্ষকতাক পৱিত্ৰ সেৱা হিচাপে জ্ঞান কৰা শিক্ষক-শিক্ষয়িত্ৰীসকল সেয়ে সমাজত চিৰস্মৰণীয় হৈ ৰয়। উল্লেখযোগ্য যে, ৰাজ্যৰ বিভিন্ন প্ৰান্তত সম্পূৰ্ণ বিনা পাৰিশ্ৰমিকেৰে আজীৱন শিক্ষকতাৰ সেৱাত ব্ৰতী হৈ অৱসৰ গ্ৰহণ কৰা অপ্ৰাদেশীকৃত বিদ্যালয়সমূহৰ শিক্ষাগুৰুসকলৰ ত্যাগ, অৱদান তথা আদৰ্শৰ চানেকি যুগ যুগলৈ বন্দীত হৈ থাকিব। ইয়াতেই আছে জীৱনৰ সাৰ্থকতা, অনামী সুখৰ পৰিভাষা। কিয়নো আনুষ্ঠানিকভাৱে প্ৰাপ্ত স্বীকৃতি সমাজ প্ৰদত্ত মৰ্যাদা আৰু স্বীকৃতিৰ সমকক্ষ হ'ব নোৱাৰে। এই আপাহতে ভাৰতভূমিৰ সুযোগ্য সন্তান, প্ৰসিদ্ধ শিক্ষাবিদ তথা দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱৰ একান্ত ইচ্ছাৰে শিক্ষকসকলৰ নামত উৎসৰ্গিত তেওঁৰ জন্মদিনৰ এই প্ৰাক্ ক্ষণত আমাৰ দৰে মূঢ়জনৰ জীৱনত ব্যক্তিত্বৰ প্ৰাণ সঞ্চাৰ কৰা প্ৰতিগৰাকী মান্যবৰ শিক্ষাগুৰুৰ চৰণকমলত আমাৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

# শিক্ষক দিৱস আৰু মোৰ অনুভূতি বিদ্যাঞ্জলী শিক্ষক

আজি ৫ ছেপ্টেম্বৰ ২০২৫ শিক্ষক দিৱস। সমগ্ৰ দেশৰ লগতে অসম ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠান সমূহত উখল্-মাখল্ পৰিৱেশৰ মাজতে শিক্ষাৰ্থীসকলে পালন কৰি আহিছে শুভ শিক্ষক দিৱস। শিক্ষক দিৱস শিক্ষাৰ্থীসকলৰ ভৱিষ্যত গঢ়াত শিক্ষকৰ অফুৰন্ত চেষ্টা, অক্লান্ত প্ৰচেষ্টা, অমূল্যবোধৰ অৱদানক সন্মানৰ লগতে প্ৰশংসা কৰাৰ বাবে উৎসৰ্গিত এক বিশেষ দিনৰ অনুষ্ঠান শিক্ষক দিৱস। স্বাধীন ভাৰতৰ প্ৰখ্যাত দাৰ্শনিক, শিক্ষাবিদ আৰু দেশৰ দ্বিতীয় ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন উপলক্ষ্যে প্ৰতিবছৰৰ ৫ ছেপ্টেম্বৰ তাৰিখে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ব-বিদ্যালয়সমূহে আনন্দ উলাহৰ মাজেৰে পালন কৰে শিক্ষক দিৱস। শিক্ষা জগতখনৰ স্বপ্ন দ্ৰষ্টা ড° ৰাধাকৃষ্ণণৰ প্ৰতিশ্ৰুতি, সমাজৰ পৰিৱৰ্তনৰ বাবে শিক্ষকৰ শক্তিৰ ওপৰত বিশ্বাসে এই পবিত্ৰ দিনটোক অধিক গুৰুত্বপূৰ্ণ দিন হিচাপে পৰিগণিত হৈছে শিক্ষক সমাজত। শিক্ষক দিৱসত, শিক্ষাৰ্থীসকলে- শিক্ষক সকলৰ প্ৰতি সন্মান জনাই বিভিন্ন ধৰণৰ উপহাৰৰ টোপোলাৰ লগতে প্ৰকাশ কৰে প্ৰশংসা। যেনে - আনুষ্ঠানিক সভা, সাংস্কৃতিক কাৰ্য্যসূচী, শিক্ষকসকলক সম্বৰ্ধনা অনুষ্ঠান, কাৰ্ড, কলম, শৰাই, গামোচা, আদি বিভিন্ন ধৰণৰ উপহাৰৰ টোপোলা প্ৰদান কৰা হয়। এই ভঙ্গীবোৰে শিক্ষা জগতখনত গুৰু শিষ্যৰ মিলন হিচাপে গভীৰ প্ৰভাৱ স্মাৰক হিচাপে বিস্তাৰ কৰি থকা দেখা যায়। শিক্ষক দিৱসে শিক্ষক আৰু শিক্ষাৰ্থীৰ জীৱনত যি অপৰিসীম প্ৰভাৱ পেলাই ইয়াক স্বীকাৰ, প্ৰশংসা আৰু প্ৰদান কৰা এক মঞ্চ। শিক্ষকে প্ৰদান কৰা জ্ঞান, নিৰ্দেশনা, পৰামৰ্শৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰাৰ বিশেষ দিন শিক্ষক দিৱস। ভৱিষ্যত নৱ-প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ উৎস শিক্ষক দিৱস উদ্‌যাপনে ভৱিষ্যত প্ৰজন্মকশিক্ষাদানৰ ক্ষেত্ৰত এক মহৎ, লাভজনক বৃত্তি হিচাপে অনুপ্ৰাণিত কৰিবলৈ বিবেচনা কৰে। ই প্ৰতিভাশালী ব্যক্তিসকলক শিক্ষাৰ ক্ষেত্ৰত সু-ভৱিষ্যত(কেৰিয়াৰ), সমাজৰ বিকাশ গঢ়িবলৈ অৰিহণা যোগাবলৈ উৎসাহিত কৰে। আকৌ কৈছোঁ - শিক্ষা আৰু বিকাশৰ আধাৰশিলা হৈছে শিক্ষা গুৰু সকল।

**খগেশ্বৰ দাস**

> শিক্ষক হ'ল এডাল মমবাতি! যিয়ে নিজেই জ্বলি আনক পোহৰ বিলাই। ইয়াৰ ব্যক্তিক্ৰম নহয় বিদ্যাঞ্জলী কৰ্মৰত স্বেচ্ছাসেৱক সেৱিকা শিক্ষক সকল। পৰৱৰ্তী সময়তজন হিতৰ হিতাৰ্থে সেৱা আগবঢ়োৱা বিদ্যাঞ্জলী শিক্ষক সকলৰ ব্যৱস্থা চৰকাৰে কেনেদৰে লয় এয়া হ'ব লক্ষণীয়।

পথপ্ৰদৰ্শক যি শিক্ষাৰ্থীসকলৰ প্ৰতিভা, বিকাশ সামৰ্থ্যৰ জ্ঞান যুগুতোৱা, আৰু অনুপ্ৰেৰণা প্ৰতিপালন কৰে। এজন শিক্ষকৰ ভূমিকা শ্ৰেণীকোঠাত সীমাবদ্ধ নাথাকি বাহ্যিক বহুদূৰ লৈকে বিস্তৃত হৈ থাকে যেনে- পৰামৰ্শদাতা, অনুপ্ৰেৰক, আৰু জীৱনজোৰা প্ৰভাৱশালী। নিষ্ঠা, প্ৰতিশ্ৰুতি, যুৱ প্ৰজন্মৰ চৰিত্ৰ, মূল্যবোধ আৰু বুদ্ধিক আকাৰ-চাকাৰ দি শিক্ষাৰ্থীৰ জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ প্ৰস্তুত কৰে। শিক্ষকসকলৰ সামগ্ৰিকভাৱে ব্যক্তি, সমাজৰ ভৱিষ্যত গঢ়াত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষকসকল কেৱল শিক্ষাবিদ নহয়, লগতে পৰামৰ্শদাতা, আদৰ্শ আৰু নিৰ্দেশক যি যুৱক, যুৱ উচ্ছৃঙ্খল মনক প্ৰতিপালন কৰি, মূল্যবোধ সৃষ্টি কৰে আৰু ব্যক্তিগত, পেছাদাৰী বিকাশৰ বাবে প্ৰয়োজনীয় জ্ঞান, দক্ষতা প্ৰদান কৰে। শিক্ষকসকলৰ প্ৰভাৱ শ্ৰেণীকোঠাৰ বাহিৰত বিস্তৃত হৈ থাকে - যাৰ ফলত শিক্ষাৰ্থীৰ চৰিত্ৰ আৰু আকাংক্ষা প্ৰভাৱিত হয় সকলো সময়ৰ সকলো ঠাইত।

পৰামৰ্শদাতাৰ লগতে জ্ঞানৰ সহায়ক হিচাপে সমাজত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে শিক্ষকসকল বা শিক্ষাগুৰু সকলে। শিক্ষাৰ্থীসকলক অত্যাৱশ্যকীয় দক্ষতা আৰু জ্ঞান প্ৰদান কৰাৰ লগতে সামগ্ৰিকভাৱে ব্যক্তি আৰু সমাজৰ ভৱিষ্যত গঢ়ি তোলা হয়। শিক্ষকৰ বৌদ্ধিক বিকাশ, সমালোচনামূলক চিন্তা, আৰু সমস্যা সমাধানৰ সামৰ্থ্য বৃদ্ধি কৰাৰ উপৰিও, শিক্ষাৰ্থীসকলক সমাজলৈ অৰ্থপূৰ্ণ অৱদানৰ বাবে প্ৰস্তুত কৰা হয়। ইয়াৰ উপৰিও আদৰ্শ হিচাপে কাম কৰা, পৰৱৰ্তী নৱ প্ৰজন্মক মূল্যবোধ, নৈতিকতা সামাজিক দায়বদ্ধতা আদি প্ৰদান কৰা হয় আদি ইত্যাদি ইত্যাদি কথা। শিক্ষক এজনে অন্তৰ্ভুক্তি আৰু বৈচিত্ৰ্যক প্ৰচাৰ কৰে, এক সুসংগত আৰু সহনশীল সমাজ গঢ়ি তোলাৰ লক্ষ্যৰে। নিষ্ঠা আৰু আবেগে শিক্ষাৰ অগ্ৰগতিৰ ফলস্বৰূপে সামাজিক উন্নতিও সাধন কৰে। সদৌ শেষত, শিক্ষকসকল বা শিক্ষাগুৰুসকল হৈছে এক সু-বৃত্তাকাৰ আৰু আলোকিত সমাজৰ আধাৰশিলা। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কোৱাৰ দৰে - এনেকুৱা শিক্ষাৰ প্ৰয়োজন যি পৃথিৱীৰ মানুহৰ বাবে কল্যাণ হয়।

এতিয়া আমি আহোঁচোন অন্য এটি কথালৈ। বিদ্যাঞ্জলী শিক্ষক আকৌ কেনেধৰণৰ শিক্ষক। হয়, কেন্দ্ৰত নেতৃত্বাধীন বিজেপি চৰকাৰখনেজন সেৱাৰ হিতাৰ্থে ইচ্ছুক সমাজ সেৱক বা হৃদয়বান লোকে শক্তি অনুযায়ী ভক্তি নিজে পঢ়া বিদ্যালয় বা যিকোনো ধৰণৰ চৰকাৰী বা বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠাত কিবা অৱদান আগবঢ়োৱাৰ এটি মাধ্যম হিচাপে দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ঘোষণা কৰা অনলাইন পৰ্টেল বিদ্যাঞ্জলী। ইচ্ছুক কোনোবা অৰ্হতা সম্পন্ন ব্যক্তিয়ে যদি মন কৰে নিজে পঢ়া বিদ্যালয় বা নিজে কৰ্মৰত কাৰ্য্যালয়ত কিঞ্চিত অনুদান আগবঢ়াব বুলি তেন্তে বিদ্যাঞ্জলী পৰ্টেলত নিজৰ নাম পঞ্জীয়ন কৰি দিব পাৰিব সহায়। ইয়াৰ সমান্তৰালকৈ নিজে পঢ়া বিদ্যালয়খনত বিনামূলীয়াকৈ পাঠদানৰ জৰিয়তে সেৱা আগবঢ়াবলৈ প্ৰয়াস কৰো মই নিজেই। চিৰসেউজ কাৰ্বি আংলং জিলাৰ দ্বিতীয় বাণিজ্যিক কেন্দ্ৰ ৰূপে পৰিচিত হাওৰাঘাটৰ ঐতিহ্য মণ্ডিত আগ শাৰীৰ শিক্ষানুষ্ঠান ১৯৫৭ চনতেই স্থাপিত হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিগত (১২)বাৰটা বছৰে খালী হৈ থকা ৰাজনীতি বিজ্ঞানৰ পদটিত সেৱা আগবঢ়াবলৈ সুযোগ পাওঁ। তেনেতে চৰকাৰী ভাৱে কোনো নিযুক্তি পত্ৰ নাই যদিও বিদ্যাঞ্জলী পৰ্টেলত নাম পঞ্জীয়ন কৰি বৰ্তমানৰ অৱসৰী অধ্যক্ষ এ.ইউ. আহমেদ দেৱৰ সানিধ্য পাবলৈ সক্ষম হওঁ ২০২৩ চনৰ ১৭ জানুৱাৰী মাহত। বিদ্যাঞ্জলী শিক্ষক বুলি আচলতে কোনো পদবী নামকৰণ নাই। ই আচলতে এটা সেৱা। বিদ্যাঞ্জলী স্বেচ্ছাসেৱক বুলিহে পৰিচয় আছে। ইংৰাজিত কোৱা হয় Volunteer contributor, যাৰ জৰিয়তে বিভিন্নজনে বিভিন্ন ধৰণৰ সাহায্য বিদ্যালয় বা আনুষ্ঠানিক অনুষ্ঠান প্ৰতিষ্ঠানত সামৰ্থ্য অনুযায়ী প্ৰদান কৰিব পাৰে। ইয়াৰ অংশ হিচাপে ২০১২-২০১৪ চনতেই নিজে পঢ়া বিদ্যালয়খনত সেৱা কৰাৰ সুযোগ পাওঁ বিদ্যাঞ্জলীৰ জৰিয়তে। একালৰ শিক্ষাগুৰুসকলক লগ পাই পূৰ্ণ সানিধ্যই মন হৃদয় আলোকিত কৰি তুলিলে। বিগত দুটা বছৰে বিদ্যালয়খনৰ শিক্ষক কৰ্মচাৰীৰ লগতে শিক্ষাৰ্থী সকলৰ যি সহযোগ এয়া মোৰ জীৱনটোৰ বাবে এক স্মৃতি হৈ থিয় দিলে। বিদ্যাঞ্জলী সেৱা আচলতে সম্পূৰ্ণ বিনামূলী, সম্পূৰ্ণ ব্যক্তিগত চিন্তাধাৰা আৰু সম্পূৰ্ণ নিজা। বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দেবেন্দ্ৰ শৰ্মাই নিজা পুঁজিৰ জৰিয়তে কেতিয়াবা সহায় কৰে কিছু কিঞ্চিত আৰ্থিক সাহায্য। সেয়া আকৌ কোনো মাহেকীয়া নহয় সময় সাপেক্ষে। সেই কিঞ্চিত সহায়ে আকৌ ঘৰখন নচলে। ঘৰৰ পৰা বিদ্যালয়লৈ অহাঁ যোৱা দূৰত্ব প্ৰায় ১৪ কিলোমিটাৰ। প্ৰয়োজন হয় বহু আৰ্থিক সহায়ৰ। তাতেই সন্তুষ্ট থাকি শিক্ষাৰ্থীৰ স্বাৰ্থত নিয়মীয়াকৈ দিয়া হয় পাঠদান। ২০২৫ চনৰ উচ্চৰ মাধ্যমিক বিদ্যালয় দ্বিতীয় বাৰ্ষিক শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনত ৰাজনীতি বিজ্ঞান বিষয়ত ১০০ নম্বৰৰ ভিতৰত ৮৮ নম্বৰ পাবলৈ সক্ষম হৈছিল এগৰাকী ছাত্ৰী স্নেহা দাসে। ইয়াৰ সমান্তৰালকৈ বহু শিক্ষাৰ্থী সুখ্যাতিৰে উত্তীৰ্ণ হৈ পাছ হবলৈ সক্ষম হৈছে ৰাজনীতি বিজ্ঞান বিষয়ত। এতিয়া কথা হ'ল শিক্ষক অভিহনে বিদ্যালয় এখন চলে কেনেকৈ। বিভাগীয় কৰ্তৃ পক্ষক বাৰম্বাৰ আবেদন জনোৱা পাছতো নিয়মিতভাৱে ঠিকাভিত্তিক হ'লেও শিক্ষক নিযুক্তি নিদিয়ে কিয়। কেতিয়াবা প্ৰশ্ন কৰোঁ নিজক নিজে এনেকৈ। কিন্তু পৰৱৰ্তী সময়ত শিক্ষা জগতখনক আগোৱাই লৈ নিয়াৰ ক্ষেত্ৰত চৰকাৰখনে কেনে ব্যৱস্থা গ্ৰহণ কৰে এয়া হ'ব লক্ষণীয়। বিদ্যাঞ্জলী শিক্ষক বুলি তেনে কোনো পদবী উল্লেখ নাই যদিও স্বেচ্ছাসেৱক সেৱিকা হিচাপে সন্মান জনাই সভা সমিতিত সম্বোধন জনোৱা হয় বিদ্যাঞ্জলী শিক্ষক অমুকা বুলি, তমুকা বুলি। বিভিন্ন সময়ত "বিদ্যাঞ্জলী" শীৰ্ষক কবিতা পাঠ সংবাদ মাধ্যম, বাতৰি কাতত, পৰ্টেল চেনেল আদিত প্ৰকাশ কৰা দেখিবলৈ পোৱা যায়। এতিয়া কথা হ'ল শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে যুক্তি আগবঢ়াইছিল যে - শিক্ষক হ'ল এডাল মমবাতি! যিয়ে নিজেই জ্বলি আনক পোহৰ বিলাই। ইয়াৰ ব্যক্তিক্ৰম নহয় বিদ্যাঞ্জলী কৰ্মৰত স্বেচ্ছাসেৱক সেৱিকা শিক্ষক সকল। পৰৱৰ্তী সময়তজন হিতৰ হিতাৰ্থে সেৱা আগবঢ়োৱা বিদ্যাঞ্জলী শিক্ষক সকলৰ ব্যৱস্থা চৰকাৰে কেনেদৰে লয় এয়া হ'ব লক্ষণীয়।



# শিক্ষকতা বৃত্তিগত এক মানসিক সন্তুষ্টতা

**পলাশ শৰ্মা**

মনোবিজ্ঞানী লিণ্ডগ্ৰেনেৰ মতে "এজন ভাল শিক্ষকে শিক্ষাৰ্থীৰ মনত আশাৰ সৃষ্টি কৰিব পাৰে আৰু শিক্ষাৰ প্ৰতি শিক্ষাৰ্থীৰ মনত আস্থাৰ উদ্ৰেক ঘটাব পাৰে।" কিন্তু এই আটাইবোৰ কথাই নিৰ্ভৰ কৰে শিক্ষাৰ্থীৰ জীৱন আৰু ভৱিষ্যতৰ ওপৰত বিশেষ গুৰুত্ব সহকাৰে আলোকপাত কৰি ন্যায়, নিষ্ঠা, আদৰ্শ, আত্মত্যাগৰ মনোভাৱেৰে ভৱিষ্যতৰ সু-নাগৰিক হিচাবে মানৱ সম্পদ সৃষ্টিৰ কাৰিকৰ হিচাপে নিজক প্ৰতিষ্ঠা কৰাৰ ওপৰত।

আৰ্থিক ভাৱে নহ'লেও শিক্ষক সকলক আমাৰ সমাজ জীৱনত আজিও আটাইতকৈ সন্মানিত ব্যক্তি হিচাবে গণ্য কৰা হয়। আদৰ্শগত দিশৰ ফালৰ পৰাও যদি শিক্ষক সকলক শ্ৰেষ্ঠতাৰ আসনত উপবিষ্ট কৰা হয়, তেনে সেই আসনখনৰ মৰ্যাদা কেনিও কতো হানি-বিঘিনি নোহোৱাকৈ অক্ষুণ্ণ ৰখাটোও শিক্ষক সকলৰে দায়িত্ব নহয় জানো? প্ৰশ্ন হ'ল এজন শিক্ষকক সমাজ এখনৰ আদৰ্শ ব্যক্তি হিচাবে কিয় মানি লোৱা হয়? ইয়াৰ উত্তৰত ক'ব পাৰি শিক্ষক হ'ল এখন সমাজৰ সাংস্কৃতিক তথা বৌদ্ধিক উত্তৰণৰ প্ৰতিভু স্বৰূপ। শিক্ষক সকল সেইজন ব্যক্তি যিয়ে পিতৃ-মাতৃৰ পিছতেই অভিভাৱকৰ দায়িত্ব পালন কৰে। কোনো কোনো ক্ষেত্ৰত পিতৃ-মাতৃৰ ভূমিকাতকৈও বেছিকৈ শিক্ষাৰ্থীক প্ৰভাৱিত কৰে। কেৱল পঢ়া-শুনাই নহয়, প্ৰাত্যহিক জীৱনৰ প্ৰতিটো দিশতেই জ্ঞানৰ গভীৰতাৰে নিজক উদ্ভাষিত কৰাৰ ক্ষেত্ৰত এজন শিক্ষকৰ দায়িত্ব অভিভাৱকতকৈ কোনো গুণে কম নহয়। প্ৰয়োজনীয় ক্ষেত্ৰত শাসন কৰা, মৰম চেনেহেৰে নিজৰ লক্ষ্যৰ প্ৰতি সজাগতাৰ সৃষ্টি কৰি শিক্ষাৰ্থীক জীৱন যুঁজৰ এগৰাকী প্ৰকৃত সৈনিক হিচাবে গঢ়ি তোলা, এই সকলোবোৰ তেওঁৰ সততা আৰু পেশাৰ প্ৰতি শ্ৰদ্ধাবোধৰ ভাৱেৰেই কৰি থাকে। গতিকে ক'ব পাৰি শিক্ষক সকলৰ সামাজিক দায়িত্ব সমাজৰ অন্য সকলো দিশতকৈ পেশাগত ভাৱেও কিছু পৃথক। হয়তো সেয়ে শিক্ষক শব্দটোৰ সৈতে অঙ্গাঙ্গিভাৱে সম্পৰ্কিত নিষ্ঠা, নৈতিকতা, দায়বদ্ধতা আদি বিশেষ গুণসমূহৰ বাবেই বহু শিক্ষকে বিভিন্ন সমস্যাৰ মাজতো এই বৃত্তিটোৰ সৈতে এক আত্মিক সম্পৰ্ক আজিও অনুভৱ কৰে। এই গুণসমূহৰ সমাহাৰতে শিক্ষকতাৰ বৃত্তিটো হৈ পৰে অন্যতকৈ ব্যতিক্ৰম এক মানসিক সন্তুষ্টতা।

## অনুগল্প — জোনাক

সি আহি পোৱাৰ পাছতেই সকলো উৎসাহ নিমিষতে শেষ। সি নানিলে, লগত টকাকেইটাও নাই।

মনবোৰ মৰা দেখি শ্ৰেণী শিক্ষয়িত্ৰীগৰাকীয়ে ঘটনাৰ বুজ ল'লে।

"হ'ব, মই ব্যৱস্থা কৰি আছোঁ।" কথামতেই কাম। বাইদেৱে নিজে টকা দিলে।

"আজি 'শিক্ষক দিৱস'ৰ পবিত্ৰ দিনটোত এজন ছাত্ৰৰ পৰা শিকাৰ সুযোগ পাই মই খুবেই সুখী হৈ পৰিছোঁ।"

সকলোৱে তাক প্ৰশংসাৰে ওপচাই পেলালে। তাৰ দুচকুত আকৌ এবাৰ আগদিনা গধূলি লগপোৱা ফুটপাথৰ ভোকাতুৰ অঘৰীকেইজনৰ তৃপ্তিভৰা মুখকেইখন জিলিকি উঠিল।

বাইদেৱে তাৰ হতুৱাই কেকটো কটালে।

**অংশুমান ভূঞা**

# সমাজ গঠনত শিক্ষকৰ অমৰ অৱদান

প্ৰতি বছৰে ৫ ছেপ্টেম্বৰত ভাৰতত শিক্ষক দিৱস পালন কৰা হয়। এই দিনটো শিক্ষকসকলৰ অৱদানক সন্মান জনোৱাৰ এক বিশেষ উপলক্ষ। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা বিশিষ্ট শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন উপলক্ষে এই দিনটো উদযাপন কৰা হয়। তেওঁৰ শিক্ষাৰ প্ৰতি থকা গভীৰ নিষ্ঠা আৰু সমাজ গঠনত শিক্ষকৰ ভূমিকাৰ প্ৰতি তেওঁৰ বিশ্বাসৰ বাবেই এই দিনটো শিক্ষকসকলৰ প্ৰতি উৎসৰ্গিত হৈছে। কিন্তু আজিৰ দিনত শিক্ষক দিৱস কেৱল এক আনুষ্ঠানিক উদযাপনৰ দিন হৈ নাথাকে, ই সমাজৰ বৌদ্ধিক, নৈতিক আৰু সামাজিক গঠনত শিক্ষকৰ ভূমিকাৰ গুৰুত্বক পুনৰ মনন কৰাৰ এক সুযোগ।

শিক্ষক দিৱসৰ উৎপত্তিৰ মূলত আছে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ শিক্ষাৰ প্ৰতি থকা অগাধ বিশ্বাস। ১৯৬২ চনত তেওঁৰ জন্মদিন উপলক্ষে ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ লোকে তেওঁক সন্মান জনোৱাৰ বাবে এই দিনটোক বিশেষভাৱে উদযাপন কৰিবলৈ প্ৰস্তাৱ দিছিল। কিন্তু তেওঁৰ নম্ৰতা আৰু শিক্ষকতাৰ প্ৰতি থকা শ্ৰদ্ধাৰ বাবে তেওঁ পৰামৰ্শ দিছিল যে এই দিনটো তেওঁৰ জন্মদিন হিচাপে নহয়, বৰঞ্চ শিক্ষকসকলৰ অৱদানৰ সন্মানত পালন কৰা হওক। তেতিয়াৰ পৰা ৫ ছেপ্টেম্বৰ শিক্ষক দিৱস হিচাপে পালন কৰা হয়। এই দিনটোৱে শিক্ষকৰ ভূমিকাক কেৱল জ্ঞান বিতৰণৰ মাধ্যম হিচাপে নহয়, সমাজৰ ভৱিষ্যৎ গঢ় দিয়াৰ প্ৰয়াস হিচাপে স্বীকৃতি প্ৰদান কৰে।

আচলতে, শিক্ষকসকল হৈছে আমাৰ সমাজৰ স্থপতি আৰু তেওঁলোকে কেৱল পাঠ্যপুথিৰ জ্ঞান শিকোৱাই নহয়, ছাত্ৰ-ছাত্ৰীৰ মনত নৈতিকতা, মূল্যবোধ আৰু জীৱনৰ প্ৰতি এক ইতিবাচক দৃষ্টিভংগী গঢ়ি তোলে। আজিৰ দ্ৰুতগতিত সলনি হোৱা বিশ্বত শিক্ষকৰ ভূমিকা আৰু অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। প্ৰযুক্তিৰ উত্থান, সামাজিক মাধ্যমৰ প্ৰভাৱ আৰু বিশ্বায়নৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মনত বিভিন্ন ধাৰণা আৰু তথ্যৰ বানপানীৰ সৃষ্টি হৈছে। এনে পৰিস্থিতিত শিক্ষকৰ ভূমিকা হৈছে ছাত্ৰ-ছাত্ৰীক সঠিক দিশত পথ প্ৰদৰ্শন কৰা আৰু তেওঁলোকক জ্ঞানৰ সঠিক ব্যৱহাৰৰ পথ দেখুওৱা। আজিৰ সমাজত শিক্ষক দিৱসৰ তাৎপৰ্য কেৱল শিক্ষকসকলক সন্মান জনোৱাৰ মধ্যে সীমাবদ্ধ নহয়। ই এক গভীৰ চিন্তা-চৰ্চাৰ দিন, য'ত আমি শিক্ষা ব্যৱস্থাৰ শক্তি আৰু দুৰ্বলতাৰ ওপৰত আলোচনা কৰোঁ।



শিক্ষকসকলৰ প্ৰতি সমাজৰ দৃষ্টিভংগী, তেওঁলোকৰ কৰ্ম পৰিৱেশ, আৰু ছাত্ৰ-ছাত্ৰীৰ সৈতে তেওঁলোকৰ সম্পৰ্কৰ বিষয়ে এই দিনটোত পুনৰ বিবেচনা কৰা হয়। শিক্ষক দিৱসে আমাক সোঁৱৰাই দিয়ে যে শিক্ষক হৈছে সমাজৰ মেৰুদণ্ড, আৰু তেওঁলোকৰ অৱদান অবিহনে এক সুস্থ, প্ৰগতিশীল সমাজ গঢ়ি তোলা সম্ভৱ নহয়।

আধুনিক সমাজত শিক্ষকৰ ভূমিকা বহুমুখী হৈ পৰিছে। তেওঁলোক এতিয়া কেৱল জ্ঞানৰ বিতৰক নহয়, পৰামৰ্শদাতা, পথ প্ৰদৰ্শক আৰু মানসিক সমৰ্থনৰ উৎস। আজিৰ ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত থকা প্ৰত্যাহ্বান সমূহ পূৰ্বৰ তুলনাত অধিক জটিল। মানসিক চাপ, প্ৰতিযোগিতা, সামাজিক মাধ্যমৰ প্ৰভাৱ আৰু পৰিয়ালৰ পৰা বিচ্ছিন্নতাৰ ফলত তেওঁলোকৰ মনত বিভিন্ন ধৰণৰ সংঘাতৰ সৃষ্টি হৈছে। এনে পৰিস্থিতিত শিক্ষকৰ ভূমিকা হৈছে ছাত্ৰ-ছাত্ৰীক মানসিকভাৱে শক্তিশালী কৰা আৰু তেওঁলোকক জীৱনৰ প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰস্তুত কৰা। শিক্ষকৰ প্ৰভাৱ সমাজৰ প্ৰতিটো স্তৰত পৰিলক্ষিত হয়। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ মনত জ্ঞানৰ বীজ ৰোপণ কৰাৰ লগতে তেওঁলোকক নৈতিক মূল্যবোধৰ প্ৰতি সচেতন কৰে। আজিৰ সমাজত যেতিয়া নৈতিকতা আৰু মানৱীয় মূল্যবোধৰ অৱক্ষয়ৰ কথা প্ৰায়ে শুনা যায়, তেতিয়া শিক্ষকৰ ভূমিকা হৈছে ছাত্ৰ-ছাত্ৰীক সঠিক আৰু ভুলৰ মাজৰ পাৰ্থক্য বুজিবলৈ শিকোৱা। তেওঁলোকৰ শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ প্ৰতি দায়িত্বশীল নাগৰিক হিচাপে গঢ় লৈ উঠে।

অসমৰ পৰিপ্ৰেক্ষিতত শিক্ষকৰ ভূমিকা আৰু অধিক গুৰুত্বপূৰ্ণ। অসমৰ গ্ৰাম্য অঞ্চলত শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত শিক্ষকসকলে অগণন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। অৱকাঠামোৰ অভাৱ, অৰ্থনৈতিক দুৰ্বলতা আৰু সামাজিক পৰিৱেশৰ জটিলতাৰ মাজতো তেওঁলোকে শিক্ষাৰ জ্যোতি জ্বলাই ৰাখিছে। গ্ৰাম্য অঞ্চলৰ শিক্ষকসকলে প্ৰায়ে নিজৰ সীমিত সম্পদৰ মাজতো ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ় দিয়াৰ কাম কৰি আহিছে। তেওঁলোকৰ এই নিষ্ঠা আৰু প্ৰতিশ্ৰুতিয়ে অসমৰ শিক্ষা ব্যৱস্থাক সমৃদ্ধ কৰি তুলিছে। শিক্ষক দিৱস কেৱল শিক্ষকসকলক সন্মান জনোৱাৰ দিন নহয়, ই সমাজৰ দায়িত্বৰ কথাও সোঁৱৰাই দিয়ে। শিক্ষকসকলৰ প্ৰতি সমাজৰ দৃষ্টিভংগীৰ পৰিৱৰ্তনৰ প্ৰয়োজন। আজিৰ দিনত শিক্ষকৰ পেশাক প্ৰায়ে নিম্নমানৰ বা কম গুৰুত্বৰ পেশা হিচাপে গণ্য কৰা হয়। এই ধাৰণাৰ পৰিৱৰ্তনৰ বাবে সমাজৰ সকলো স্তৰৰ মানুহৰ সহযোগিতাৰ প্ৰয়োজন। শিক্ষকসকলৰ বাবে উন্নত কৰ্ম পৰিৱেশ, ন্যায্য বেতন আৰু সামাজিক সন্মানৰ ব্যৱস্থা কৰাটো অতি জৰুৰী। ইয়াৰ উপৰিও শিক্ষক দিৱসে শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বিষয়ে চিন্তা কৰাৰ সুযোগ প্ৰদান কৰে। আধুনিক প্ৰযুক্তিৰ সৈতে শিক্ষাৰ সংমিশ্ৰণ, শিক্ষকৰ প্ৰশিক্ষণ, আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে সামগ্ৰিক শিক্ষাৰ ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন। অসমৰ পৰিপ্ৰেক্ষিতত শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বাবে স্থানীয় ভাষা আৰু সংস্কৃতিৰ সৈতে শিক্ষাৰ সংযোগ ঘটোৱাৰ প্ৰয়োজনীয়তা আছে। অসমীয়া ভাষাত শিক্ষাৰ মাধ্যমত অধিক গুৰুত্ব দি ছাত্ৰ-ছাত্ৰীৰ মনত নিজৰ সংস্কৃতিৰ প্ৰতি গৌৰৱৰ ভাৱ জাগ্ৰত কৰিব পাৰি।

শিক্ষক দিৱসৰ উদ্‌যাপন প্ৰতিটো শিক্ষানুষ্ঠানত বিভিন্ন ধৰণে পালন কৰা হয়। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ বাবে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে। এই দিনটোত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্ক অধিক গভীৰ হয়। কিন্তু এই উদ্‌যাপন কেৱল আনুষ্ঠানিকতাৰ মাজতে সীমাবদ্ধ হৈ থাকিলে ইয়াৰ প্ৰকৃত তাৎপৰ্য হেৰাই যায়। শিক্ষক দিৱসৰ প্ৰকৃত সফলতা নিহিত হৈছে সমাজৰ প্ৰতিটো ব্যক্তিৰ মনত শিক্ষকৰ প্ৰতি থকা শ্ৰদ্ধা আৰু তেওঁলোকৰ অৱদানৰ প্ৰতি স্বীকৃতিৰ মাজত। অসমত শিক্ষক দিৱসৰ উদযাপনৰ এক বিশেষ ৰূপ পৰিলক্ষিত হয়। বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকসকলৰ প্ৰতি কৃতজ্ঞতা জনোৱাৰ বাবে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, বক্তৃতা আৰু শিক্ষকৰ সন্মানত পুৰস্কাৰ বিতৰণৰ আয়োজন কৰে। এই ধৰণৰ কাৰ্যক্ৰমে ছাত্ৰ-ছাত্ৰীৰ মনত শিক্ষকৰ প্ৰতি শ্ৰদ্ধাৰ ভাৱ জাগ্ৰত কৰে আৰু তেওঁলোকক শিক্ষাৰ প্ৰতি অধিক নিষ্ঠাবান হ'বলৈ প্ৰেৰণা যোগায়।

শিক্ষক দিৱস কেৱল এক দিনৰ উদযাপন নহয়, ই সমাজৰ প্ৰতি শিক্ষকৰ অৱদানৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ প্ৰকাশ। আজিৰ দ্ৰুতগতিত সলনি হোৱা বিশ্বত শিক্ষকৰ ভূমিকা অতীততকৈ অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। তেওঁলোকৰ নিৰন্তৰ প্ৰচেষ্টাৰ জৰিয়তে সমাজৰ ভৱিষ্যৎ গঢ় লৈ উঠে। অসমৰ পৰিপ্ৰেক্ষিতত শিক্ষকসকলে বিভিন্ন প্ৰত্যাহ্বানৰ মাজতো শিক্ষাৰ জ্যোতি জ্বলাই ৰাখিছে, যিটো অত্যন্ত প্ৰশংসনীয়। শিক্ষক দিৱসে আমাক সোঁৱৰাই দিয়ে যে শিক্ষকৰ প্ৰতি কৃতজ্ঞতা কেৱল এদিনৰ বাবে নহয়, বৰঞ্চ আমাৰ জীৱনৰ প্ৰতিটো মুহূৰ্তত তেওঁলোকৰ অৱদানক স্মৰণ কৰা উচিত। সমাজ হিচাপে আমি শিক্ষকসকলক তেওঁলোকৰ যোগ্য সন্মান আৰু সমৰ্থন প্ৰদান কৰি শিক্ষা ব্যৱস্থাক অধিক শক্তিশালী কৰিব পাৰোঁ। এই শিক্ষক দিৱসত আহক আমি প্ৰতিজন শিক্ষকৰ প্ৰতি কৃতজ্ঞতা জনাই তেওঁলোকৰ নিৰন্তৰ প্ৰচেষ্টাক সন্মান জনাও।

**চন্দন কুমাৰ নাথ**

# সাম্প্ৰতিক সময়ত শিক্ষক, শিক্ষাৰ্থীৰ আন্তৰিক সম্বন্ধৰ ভেটিটোৰ ব্যৱধান আৰু অনলাইন শিক্ষা ব্যৱস্থা

**প্ৰিয়াশ্ৰী নেওগ**

> শিক্ষাৰ পোহৰ বিলোৱাৰ লগতে সমাজৰ পৰিৱেশ সুস্থ কৰি ৰখাৰ ক্ষেত্ৰত অহৰহ ক্ৰিয়া কৰি থাকে। এক কথাত শিক্ষা হ'ল সমাজৰ মেৰুদণ্ড। শিক্ষক হ'ল চালিকা শক্তি। মহান পণ্ডিতসকলৰ জ্ঞানৰ অৱদানৰ ফলতে আমি এতিয়াৰ পৰ্যায় পাইছোঁ। তেওঁলোকৰ জ্ঞানৰ পোহৰৰ বলতে আমাৰ চকু মেল খাইছিল। আৰ্কিমিডিছ নথকা হ'লে হয়তো আমি এতিয়াও পৃথিৱীখন চেপেটা বুলিয়েই ধৰিলোঁহেঁতেন।

সমাজ এখন গঢ় দিয়াত শিক্ষক এজনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শিক্ষাৰ পোহৰ বিলোৱাৰ লগতে সমাজৰ পৰিৱেশ সুস্থ কৰি ৰখাৰ ক্ষেত্ৰত অহৰহ ক্ৰিয়া কৰি থাকে। এক কথাত শিক্ষা হ'ল সমাজৰ মেৰুদণ্ড। শিক্ষক হ'ল চালিকা শক্তি। মহান পণ্ডিতসকলৰ জ্ঞানৰ অৱদানৰ ফলতে আমি এতিয়াৰ পৰ্যায় পাইছোঁ। তেওঁলোকৰ জ্ঞানৰ পোহৰৰ বলতে আমাৰ চকু মেল খাইছিল। আৰ্কিমিডিছ নথকা হ'লে হয়তো আমি এতিয়াও পৃথিৱীখন চেপেটা বুলিয়েই ধৰিলোঁহেঁতেন। শিক্ষাৰ পৰিধি বৰ বিশাল। শিক্ষাৰ মাজত সকলো সোমাই পৰে। সাহিত্য, চিকিৎসা, বিজ্ঞান, পদাৰ্থ বিজ্ঞান সকলোবে প্ৰথম আধাৰবিন্দু শিক্ষা। এতিয়া ক'ৰবাত ক'ৰবাত কেতিয়াবা শিক্ষাগুৰুক লগ পালে এখন্তেক ৰৈ তেওঁৰ খবৰ লওঁ। শ্ৰদ্ধা যাঁচো। অৱশ্যে এই প্ৰথাটো লাহে লাহে নাইকিয়া হ'বলৈ আৰম্ভ কৰিছে। লাহে লাহে বৃদ্ধি পাইছে শিক্ষক-শিক্ষাৰ্থীৰ মাজত ব্যৱধান। আনহাতে দেশৰ মহান পণ্ডিত, প্ৰথম উপ-ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জন্মদিনটো আমি শিক্ষক দিৱস হিচাপে উদ্ যাপন কৰি আহিছোঁ। এতিয়াও শিক্ষক দিৱস পতা হয় যদিও পূৰ্বৰ তুলনাত আন্তৰিকতা হ্ৰাস পোৱা যেন পৰিলক্ষিত হয়। শিক্ষা ব্যৱস্থালৈ অহা বহু পৰিৱৰ্তনৰ মাজেৰেই এটা হৈছে অনলাইন ব্যৱস্থাৰ দ্বাৰা পাঠদান। কেৱল উচ্চ শিক্ষাৰ এক অংশ হিচাপে পৰিচিত এই অনলাইন শিক্ষা ব্যৱস্থাৰ সৈতে পূৰ্বতে আমাৰ অধিকাংশৰে পৰিচয় সীমিত আছিল যদিও সাম্প্ৰতিক পৰিস্থিতিয়ে ইয়াক সমগ্ৰ শিক্ষাৰে এক অবিচ্ছেদ্য মাধ্যমত পৰিগণিত কৰিছে। বহু দিশত উন্নত বুলি ভবা পশ্চিমীয়া দেশৰ কথা বাদেই আমাৰ দেশ তথা ৰাজ্যতো সম্প্ৰতি এই শিক্ষা পদ্ধতিকে প্ৰাক প্ৰাথমিকৰ পৰা উচ্চ শিক্ষাৰ স্তৰলৈ আদৰি ল'ব লগাত পৰিছে। ইয়াৰ ফলত শিক্ষক-শিক্ষাৰ্থীৰ লগতে অভিভাৱক সকলো প্ৰযুক্তিগত আহিলাৰে প্ৰদান কৰা শিক্ষাৰ সৈতে ক্ৰমাৎ অভ্যস্ত হ'বলৈ বাধ্য হৈছে। কিছুমাহ আগলৈকে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ নৈতিক অৱক্ষয়ৰ মূল কাৰক বুলি অভিযোগ তোলা স্মাৰ্টফোনটো এতিয়া শৈক্ষিক দিশত এক এৰাব নোৱৰা অংগত পৰিণত হৈছে। কিন্তু এইটো সঁচা যে অনলাইন ক্লাছ তথা অনলাইন পৰীক্ষাৰ ক্ষেত্ৰত পৰিস্থিতিৰ বাবে প্ৰাধান্য দিবলগীয়া হৈছে যদিও কিছুমান সমস্যা ইয়াৰ লগত জড়িত হৈ আছে। এইক্ষেত্ৰত সমস্যা বুলিলে আন্তঃগাঁথনিৰ সমস্যা, প্ৰযুক্তিগত দিশৰ অনভিজ্ঞতা, অনুপযুক্ত ইণ্টাৰনেট সেৱা, আঞ্চলিক ভাষাত অনলাইন শৈক্ষিক সমলৰ অভাৱ আদিৰ কথাকে প্ৰথমে ক'ব লাগিব। ইয়াৰ উপৰি ম'বাইল, কম্পিউটাৰৰ অত্যধিক ব্যৱহাৰ, শাৰীৰিক স্বাস্থ্য স্বাস্থ্যৰ ক্ষতি কথাও সংপৃক্ত হৈ আছে। ই সমগ্ৰ শিক্ষা ব্যৱস্থাটোত এক যান্ত্ৰিক কৰি তোলা পৰিলক্ষিত হৈছে। আনহাতে, এই শিক্ষা ব্যৱস্থাটোক আদৰি লোৱাৰ ক্ষেত্ৰত থকা অন্তৰায়ৰ ভিতৰত আমাৰ সমাজত থকা ডিজিটেল ডিভাইড প্ৰসংগও অন্যতম। সমাজৰ এচামৰ প্ৰযুক্তিগত আহিলা ব্যৱহাৰৰ সুবিধা আৰু দক্ষতা থকাৰ বিপৰীতে আন এচাম ইয়াৰ পৰা বঞ্চিত হৈছে। তৎসত্বেও বৰ্তমান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অনলাইন শ্ৰেণী তথা অনলাইন শিক্ষা ব্যৱস্থাটোক আদৰি ল'ব লাগিব। আজিৰ সামগ্ৰিক সামাজিক প্ৰেক্ষাপটত অনলাইন শিক্ষাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি যদিও বহু সমস্যাৰ সন্মুখীন হোৱাৰ পৰিলক্ষিত মিলিয়নকৈও অধিক লোক বঞ্চিত হৈ আছে। বিভিন্ন সমীক্ষামূলক পৰিসাংখ্যিক তথ্যৰ ভঁৰালসদৃশ ষ্টেটিষ্টি ডট্ কমৰ এক সমীক্ষাত পোৱা মতে, ২০২০ বিত্তীয় বৰ্ষত ৪২ শতাংশ ভাৰতীয় লোকেহে স্মাৰ্টফোন ব্যৱহাৰ কৰে। ভাৰতৰ ৮৪ শতাংশ শিক্ষকেই অনলাইন শিক্ষা প্ৰদানৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে। কিন্তু বিভিন্ন সমস্যাই আনি দিয়া জটিলতাৰ বাবে শিক্ষা পদ্ধতিৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া হোৱা বিভিন্ন পৰিৱৰ্তনক মানি লোৱাৰ ক্ষেত্ৰত কাৰো দ্বিমত নথকাটোৱে স্বাভাৱিক। কিন্তু অনলাইন মাধ্যমেৰে শিক্ষাত প্ৰাধান্য প্ৰদানৰ সমান্তৰালকৈ উন্নত ইণ্টাৰনেট সেৱা, স্মাৰ্টফোনৰ সুলভ ব্যৱহাৰৰ লগতে শিক্ষকে সন্মুখীন হোৱা সমস্যা সমাধানৰ প্ৰতিও গুৰুত্ব দিয়া দৰকাৰ। তেতিয়াহে তুলনামূলকভাৱে এই নতুন শিক্ষা পদ্ধতিৰ দ্বাৰা শিক্ষাৰ্থীসকল উপকৃত হ'ব। কাৰণ ভাৰতে একমাত্ৰ দেশ আছিল য'ত এখনকৈ বিশ্ববিদ্যালয়ত শিক্ষা দিয়া হৈছিল। অতি প্ৰাচীন অৱস্থাৰ পৰাই ভাৰতত শিক্ষা পদ্ধতিয়ে গঢ় লৈ উঠিছিল। ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জন্মদিনটো হওক সকলোৰে বাবে এটা উল্লেখনীয় দিন আৰু শিক্ষক-ছাত্ৰৰ আন্তৰিক সম্বন্ধৰ ভেটি স্থাপনৰ দিন। এই দিনটো হওক নতুন দিশৰ এক আধাৰ। শিক্ষাই আনি দিব্লেএখন সৰ্বাংগীণ সুন্দৰ সমাজ। যিয়েই নহওক শিক্ষা ব্যৱস্থা সফল কৰি তুলিবলৈ হ'লে শিক্ষক আৰু ছাত্ৰৰ মাজত এটা সু-সম্পৰ্ক থকাটো অতি প্ৰয়োজনীয়। কিয়নো সাম্প্ৰতিক সময়ত বাতৰি কাকত, টি ভি ইত্যাদি কাকত পত্ৰই পঢ়িবলৈ পোৱা যায় যে গুৰু শিষ্যৰ অবননীয় কাৰুকাৰ্যৰ কথা। গতিকে এই ক্ষেত্ৰত গুৰুৱে শিষ্যক নিজৰ সন্তানৰ দৰে প্ৰতিটো ক্ষেত্ৰতে চকু ৰাখি পাঠদান কৰিব লাগিব। এজন শিক্ষক ছাত্ৰ-ছাত্ৰীৰ বাবে friend, philosopher and guide হ'ব লাগে। বাৰে বাৰে উপদেশ দিয়াতকৈ আৰ্হি দেখুৱাবলৈ চেষ্টা কৰিব লাগে কাৰণ বহু ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ প্ৰিয় শিক্ষকক প্ৰায়ে অনুকৰণ কৰে। গুৰুসকলে শিষ্যসকলৰ মাজত ভেদাভেদ নাৰাখি সকলো শিষ্যকে সমানে আগবঢ়াই নিয়াত চেষ্টা কৰা উচিত। ঠিক তেনেদৰে শিষ্যসকলেও গুৰুসকলক যথোপযুক্ত সন্মান দিয়া দৰকাৰ। গুৰু বা শিক্ষকসকলে শিষ্যসকলক বন্ধুত্বসুলভ ব্যৱহাৰ কৰিব লাগে। তেতিয়াহে গুৰু শিষ্যৰ মাজত আন্তৰিকতাপূৰ্ণ সম্পৰ্কই গঢ় লৈ উঠিব। শিক্ষকেই জীৱনৰ চালিকাশক্তি। যাৰ প্ৰয়োগ অবিহনে জীৱন বৃথা। শিক্ষকসকলেই দেশৰ ভৱিষ্যত গঢ়ে। সেয়েহে শিক্ষকেই ছাত্ৰ-শিক্ষকৰ মাজত মধুৰ সম্পৰ্ক গঢ়াত গুৰুত্ব দিব লাগিব। তাৰ বাবে শিক্ষকসকলে আত্ম- সমালোচনা কৰি নিজকে শুদ্ধকৈ গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগিব। তাৰ বাবে অভিভাৱক আৰু সমাজৰ জ্ঞানী ব্যক্তিসকলেও দৰকাৰী সময়ত ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ বাবে শিক্ষকক দিহা পৰামৰ্শ দি সহায় কৰিব লাগিব। শিক্ষকসকলৰ সমস্যাসমূহৰ সমাধানৰ প্ৰতি চৰকাৰেও গুৰুত্ব দিব লাগিব। তেতিয়াহে শিক্ষা ব্যৱস্থা সফল হৈ উঠিব বুলি আশা কৰিব পাৰি।

# শিক্ষক দিৱসৰ অনুভৱ

'অখণ্ড মণ্ডলাকাৰং ব্যাপ্তং যেন চৰাচৰঃ
তৎপদং দৰ্শিতং যেন তস্মৈ শ্ৰীগুৰৱে নমঃ।
গুৰুৰ ব্ৰহ্মা গুৰুৰ বিষ্ণু গুৰুৰ দেৱ মহেশ্বৰঃ
গুৰুৰ সাখ্যাৎ পৰম ব্ৰহ্ম তস্মৈ শ্ৰী গুৰুৱে নমঃ।।'

গুৰু সেৱাৰ এই শ্লোকটিৰেই আৰম্ভ কৰিলো।

মহাপুৰুষ মাধৱ গুৰুজনাই এনেয়ে কৈ যোৱা নাই বোলে— গুৰুৰ বিনে ভকতি কবহো নাহি। অৰ্থাৎ ধৰ্ম যি বিধৰেই নহওক 'গুৰু' নহ'লে জ্ঞান পাব নোৱাৰি।

সংসাৰ সমুদ্ৰত বিচাৰ কৰিলে চাৰিজন গুৰু পোৱা যায়। সেইয়া হ'ল— পিতৃ-মাতৃ গুৰু, আদিগুৰু, শিক্ষা গুৰু আৰু দীক্ষা গুৰু। পিতৃ-মাতৃ হ'ল আটাইতকৈ শ্ৰেষ্ঠ আৰু প্ৰথম গুৰু।এওঁলোকৰ অবিহনে এই পৃথিৱীলৈ অহাই নহ'লে হেঁতেন। জীৱনৰ আদি পাঠ এই পিতৃ-মাতৃৰ পৰাই পোৱা যায়। গতিকে, পিতৃ-মাতৃ হ'ল প্ৰথম আৰু শ্ৰেষ্ঠ গুৰু। তাৰ পিছত হ'ল স্বয়ং সৃষ্টিকৰ্ত্তা নাৰায়ণ অৰ্থাৎ আদি গুৰু। তাৰ পিছৰজন গুৰু হ'ল— শিক্ষা গুৰু; যিজনে চাৰি

## প্ৰমোদ দোৱনীয়া

অক্ষৰ শিকাই-বুজাই জীৱন যুজত আগবাঢ়ি যাবলৈ জীৱনটো পুৰঠ কৰি তোলে। তাৰ পিছৰজন হ'ল— দীক্ষা গুৰু।যি জনে সংসাৰ সম্পৰ্কে জ্ঞান দিয়ে। জীৱনত শিকি যিহেতু শেষ কৰিব নোৱাৰি, গতিকে গোটেই পৃথিৱীখনেই জীৱনৰ পঢ়াশালি আৰু সমাজখনেই হ'ল গুৰু। গতিকে, এই সংসাৰত কোনোজনেই কম নহয়। তথাপিতো, শিক্ষা গুৰুজন যেন কিছু পৃথক।

ভালকৈ বিশ্লেষণ কৰিলে দেখা যায় যে —'গুৰু' শব্দই আন্ধাৰৰ পৰা পোহৰলৈ যোৱা বুজায়। অৰ্থাৎ 'গু' মানে আন্ধাৰ আৰু 'ৰু' মানে পোহৰ। ইয়াৰ অৰ্থ হ'ল যি জনে —মানুহৰ মনৰ পৰা অজ্ঞান আন্ধাৰ দূৰ কৰি হৃদয়ত জ্ঞান নামৰ প্ৰদীপ ভাগ জ্বলাই মন উদীপ্ত কৰি মানুহক প্ৰফুল্লিত কৰি তুলিব পাৰে তেৱেঁই গুৰু।

গুৰু বুলিলেই মোৰ মনলৈ যিজন মহিষিৰ নাম আহে সেই জন হ'ল ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণ। তেখেত একেধাৰে এজন শিক্ষাবিদ, ৰাজনীতিবিদ , দাৰ্শনিক আৰু এজন ভাল নাগৰিক। তেখেত ১৯৬২ চনৰ পৰা ১৯৬৭ চনলৈকে ভাৰতৰ ৰাষ্ট্ৰপতি আছিল। ইয়াৰ আগতে ১৯৫৩ চনৰ পৰা ১৯৬২ চনলৈকে তেখেত ভাৰতৰ উপ-ৰাষ্ট্ৰপতি পদ শুৱনি কৰিছিল। তেখেতে ১৯৪৯ চনৰ পাৰা ১৯৫২ চনলৈকে ছোভিয়েট ৰাছিয়াত ভৰতৰ ৰাষ্ট্ৰদূত হিচাপে কাম কৰিছিল।ইয়াৰ আগতে শিক্ষাবিদ হিচাপে তেখেতে ১৯৩৯ চনৰ পৰা ১৯৪৮ চনলৈকে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল আৰু ১৯৩১ চনৰ পৰা ১৯৩৬ চনলৈকে অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল। তেখেতে লণ্ডনৰ অকচফোৰ্ড বিশ্ববিদ্যালয়তো ১৯৩৬ চনৰ পৰা ১৯৫২ চনলৈকে শিক্ষকতাৰ চাকৰি কৰিছিল।

ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম হৈছিল ৫ চেপ্তেম্বৰ ১৮৮৮ মাদ্ৰাজৰ (বৰ্তমান তামিলনাডু) থিৰুট্টানী নামৰ ঠাইত। তামিলনাডুতে ৮৬ বছৰ বয়সত ১৪ এপ্ৰিল ১৯৭৫ চনত তেখেতে ইহলীলা সম্বৰণ কৰে। তেখেতৰ পৰিবাৰৰ নাম আছিল সৰ্বেপল্লী শিৱকামু। তেখেত ছটা সন্তানৰ পিতৃ আছিল। তেখেতক জীৱন কালত বিভিন্ন উপাধিৰে বিভুষিত কৰা হৈছিল। সেই বিলাক আছিল —১৯৩১ চনত নাইট হুদ, ১৯৫৪ চনত ভাৰতৰত্ন, ১৯৬৩ চনত বৃটিছ ৰয়েল অৰ্ডাৰ অৱ মেৰিট আদি। তেখেতে বিশ্বাস কৰিছিল যে— শিক্ষকসকলেই হ'ল দেশৰ মেৰুদণ্ড। অৰ্থাৎ দেশৰ সু-নাগৰিক গঢ়োঁতা। ভাল শিক্ষক আৰু শিক্ষা নহ'লে এখন ভাল সমাজ আৰু ভাল ৰাষ্ট্ৰ গঢ়ি উঠিব নোৱাৰে।

বিগত ১৯৬২ চনৰে পৰা ভাৰতবৰ্ষত ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম দিনটো অৰ্থাৎ ৫ চেপ্তেম্বৰৰ দিনটো প্ৰতি বছৰে শিক্ষক দিৱস হিচাপে পালন কৰি অহা হৈছে। প্ৰথম অৱস্থাত দেশৰ জনসাধাৰণৰ লগতে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় আদিৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলে এই মহান দাৰ্শনিক মনিষিজনৰ জন্মৰ দিনটো তেখেতৰ জন্মদিন হিচাপেই পালন কৰিব বিচাৰিছিল যদিও তেখেতে তাত আপত্তি কৰিছিল। তেখেতে কৈছিল— আপোনালোকে মোক মোৰ জন্মদিন পালন কৰি সন্মান জনাব নেলাগে , পাৰে যদি মোৰ বৃত্তিটোৰ লগতে শিক্ষক সকলক সন্মান জনাই এই দিনটো 'শিক্ষক দিৱস' হিচাপে পালন কৰক। কাৰণ, মই শিক্ষকতাৰ বৃত্তিটোক কেৱল ভাল পোৱাই নহয়, মই শিক্ষকসকলকো ভাল পাওঁ আৰু সন্মান কৰোঁ। যিহেতু, শিক্ষকসকলেই হ'ল দেশৰ ধৰণি । কাৰণ, আজিৰ ভাল শিক্ষাইহে এখন ভাল দেশ আৰু ভাল নাগৰিক গঢ়ি তুলিব পাৰে। শিক্ষকসকলে ভাল শিক্ষা দিলেহে, ভাল আদৰ্শ দেখুৱালেহে আজিৰ ছাত্ৰ-ছাত্ৰীসকল কাইলৈ দেশৰ সু-নাগৰিক হৈ উঠিব। কথাটো মিছা নহয়। তেখেতক দেশৰ জনতাই ইমানেই ভাল পাইছিল আৰু সন্মান কৰিছিল যে তেখেতৰ এই কথাকেই টাকে সৰোগত কৰি তেখেতৰ জন্মদিনটো প্ৰতি বছৰে শিক্ষক দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত লয় আৰু সেইমতেই আজিও পালন কৰি আহিছে । চলিত বছৰ অৰ্থাৎ ২০২৫ চনৰ ৫ চেপ্তেম্বৰৰ শিক্ষক দিৱসৰ দিনটোৰ শ্লোগান হ'ল—'ইন্সপায়াৰিং দি নেকচট জেনেৰেচন অৱ লানাৰ্চ' অৰ্থাৎ নতুন প্ৰজন্মক শিক্ষাৰ প্ৰতি আগ্ৰহান্বিত কৰি তোলা।এইখিনিতে মনত পৰাত



কৈ যাওঁ —তাহানি আমি সৰু হৈ থাকোঁতে দহ পয়চা বা অতি বেচি পঁছিশ পয়চা দামৰ এটি সৰু বেজ স্কুলৰ শিক্ষকসকলে পোছাকযোৰৰ বাওঁহাতৰ ফালে ওপৰ দিশত আঁৰি দিছিল। বৰ ভাল লাগিছিল সেইটো কৰি। মনবোৰ প্ৰফুল্ল প্ৰফুল্ল লাগিছিল। মূল্য কিন্তু ভালদৰে বুজা নাছিলো।এতিয়া বুঢ়া হৈহে উপলব্ধি কৰিছো এই শিক্ষক দিৱস মানো কি আৰু কিয়ইবা এই শিক্ষক দিৱস পালন কৰা হয় আৰু শিক্ষাৰ মূল্যই বা কিমান। শিক্ষা-দীক্ষা নোহোৱালোক চকু থাকিও অন্ধ বুলি তাহানি ককা-আইতাই এনেয়ে কোৱা নাছিল।

অপ্ৰাসঙ্গিক যেন লাগিলেও এইখিনিতে মনত পৰাত মহাভাৰতৰ উদ্ধৱ-নাৰদ আখ্যানটি ক'বলৈ মন গ'ল। কাহিনীটো কৈছিল শ্ৰীমন্ত শংকৰদেৱে নাৰায়ণ আতাক।যিহেতু, শংকৰদেৱৰ ভাৱিছিল যে— 'একশৰণ নাম ধৰ্ম বা 'একশৰণ হৰিনাম ধৰ্মৰ ওপৰত নাৰায়ণ আতাৰ কিবা সন্দেহ থকা বুলি'।কাৰণ, শংকৰদেৱে অনুভৱ কৰিছিল যে—এজন প্ৰকৃত ভকতে তেওঁৰ নিজৰ লগতে গুৰুজনৰ বংশ পৰিচয় জনাটো অতি দৰ্কাৰ। কাৰণ, তেওঁ যেতিয়া নাৰায়ণ আতাৰ গুৰু হ'ল , গুৰুৰ প্ৰকৃত পৰিচয় আৰু বংশ পৰিচয় জনাটো এজন ভকতৰ বৰ আৱশ্যক। তেতিয়া ভকতজনৰ বিশ্বাস গদগদ হ'ব। গতিকে, মই জনাই নজনাই আপোনাসৱক কওঁ শুনক উদ্ধৱ--নাৰদ আখ্যানটি। পাছে, কাহিনীভাগ শুনাৰ আগতে আমি এটা কথা জানিব লাগিব যে—নাৰায়ণ আতাৰ আচল নাম ভৱানন্দ সাউদ অৰ্থাৎ ভৱানন্দ কায়স্থ। তেখেতে বেহা-বেপাৰ কৰি জীৱীকা নিৰ্বাহ কৰা মানুহ আছিল। জগতগুৰু শ্ৰীমন্ত শংকৰদেৱক লগ পোৱা আৰু তেওঁত শৰণ লোৱাৰ পাছৰ পৰাহে তেখেত নাৰায়ণ আতা হ'ল। নাৰায়ণ নামটো তেখেতক শংকৰদেৱে দিয়া. তাকো প্ৰথম দেখাদেখিতেই।

এদিন কিবা সকামত মহৰ্ষি নাৰদ বিষ্ণুভক্ত উদ্ধৱৰ ওচৰলৈ গৈছিল। তেতিয়া তেওঁ অশৰণীয়া। গতিকে, প্ৰসঙ্গক্ৰমে নাৰদক অশৰণীয়া বুলি জানিব পাৰি উদ্ধৱে শৰণৰ কিবা দিহা কৰক চাৰি নাৰদক কিছু উপহাসহে কৰিলে। উদ্ধৱৰ এই ব্যৱহাৰত নাৰদে বৰ লাজ পালে। গতিকে, তেওঁ শৰণ ল'বলৈ মন বান্ধিলে আৰু মনতে ঠিৰাং কৰিলে যে— ৰাতিপুৱাতে তেওঁ যি গৰাকী লোককে প্ৰথম লগ পাব, তেওঁৰ ওচৰতে শৰণ ল'ব। নাগদৰ দুখ দেখি ভকতৰ ভয়হাৰী বিষ্ণুৰ মন পমি গ'ল। তেওঁ নাৰদৰ দুখ নিবাৰণৰ হেতু শৰণ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। গতিকে, তেওঁ নিজে এক কিৰাটৰ ছদ্মবেশ ধৰি কান্ধত এভাৰ মদ আৰু লগত এপাল গাহৰি লৈ নাৰদক দেখা দিলেহি। কিৰাটক দেখি নাৰদ কিছু হতাশ হ'ল। এয়া তেওঁ কি দেখিছে? কিৰাটৰ কান্ধত এভাৰ মদ আৰু লগত এপাল গাহৰি। তথাপি তেওঁ নিজৰ অঙ্গীকাৰ ভঙ্গ নকৰিলে। নাৰদে, কিৰাটকে মনে প্ৰাণে গুৰু মানি শৰণ ল'বলৈ মন স্থিৰ কৰিলে। গতিকে, সিদ্ধান্তমতেই কিৰাটকে তেওঁক শিষ্য মানিব লাগে বুলি কাকূতি-মিনতি কৰিবলৈ ধৰিলে। কিন্তু, কিৰাট নিৰ্বিকাৰ, নাচোৰবান্দা। তেওঁ কোনো কাৰণতে নাৰদক শৰণ নিদিয়ে বা নাৰদৰ গুৰু নহয়। ইফালে, নাৰদেও তেওঁক নেৰা হ'ল। নাৰদৰ ধৈৰ্য দেখি কিৰাটৰ মন কুমলিল। অৱশেষত , কিৰাটে বোলে তুমি দেখিছা—মই কিৰাট, মই ম্লেছ। মই আনৰ স্পৰ্শৰো অযোগ্য। তেনেস্থলত মই কেনেকৈ তোমাৰ গুৰু হ'ম?মই শাস্ত্ৰও নেজানো, ভকতো নহওঁ। আন্যহাতেদি, মই জনাত তুমি মহাজ্ঞানী, ভগৱন্তৰ একান্ত সেৱক। মই কেনেকৈ তোমাৰ গুৰু হ'ম আৰু শৰণ দিম। হেনজানি , তুমি মোৰ পৰা সেই আশা এৰা। নাৰদ কিন্তু এৰা ভকত নহয়। তেওঁ নিৰাশ নহ'ল। ধৈৰ্যচ্যুত নহ'ল। শেষত ছদ্মবেশী বিষ্ণু ভগৱান সন্তুষ্ট হ'ল আৰু নাৰদৰ আগত নিজৰ প্ৰকৃত ৰূপ প্ৰকট কৰি গুৰুৰূপে নাৰদক ভক্তিমাৰ্গৰ বাণী শুনালে। সেই দিনাৰ পৰাহে নাৰদৰ প্ৰকৃত জ্ঞান হ'ল।

আখ্যানটি কৈ শেষ হ'লত শংকৰদেৱে নাৰায়ণক সুধিলে ' বাপ! ইয়াৰ পৰা বাৰু আমিকি শিক্ষা পালো?

নাৰায়ণে উত্তৰ দিলে বোলে— 'সৎ গুৰুৰ কৃপাহে জীৱ তাৰণৰ মূল বস্তু'।

গতিকে, মই অনুভৱ কৰোঁ যে—'ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণদেৱ' এজন প্ৰকৃত গুৰু আৰু শিক্ষাবিদ আছিল। গতিকে, তেখেতৰ জন্মদিনটো শিক্ষক দিৱস হিচাপে পালন কৰিবলৈ পাই সকলো ভাৰতবাসীয়ে সুখী আৰু গৌৰান্বিত। লগতে, ইয়াকো উপলব্ধি কৰোঁ যে— সকলো শিক্ষককেই ৰাধাকৃষ্ণণদেৱৰ নিচিনা হওক।

# শিক্ষকৰ মানসিক সুস্থতা

## এটি অৱহেলিত বিষয়

৫ ছেপ্টেম্বৰ - সমগ্ৰ শিক্ষক সমাজৰ বাবে এক বিশেষ দিন। অৰ্থাৎ শিক্ষক সকলৰ সন্মানাৰ্থে পালন কৰা এটা দিৱস। সেই দিনটোতে বিশিষ্ট শিক্ষাবিদ, পণ্ডিত, দাৰ্শনিক তথা ভাৰতৰ দ্বিতীয় গৰাকী ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ দেৱৰ জন্ম বাৰ্ষিকী আৰু সেই বিশেষ দিনটোতে জ্ঞানৰ খনিকৰ, নীৰৱ সেৱক তথা সমাজৰ অভিভাৱক স্বৰূপ শিক্ষকসকলক শ্ৰদ্ধা জনোৱা হয়। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ দেৱৰ জন্মোৎসৱত শিক্ষকৰ বৰঙণি স্মৰণ কৰা, তেওঁলোকৰ ত্যাগ তথা আদৰ্শক সন্মান জনোৱাৰ লগতে শিক্ষকতা বৃত্তিৰ মহত্ত্বক উপলব্ধি কৰাৰ লগতে শিক্ষক সকলৰ সন্মানাৰ্থে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

শিক্ষক এডাল মমবাতিৰ দৰে, যিয়ে নিজে জ্বলি আনক পোহৰায়। শিক্ষকতা এনে এটি বৃত্তি যিটো বৃত্তিত সবাতোকৈ অধিক সন্মান পোৱা যায় আৰু সন্মান প্ৰদৰ্শন কৰা দেখা যায়। এগৰাকী ব্যক্তিৰ তৃতীয় নয়ন হৈছে শিক্ষা আৰু যিসকলে জ্ঞানৰ বত্তিৰে এগৰাকী ব্যক্তিৰ তৃতীয় নয়ন প্ৰদীপ প্ৰজ্জ্বলিত কৰে

## নিবেদিতা হাজৰিকা

তেওঁলোকেই হৈছে শিক্ষক। এগৰাকী শিক্ষক অবিহনে জীৱনত কোনেও সাৰ্থকতা লাভ কৰিব নোৱাৰে। জীৱনৰ বাটত বিভিন্ন স্তৰত আমাৰ প্ৰত্যেককে ভিন্ন শিক্ষকৰ প্ৰয়োজন হয়। জ্ঞানৰ খনিকৰে জ্ঞানৰ পোহৰেৰে আলোকিত হৈ আনকো উজ্জ্বলাই তোলে। সেই বাবেই শিক্ষকতা বৃত্তিক এক মহান বৃত্তি আৰু শিক্ষকসকলক সমাজ তথা দেশৰ এক গুৰুত্বপূৰ্ণ অংগ বুলি অভিহিত কৰা হয়।

কিন্তু শিক্ষকতাৰ দৰে মহান বৃত্তিত নিয়োজিত হৈ থকা শিক্ষক সকলৰ মানসিক সুস্থতাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। অথচ ই এটা অতি প্ৰয়োজনীয় বিষয়। শিক্ষকৰ শিক্ষাদান কৰ্ম সফল হ'বলৈ হ'লে শিক্ষক জনৰ মানসিক সুস্থতাৰ ওপৰত বিশেষ ধ্যান দিয়াটো খুবেই প্ৰয়োজনীয়। কিয়নো, মানসিক ভাবে সুস্থ-সৱল ব্যক্তি এজনেহে যিদৰে কোনো এটা কাম সুস্থ ভাবে সম্পন্ন কৰিব পাৰে, ঠিক সেইদৰে শিক্ষক এজন সুস্থ হৈ থাকিলেহে শিক্ষাৰ্থীক সুস্থ ভাবে পাঠদান কৰাবলৈ সক্ষম হ'ব।

শিক্ষকৰ মানসিক সুস্থতাৰ যত্ন লোৱাটো এক দীৰ্ঘম্যাদী প্ৰক্ৰিয়া। শিক্ষকৰ মানসিক দিশৰ লগত বহু কথা নিৰ্ভৰ কৰে। ই এটা অতি স্পৰ্শকাতৰ বিষয়। শিক্ষকসকলক মানসিক চাপৰ পৰা সকাহ দিয়া, শিক্ষকৰ মানসিক দিশৰ উন্নতি ঘটোৱা আদি বিষয় সমূহ কোনো কাৰণতে উলাই কৰিব নোৱাৰি বা উলাই কৰিব পৰা বিষয় নহয়। শিক্ষকৰ মানসিক সুস্থতাৰ দিশটো সাধাৰণতে উলাই কৰা বা অৱহেলা কৰাৰ ফলত শিক্ষকৰ শিক্ষণ কাৰ্য, কৰ্মস্থলীত, বিদ্যালয়ৰ পৰিৱেশ তথা ব্যক্তিগত জীৱনত ইয়াৰ নেতিবাচক প্ৰভাৱ পৰাৰ পূৰ্ণ সম্ভাৱনা থাকে।

শুনিবলৈ আচহুৱা যেন লাগিলেও এটা কথা সঁচা যে, শিক্ষকতা বৃত্তিটো এটা চাপপূৰ্ণ পেছা। যিয়ে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হয়। শ্ৰেণী কক্ষত সুকলমে পাঠ দান কৰোৱা, শিক্ষাৰ্থীৰ চাহিদা পূৰণ কৰা, পৰীক্ষাৰ চাপ, প্ৰশাসনিক কাম-কাজ( চৰকাৰী শিক্ষকৰ), অভিভাৱক সকলৰ আশা-প্ৰত্যাশা পূৰণ কৰাৰ দৰে বিভিন্ন চাপ থাকে শিক্ষক সকলৰ ওপৰত। এই ধৰণৰ চাপৰ ফলত শিক্ষকৰ মানসিক তথা শাৰীৰিক দিশৰ ওপৰত প্ৰভাৱ পৰাটো নিতান্তই স্বাভাৱিক। এই ধৰণৰ চাপ কেতিয়াবা মানসিক অৱসাদৰ কাৰণো হৈ পৰে।

শিক্ষকৰ বৃত্তিটো ওপৰে -ওপৰে চালে সকলোতকৈ মসৃণ আৰু বিশেষ কষ্টৰ বৃত্তি যেন বোধ হয়। প্ৰকৃততে এই বৃত্তিটো একেবাৰেই চাপমুক্ত নহয়, বৰঞ্চ ই এক চাপ যুক্ত বৃত্তিহে। এই বৃত্তিৰ লগত জড়িত থকাসকল শাৰীৰিক তথা মানসিক ভাবে সুস্থ হৈ থকাটো একান্ত প্ৰয়োজনীয়। অন্যথা শিক্ষণৰ মান হ্ৰাস, ছাত্ৰ-ছাত্ৰীৰ সৈতে সম্পৰ্ক গঢ় লৈ উঠাৰ সমস্যা, শাৰীৰিক -মানসিক ভাবে দুৰ্বল কৰি তোলা, নিজ বৃত্তিৰ প্ৰতি শ্ৰদ্ধা তথা আকৰ্ষণহীনতা আদিৰ দৰে বিভিন্ন সমস্যা উদ্ভৱ হোৱাৰ সম্ভাৱনা থাকে।

ইয়াৰ বাবে শিক্ষকে ব্যায়াম, যোগ, ধ্যান আদিৰ দৰে বিষয় সমূহৰ লগত জড়িত হৈ মানসিক তথা শাৰীৰিক বিকাশ সাধন কৰিব পাৰে আৰু প্ৰয়োজন হ'লে মনোবিজ্ঞানী বা চিকিৎসকৰ পৰামৰ্শ ল'ব পাৰে বা ল'ব লাগে। সময়ে -সময়ে বিভিন্ন প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰিও মানসিক বা শাৰীৰিক জড়তা বা এই সমূহৰ বিকাশ আৰু উন্নতিৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

শিক্ষক সকলো মানুহ, যন্ত্ৰ নহয়। ইয়াত চৰকাৰী -বেচৰকাৰী বুলি কথা নাই। চৰকাৰীসকলে চৰকাৰী দৰমহা লাভ কৰিছে আৰু ব্যক্তিগত খণ্ডৰসকলে সামান্য পাৰিতোষিকৰ বিনিময়ত শিক্ষাদানত ব্ৰতী হৈ আছে। কিন্তু কোনোৱে চাপমুক্ত হৈ কাম কৰিব পৰা নাই। শিক্ষকসকলক চাপমুক্ত কৰি ৰাখিবলৈ বা মানসিক সুস্থতাৰ বাবে কোনো ধৰণৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। অথচ মানৱ সম্পদ গঢ়োতা, জ্ঞানৰ খনিকৰ, নীৰৱ সেৱকসকলে নীৰৱে নিজ দায়িত্ব-কৰ্তব্য পালনত ব্ৰতী হৈ আছে। শিক্ষক দিৱসৰ এই পবিত্ৰ ক্ষণত এই মহান ত্যাগী সকললৈ মোৰ সহস্ৰ প্ৰণাম।



# বৰ্তমান প্ৰেক্ষাপটত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী

আমাৰ জীৱনৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা চৰিত্ৰৰ ভিতৰত এটা হ'ল শিক্ষক। যাৰ অৱদান, পৰিশ্ৰম, ত্যাগৰ ফলাফল প্ৰতিজন শিক্ষাৰ্থীৰ উজ্জ্বল ভৱিষ্যত কিংবা পৰিপূৰ্ণ জীৱন। সেই কাৰণেই চাগে সকলোতকৈ সন্মানজনক, মৰ্যাদাপূৰ্ণ কাম শিক্ষকতা বুলি সকলোয়ে কয়। যাক শিক্ষিত-অশিক্ষিত, নেতা, কৰ্মী, ধনী-দুখীয়া সকলো শ্ৰেণীৰ মানুহে ভাষা, জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সন্মান আৰু শ্ৰদ্ধা কৰা দেখা যায়। শিক্ষকেই দক্ষ কাৰিগৰ হৈ প্ৰতিজন শিক্ষাৰ্থীক আকৃতি দি, তেওঁলোকৰ মনুষ্যত্ব আৰু জ্ঞানৰ ভঁৰাল সমৃদ্ধ কৰাৰ প্ৰচেষ্টা চলায়। শিক্ষাবৃত্তিটো মাথোঁ বৃত্তি নহয়, সঁচা অৰ্থত ই এক কঠিন তপস্যা। ধ্যানৰ ব্যাঘাত ঘটিলেই জ্ঞানৰ ভঁৰালত প্ৰভাৱ পৰে।

কিন্তু বৰ্তমান সময়ত যেন শিক্ষকৰ সেই মৰ্যাদা ক্ষুণ্ণ হৈছে। ছাত্ৰই গুৰু নামানে দীক্ষা নুবুজে, সন্মান নিদিয়া হৈছে। সামাজিক মূল্যবোধৰ অপসৰণ, যান্ত্ৰিক সভ্যতাৰ প্ৰভাৱ, পৰিয়ালৰ পৰা পোৱা মূল্যবোধৰ অভাৱ আদি নানান কাৰণে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজৰ সম্পৰ্কত এক গভীৰ ফাট মেলিছে। আগত শিক্ষকসকল আছিল জ্ঞান আৰু নৈতিকতাৰ প্ৰদীপ,

## আয়শা ছিদ্দিকা

কিন্তু বৰ্তমান তেওঁলোকক কেৱল পাঠ্যপুথিৰ জ্ঞান প্ৰদানকাৰী হিচাপেহে চিনাক্ত কৰা হৈছে। ফলত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শ্ৰদ্ধা আৰু সন্মানৰ ভাৱনা হ্ৰাস পাইছে। আনহাতে, আজিকালি শিক্ষাক কেন্দ্ৰ কৰি উঠি অহা কিছুমান দুৰ্নীতিমূলক, ভয়াৱহ ঘটনাই এই সম্পৰ্কটোলৈ এক গভীৰ আঘাত সনিছে।

বাতৰিৰ কিংবা কাকতত যেতিয়া পঢ়িব লাগে অমুক বিদ্যালয়ৰ শিক্ষক এজনে অমুক শ্ৰেণীৰ ছাত্ৰী এজনীক ধৰ্ষণ। এনে নিত্য-নতুন ধৰ্ষণৰ ঘটনাৰ দৰে বীভৎস ঘটনাবোৰে সমাজত এক ধৰণৰ আতংকৰ সৃষ্টি কৰে। পিতৃ-মাতৃয়ে সন্তানক স্কুললৈ পঠিয়াওঁতে মনত এটা আশংকা, এটা ভয় সোমাই থাকে।

প্ৰশ্ন উদয় হয় মনত"গুৰুৰ ওচৰত সন্তান সম্পূৰ্ণৰূপে সুৰক্ষিত নেকি?'' এই প্ৰশ্নই পিতৃ-মাতৃক অস্থিৰ কৰি তোলে। যি ব্যক্তিৰ ওচৰত আমি আমাৰ দেশৰ ভৱিষ্যত গঢ়িব বুলি পঠিয়াই দিওঁ তাৰ পৰাই যেতিয়া এনে নৃশংসতাৰ সন্মুখীন হ'ব লগীয়া হয়, তেতিয়া বিশ্বাসৰ ভেটি দোমোজাৰ ওপৰত থিয় হোৱা আস্থাৰ স্তম্ভটোৱে হাউলি পৰে। এইবোৰ কেইটামান বিচ্ছিন্ন ঘটনা হ'লেও ইয়াৰ প্ৰভাৱ ধ্বংসাত্মক। ই শিক্ষক সমাজৰ প্ৰতি সামগ্ৰিকভাৱে থকা বিশ্বাসক আঘাতনিক্ষেপ কৰে, আৰু সৎ, নিষ্ঠাবান, কৰ্তব্যপৰায়ণ শিক্ষক শিক্ষিকাসকলো এই সন্দেহৰ চকুৰে চোৱাৰ অৱস্থা এটাৰ সৃষ্টি কৰে।



সেয়েহে, বৰ্তমান পৰিস্থিতিত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্কটো সংযত কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। শিক্ষকসকলে পাঠ্যপুথিৰ জ্ঞানৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ পথপ্ৰদৰ্শক হিচাপে কাম কৰিব পাৰে, তাৰ বাবে এখন অনুকূল আৰু সকৰ্মক পৰিৱেশ সৃষ্টি কৰাটো অতি প্ৰয়োজন। শিক্ষানুষ্ঠানসমূহত কঠোৰ নীতিমালা, নৈতিকতাৰ প্ৰশিক্ষণ, কৰ্মৰাজিৰ প্ৰতি পাৰদৰ্শিতা আৰু দ্ৰুত ন্যায়িক ব্যৱস্থা গঢ়ি তোলাৰ প্ৰয়োজন যাতে কোনো শিক্ষাৰ্থীয়েই নিজকে অসুৰক্ষিত অনুভৱ নকৰে। শিক্ষকতাৰ সুযোগ লৈ অপকৰ্ম কৰা দোষীসকলক উপযুক্ত দণ্ডৰ ব্যৱস্থা কৰা উচিত। ছাত্ৰ-ছাত্ৰীসকলকও শিকাই দিব লাগিব যে, জীৱনৰ সফলতাৰ মূল নৈতিকতা, শ্ৰদ্ধা আৰু সহযোগিতাৰ দৰে গুণসমূহ, যিবোৰ মাত্ৰ এজন গুৰুৱেহে শিকাব পাৰে।

শিক্ষক-ছাত্ৰৰ মাজৰ এই পৱিত্ৰ সম্পৰ্কটো ৰক্ষা কৰি সমাজখনক আগুৱাই নিবলৈ হ'লে প্ৰত্যেকৰে ব্যক্তিগত প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো অত্যন্ত প্ৰয়োজন। কিয়নো "গুৰুৰ পদূলিৰ মন শাঁত কৰা বতাহেই, ছাত্ৰৰ জীৱনত অনাগত সফলতাৰ বীজ কঢ়িয়াই আনে।"

শিক্ষক সমাজৰ এজন দুজন বেয়া বুলি আমি গোটেই সমাজৰ অৱদানক নুই কৰিব নোৱাৰি। যিটো সূচী আৰু পৱিত্ৰ যদিও কিছুমান শিক্ষিত অজ্ঞানীয়ে ইয়াক অসূচী কৰাত ব্যস্ত। এই কিছু সংখ্যকক আওকান কৰি বাকী বিশাল সংখ্যক আমি তাৰ প্ৰাপ্য সন্মান শ্ৰদ্ধা দি যাব লাহে।

ৰাধা কৃষ্ণ দেৱক স্মৰণ কৰি সমগ্ৰ শিক্ষকসমাজলৈ এই পৱিত্ৰক্ষণত শিক্ষক দিৱসৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

তুমি সেই মহান শলিতা যিয়ে
আমাৰ সুবিধাৰ্থে নিজক ত্যাগ কৰা
তুমি এক বিশাল বৃক্ষ
যিয়ে প্ৰবল ধুমুহা ৰ'দ শোষণ কৰি
পানাহ দিয়া তোমাৰ স্নেহময়ী ছাঁ তলত।

# শিক্ষক দিৱসৰ গুৰুত্ব আৰু প্ৰাসংগিকতা

শিক্ষক দিৱস সমাজৰ এক গুৰুত্বপূৰ্ণ উৎসৱ। এই দিৱসে শিক্ষকসকলৰ অৱদান, নিষ্ঠা আৰু ত্যাগক স্বীকৃতি দিয়ে। এই দিনটোৱে শিক্ষকৰ ভূমিকাৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰে, যিসকলে জ্ঞানৰ পোহৰ বিলাই, ছাত্ৰ-ছাত্ৰীৰ মন গঢ় দিয়ে আৰু সমাজৰ প্ৰগতিৰ ভেটি স্থাপন কৰে। শিক্ষক দিৱস কেৱল শিক্ষকৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ এক মঞ্চই নহয়, ই শিক্ষাৰ গুৰুত্ব আৰু ইয়াৰ জৰিয়তে সমাজৰ উন্নতিৰ সম্ভাৱনাৰ ওপৰতো চিন্তা কৰাৰ এক সুযোগ। এই দিনটোৰ গুৰুত্ব আৰু প্ৰাসংগিকতা সময়ৰ সৈতে অধিক তাৎপৰ্যপূৰ্ণ হৈ পৰিছে, কাৰণ শিক্ষকসকলৰ ভূমিকা এতিয়া কেৱল শ্ৰেণীকোঠাৰ মাজতেই সীমাবদ্ধ নহয়, বৰঞ্চ ই সমগ্ৰ বিশ্বৰ পৰিৱৰ্তনশীল পৰিস্থিতিৰ সৈতে খাপ খাই চলিছে।

শিক্ষক দিৱসৰ গুৰুত্বৰ মূল কাৰণ হৈছে শিক্ষকৰ সমাজ গঢ় দিয়াৰ ক্ষেত্ৰত থকা অপৰিসীম ভূমিকা। শিক্ষকসকল জ্ঞানৰ বাহক, যিসকলে ছাত্ৰ-ছাত্ৰীৰ মনত কেৱল পাঠ্যপুথিৰ জ্ঞানেই নহয়, জীৱনৰ মূল্যবোধ, নৈতিকতা আৰু সমালোচনাত্মক চিন্তাধাৰাৰ বীজ ৰোপণ কৰে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীক জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ প্ৰস্তুত কৰে, তেওঁলোকৰ সম্ভাৱনা আৱিষ্কাৰ কৰাত সহায় কৰে আৰু তেওঁলোকক এজন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলে। শিক্ষকৰ প্ৰভাৱ এজন ব্যক্তিৰ জীৱনৰ বাহিৰলৈও বিস্তৃত হয়; তেওঁলোকৰ শিক্ষাৰ ফলাফল সমাজৰ প্ৰতিটো ক্ষেত্ৰত, বিজ্ঞানৰ পৰা কলালৈকে, ৰাজনীতিৰ পৰা সংস্কৃতিলৈকে, প্ৰতিফলিত হয়। শিক্ষক দিৱসৰ জৰিয়তে আমি এই কথা স্বীকাৰ কৰোঁ যে শিক্ষক অবিহনে কোনো সমাজে প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে।

শিক্ষক দিৱসৰ উৎপত্তি বিভিন্ন দেশত বিভিন্ন ধৰণৰ, যিয়ে শিক্ষকৰ প্ৰতি সৰ্বজনীন সন্মানক প্ৰতিফলিত কৰে। ভাৰতত শিক্ষক দিৱস ৫ ছেপ্টেম্বৰত উদযাপন কৰা হয়, যিটো হৈছে ডঃ সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন। এজন বিশিষ্ট দাৰ্শনিক, শিক্ষাবিদ আৰু ভাৰতৰ দ্বিতীয় ৰাষ্ট্ৰপতি হিচাপে তেওঁ বিশ্বাস কৰিছিল যে শিক্ষকসকল সমাজৰ প্ৰকৃত নিৰ্মাতা। তেওঁৰ জন্মদিনক উৎসৱ হিচাপে পালন কৰাৰ পৰিৱৰ্তে তেওঁ প্ৰস্তাৱ দিছিল যে এই দিনটো শিক্ষকসকলৰ প্ৰতি উৎসৰ্গিত হওক। এই মহৎ ভাৱনাই শিক্ষকৰ প্ৰতি আমাৰ গভীৰ শ্ৰদ্ধাক প্ৰকাশ কৰে। একেদৰে, বিশ্ব শিক্ষক দিৱস ৫ অ'ক্টোবৰত ইউনেস্ক'ৰ দ্বাৰা ১৯৯৪ চনত প্ৰতিষ্ঠা কৰা হৈছিল, যাৰ উদ্দেশ্য হৈছে শিক্ষকৰ অধিকাৰ, দায়িত্ব আৰু শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকাৰ ওপৰত গুৰুত্ব দিয়া। এই ঐতিহাসিক পটভূমিয়ে শিক্ষকৰ সৰ্বজনীন গুৰুত্বক স্পষ্ট কৰে, যিসকলে সময় আৰু সংস্কৃতিৰ সীমা অতিক্ৰম কৰি জ্ঞানৰ ধাৰা অব্যাহত ৰাখিছে।

শিক্ষক দিৱসৰ প্ৰাসংগিকতা সময়ৰ সৈতে অধিক গভীৰ হৈ পৰিছে। আজিৰ দ্ৰুতগতিত পৰিৱৰ্তনশীল বিশ্বত শিক্ষকৰ ভূমিকা কেৱল জ্ঞানৰ বাহকৰ পৰা পৰিৱৰ্তিত হৈ হোলিষ্টিক বিকাশৰ সুবিধা প্ৰদানকাৰীলৈ ৰূপান্তৰিত হৈছে। প্ৰযুক্তিৰ আগমন, ডিজিটেল শিক্ষণৰ প্ৰসাৰ আৰু বিশ্বায়নৰ ফলত শিক্ষকসকলে নতুন শিক্ষণ পদ্ধতি গ্ৰহণ কৰিবলগীয়া হৈছে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীক ডিজিটেল সাক্ষৰতা, সৃষ্টিশীলতা আৰু বিশ্বব্যাপী প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত কৰিব লগা হৈছে। তথাপিও, প্ৰযুক্তিৰ এই যুগতো শিক্ষকৰ মানৱীয় স্পৰ্শ অপৰিহাৰ্য হৈয়েই আছে। তেওঁলোকে ছাত্ৰ

## সত্যব্ৰত বৰা

ছাত্ৰীৰ সৈতে আৱেগিক সংযোগ গঢ়ি তুলি তেওঁলোকৰ মনত স্থায়ী প্ৰভাৱ পেলায়। শিক্ষক দিৱসৰ জৰিয়তে আমি তেওঁলোকৰ এই অভিযোজন ক্ষমতা আৰু নিষ্ঠাক স্বীকৃতি দিওঁ, যিয়ে তেওঁলোকৰ ভূমিকাৰ প্ৰাসংগিকতাক আৰু বৃদ্ধি কৰে।

শিক্ষক দিৱসৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল এই যে ই কৃতজ্ঞতাৰ সংস্কৃতি গঢ়ি তোলে। ছাত্ৰ-ছাত্ৰীৰ বাবে এই দিনটো এটা সুযোগ, য'ত তেওঁলোকে তেওঁলোকৰ শিক্ষকৰ ধৈৰ্য্য, পথ প্ৰদৰ্শন আৰু যত্নৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিব পাৰে। এখন হাতেৰে লিখা চিঠি, এটা আন্তৰিক ধন্যবাদ বা এটা সৰু উপহাৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ শিক্ষকৰ প্ৰতি শ্ৰদ্ধা দেখুৱায়। অভিভাৱকসকলেও শিক্ষকক তেওঁলোকৰ সন্তানৰ বিকাশৰ অংশীদাৰ হিচাপে স্বীকাৰ কৰে।

ইয়াৰ উপৰিও, শিক্ষক দিৱসে শিক্ষকসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ ওপৰতো দৃষ্টি নিক্ষেপ কৰে। বহু শিক্ষকে প্ৰতিকূল পৰিস্থিতিত কাম কৰে যেনে নিম্ন বেতন, সম্পদৰ অভাৱ আৰু বৃহৎ শ্ৰেণীকোঠাৰ চাপৰ মাজতো তেওঁলোকে নিজৰ কৰ্তব্য পালন কৰে। কিছু অঞ্চলত শিক্ষকৰ পেছাগত উন্নয়নৰ সুযোগ সীমিত, যাৰ ফলত তেওঁলোকৰ শিক্ষাদানৰ গুণগত মানত প্ৰভাৱ পৰে। শিক্ষক দিৱসৰ জৰিয়তে আমি এই সমস্যাসমূহৰ সমাধানৰ বাবে সচেতনতা গঢ়ি তুলিব পাৰোঁ। তেওঁলোকৰ কামৰ পৰিৱেশ উন্নত কৰা, ন্যায্য বেতনৰ ব্যৱস্থা কৰা আৰু সম্পদৰ যোগান ধৰাটো এই দিনটোৰ উদ্‌যাপনৰ এক গুৰুত্বপূৰ্ণ অংশ হ'ব পাৰে। এইদৰে শিক্ষক দিৱস কেৱল প্ৰশংসাৰ দিন নহয়, ই শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বাবে এক কাৰ্যপন্থাৰ দিনো।

শিক্ষক দিৱসৰ প্ৰাসংগিকতাৰ এটা অন্যতম দিশ হ'ল এই যে ই ভৱিষ্যতৰ শিক্ষকসকলক অনুপ্ৰাণিত কৰে। শিক্ষকতা এটা পেছা যিটো আবেগ আৰু নিষ্ঠাৰ ওপৰত নিৰ্ভৰশীল। শিক্ষকৰ কাহিনী, তেওঁলোকৰ ত্যাগ আৰু ছাত্ৰ ছাত্ৰীৰ জীৱনত পৰিৱৰ্তন আনিবলৈ তেওঁলোকৰ প্ৰচেষ্টাৰ কথা শুনি যুৱ প্ৰজন্মই শিক্ষকতাৰ পথ বাছি ল'বলৈ উৎসাহিত হ'ব। শিক্ষক দিৱসৰ জৰিয়তে আমি তেওঁলোকৰ এই নিষ্ঠাক উদযাপন কৰোঁ, যিয়ে নতুন শিক্ষকৰ বাবে প্ৰেৰণাৰ উৎস হিচাপে কাম কৰে। এই উদযাপনে শিক্ষকতাক এটা মহৎ আৰু পূৰ্ণতাদায়ক পেছা হিচাপে উপস্থাপন কৰে, যাৰ ফলত শিক্ষাৰ ধাৰা অব্যাহত থাকে।

শিক্ষক দিৱসে শিক্ষা সম্প্ৰদায়ৰ মাজত ঐক্যৰ ভাৱ গঢ়ি তোলে। বিদ্যালয়সমূহে এই দিনটোত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে, যেনে পুৰস্কাৰ বিতৰণী, সাংস্কৃতিক কাৰ্যসূচী বা শিক্ষকৰ বাবে বিশেষ কৰ্মশালা। এই অনুষ্ঠানসমূহে শিক্ষক, ছাত্ৰ আৰু প্ৰশাসনৰ মাজত সম্পৰ্ক শক্তিশালী কৰে। শিক্ষকসকলে নিজৰ অভিজ্ঞতা ভাগ-বতৰা কৰাৰ, নতুন ধাৰণা বিনিময় কৰাৰ আৰু তেওঁলোকৰ কৰ্মজীৱনৰ ওপৰত চিন্তা কৰাৰ সুযোগ পায়। এই ঐক্যৰ ভাৱ শিক্ষকৰ বাবে বিশেষভাৱে গুৰুত্বপূৰ্ণ, কাৰণ শিক্ষকতা প্ৰায়ে এটা নিৰ্জন পেছা হ'ব পাৰে, বিশেষকৈ প্ৰতিকূল পৰিস্থিতিত। শিক্ষক দিৱসৰ উদ্‌যাপনে তেওঁলোকক সোঁৱৰাই দিয়ে যে তেওঁলোকে এটা বৃহত্তৰ লক্ষ্যৰ অংশ, য'ত তেওঁলোকে সমাজৰ উন্নতিৰ বাবে কাম কৰি আছে।

বিশ্বজুৰি শিক্ষক দিৱসৰ উদযাপনৰ ধৰণ ভিন্ন হ'লেও ইয়াৰ মূল উদ্দেশ্য একেই। চীনত ১০ ছেপ্টেম্বৰত শিক্ষক দিৱস পালন কৰা হয়, য'ত শিক্ষাৰ প্ৰতি গভীৰ সন্মান প্ৰকাশ পায়। আমেৰিকাত মে' মাহত শিক্ষকৰ প্ৰশংসাৰ সপ্তাহ পালন কৰা হয়, য'ত বিভিন্ন সম্প্ৰদায়ৰ লোকে শিক্ষকৰ প্ৰতি সমৰ্থন দেখুৱায়। থাইলেণ্ডৰ দৰে দেশত ছাত্ৰ-ছাত্ৰীয়ে ফুল আগবঢ়াই বা পৰম্পৰাগত অনুষ্ঠানৰ জৰিয়তে শিক্ষকৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশ কৰে। এই বিভিন্ন পৰম্পৰাই শিক্ষকৰ সৰ্বজনীন গুৰুত্বক প্ৰতিফলিত কৰে। তেওঁলোকৰ কাম সীমাৰে বান্ধ খাই নাথাকে; তেওঁলোকে বিশ্বজুৰি জ্ঞানৰ পোহৰ বিলাই। শিক্ষক দিৱসৰ প্ৰাসংগিকতা এই কথাত নিহিত হৈ আছে যে ই শিক্ষকৰ এই সৰ্বজনীন ভূমিকাক উদযাপন কৰে।

শিক্ষক দিৱসে শিক্ষাৰ শক্তিৰ ওপৰতো পুনৰ দৃষ্টিপাত কৰে। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক জলবায়ু পৰিৱৰ্তন, অসমতা আৰু প্ৰযুক্তিগত পৰিৱৰ্তনৰ দৰে বিশ্বব্যাপী প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবৰ বাবে প্ৰস্তুত কৰে। তেওঁলোকে সত্যৰ সন্ধান, নৈতিক সিদ্ধান্ত গ্ৰহণ আৰু সহযোগিতাৰ মনোভাৱ গঢ়ি তোলে। আজিৰ বিশ্বত, য'ত ভুল তথ্য আৰু বিভাজনৰ সমস্যা বাঢ়িছে তেনে ক্ষেত্ৰত শিক্ষকৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। শিক্ষক দিৱসৰ জৰিয়তে আমি শিক্ষাৰ মাধ্যমেৰে এখন উন্নত বিশ্ব গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰিব পাৰো। এই দিনটোৱে আমাক শিক্ষাৰ মৰ্যাদা আৰু ইয়াৰ জৰিয়তে সমাজৰ উন্নতিৰ সম্ভাৱনাৰ কথা সোঁৱৰাই দিয়ে।

শিক্ষক দিৱসৰ আৱেগিক দিশটোও অতি গুৰুত্বপূৰ্ণ। এই দিনটোৱে আমাক সেই শিক্ষকসকলৰ কথা সোঁৱৰাই দিয়ে, যিসকলে আমাৰ জীৱনত স্থায়ী প্ৰভাৱ পেলাইছিল। তেওঁলোকৰ উৎসাহ, পথ প্ৰদৰ্শন আৰু বিশ্বাসে আমাক আমাৰ সম্ভাৱনা আৱিষ্কাৰ কৰাত সহায় কৰিছিল। শিক্ষকৰ সৈতে এই ব্যক্তিগত সম্পৰ্কই তেওঁলোকক আমাৰ জীৱনৰ নায়ক কৰি তুলিছে। শিক্ষক দিৱসে আমাক তেওঁলোকৰ সৈতে পুনৰ সংযোগ স্থাপনৰ সুযোগ দিয়ে, যাৰ ফলত তেওঁলোকৰ প্ৰতি আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰিব পাৰো। এই আৱেগিক সংযোগে শিক্ষক দিৱসক বিশেষ কৰি তোলে, কাৰণ ই কেৱল এটা পেছাৰ প্ৰশংসা নহয়, ই মানৱীয় সম্পৰ্কৰো উদযাপন।

শিক্ষক দিৱসৰ প্ৰাসংগিকতাৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ই শিক্ষাৰ গ্লোবেল লক্ষ্যৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰে। ৰাষ্ট্ৰসংঘৰ উন্নয়ন লক্ষ্যৰ অংশ হিচাপে গুণগত শিক্ষাক মৌলিক অধিকাৰ হিচাপে গণ্য কৰা হয়। শিক্ষকসকল এই লক্ষ্যৰ কেন্দ্ৰবিন্দুত আছে, কিন্তু বহু দুৰ্গম অঞ্চলত শিক্ষকৰ অভাৱ এতিয়াও এক প্ৰধান সমস্যা। শিক্ষক দিৱসৰ জৰিয়তে আমি শিক্ষকৰ প্ৰশিক্ষণ, নিয়োগ আৰু ধৰি ৰখাৰ বাবে বিনিয়োগৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিব পাৰো। এই দিনটোৱে আমাক শিক্ষাৰ সাম্যতা আৰু সকলোৰে বাবে শিক্ষাৰ সুবিধা নিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি কথা পুনৰ স্মৰণ কৰাই দিয়ে।

শিক্ষকসকল জ্ঞানৰ সংৰক্ষক। তেওঁলোকে সাংস্কৃতিক ঐতিহ্য, বৈজ্ঞানিক আৱিষ্কাৰ আৰু বৌদ্ধিক প্ৰগতিৰ ধাৰা অব্যাহত ৰাখে। শিক্ষক দিৱসৰ জৰিয়তে আমি তেওঁলোকৰ এই ভূমিকাৰ গুৰুত্ব স্বীকাৰ কৰোঁ। ইয়াৰ উপৰিও, এই দিনটোৱে আমাক শিক্ষাৰ জৰিয়তে এখন উন্নত বিশ্ব গঢ়ি তোলাৰ সম্ভাৱনাৰ কথাও সোঁৱৰাই দিয়ে।

ভৱিষ্যতৰ প্ৰতি দৃষ্টি দিলে শিক্ষক দিৱস এক বিনিয়োগ। ২১শ শতিকাৰ প্ৰত্যাহ্বানসমূহ, যেনে প্ৰযুক্তিগত উন্নতিৰ পৰা বিশ্বব্যাপী সংকটলৈকে, সমাধান কৰাৰ বাবে নতুন দক্ষতা আৰু জ্ঞানৰ প্ৰয়োজন। শিক্ষকসকল এই পৰিৱৰ্তনৰ মূল চালিকা শক্তি। তেওঁলোকক কৰা প্ৰশংসাৰ জৰিয়তে আমি তেওঁলোকক তেওঁলোকৰ কাম অব্যাহত ৰাখিবলৈ উৎসাহিত কৰিব পাৰো। ইয়াৰ উপৰিও, ই সমাজক শিক্ষাৰ প্ৰতি অধিক গুৰুত্ব দিবলৈ আৰু শিক্ষকৰ বাবে উন্নত সুবিধাৰ ব্যৱস্থা কৰিবলৈ প্ৰেৰণা দিয়ে।

শিক্ষক দিৱসে আমাক শিক্ষকৰ নিষ্ঠা, ত্যাগ আৰু প্ৰভাৱৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ সুযোগ দিয়ে। ই শিক্ষাৰ শক্তিৰ পুনৰ স্মৰণ কৰায় আৰু শিক্ষকৰ প্ৰতি আমাৰ দায়িত্বৰ কথা সোঁৱৰাই দিয়ে। শিক্ষক দিৱসৰ জৰিয়তে আমি এখন প্ৰগতিশীল আৰু জ্ঞানময় সমাজৰ সপোন দেখিব পাৰোঁ, য'ত শিক্ষকসকল সদায় সন্মানিত আৰু স্মৰণীয় হৈ থাকিব।

## লাহৰীঘাট সম-জিলাৰ স্থায়ী কাৰ্যালয় ভূমি পুজন, ভূৰাগাঁও ৰাজহ চক্ৰৰ নতুন কাৰ্যালয় শুভ উদ্বোধন

# লাহৰীঘাট সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আচঁনিৰ চেক বিতৰণ কাৰ্যসূচীত কৌশিক ৰায়

**অসম বাৰ্তা, ভূৰাগাঁও, লাহৰীঘাট, ৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সমজিলাত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আচঁনিৰ চেক বিতৰণ কাৰ্যসূচীত উপস্থিত থাকে মন্ত্ৰী কৌশিক ৰায়। এই চেক বিতৰণ কাৰ্যসূচীত উপস্থিত থাকি খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী তথা মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰায়ে বিজেপি চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান দাঙি ধৰে। লাহৰীঘাট সমজিলাৰ অন্তৰ্গত তিনিচুকীয়া ৰাজীৱ গান্ধী খেল পথাৰত অনুষ্ঠিত হোৱা চেক বিতৰণৰ সভাত লাহৰীঘাট সমষ্টিৰ ১৬, ৫১৫ গৰাকী আত্মসহায়ক গোটৰ মহিলাক মন্ত্ৰী গৰাকীৰ উপস্থিতিত প্ৰদান কৰা হয় মুখ্যমন্ত্ৰী উদ্যমিতা আচঁনিৰ ১০ হাজাৰ টকীয়া চেক। চেক বিতৰণ সভাত মন্ত্ৰী কৌশিক ৰয়ে কয় যে বিজেপি চৰকাৰ প্ৰতিশ্ৰুতিৰ চৰকাৰ নহয়, প্ৰতিশ্ৰুতি পূৰ্ণ কৰাৰ চৰকাৰ। সাধাৰণ মহিলা সকলক স্বাৱলম্বী কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে এই উদ্যমিতা আচঁনি আৰম্ভ কৰে আৰু আজি ৰাজ্যৰ ৩০ লাখ মহিলা এই আঁচনিৰ জৰিয়তে উপকৃত হব। তেওঁ কয়, ১০ হাজাৰ টকা লাভ কৰি মহিলা সকলে মবাইল ফোন নিকিনিব নিজক স্বাৱলম্বী কৰাৰ বাবে ধনৰাশি ব্যৱহাৰ কৰিলে চৰকাৰৰ প্ৰয়াসে সাকাৰ ৰূপ লাভ কৰিব। এই কথাৰ প্ৰতি গুৰুত্ব দিবলৈ মহিলা সকলক মন্ত্ৰী ৰায়ে আহ্বান জনায়। তেওঁ কয়, এই ১০ হাজাৰ টকাৰ সঠিক ব্যৱহাৰ কৰি দেখুৱাব পৰা মহিলা সকলক পুনৰ পৰ্যায় ক্ৰমে পিছৰ দুটা বৰ্ষত ২৫ হাজাৰ আৰু ৫০ হাজাৰ টকাৰ চেক প্ৰদান কৰাৰ পৰিকল্পনা আছে চৰকাৰৰ। চেক বিতৰণৰ পূৰ্বে মন্ত্ৰী কৌশিক ৰায়ে লাহৰীঘাটৰ ৰজাগাধোৱাত অৱস্থিত লাহৰীঘাট সমজিলাৰ স্থায়ী কাৰ্যালয়ৰ ভূমি পুজন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। লাহৰীঘাট সমজিলাৰ স্থায়ী কাৰ্যালয়ৰ বাবে ১৫ কোটি টকাৰ কামৰ ভূমি পূজন কৰে। তাৰ লগতে ইয়াৰ তিনিচুকীয়াত নৱগঠিত ভূৰাগাঁও উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ শুভ উদ্বোধন কৰে। মন্ত্ৰী কৌশিক ৰায়ৰ তিনিওটা কাৰ্যসূচীত সংগ দিয়ে মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰী, মৰিগাঁও জিলা আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস আৰু তিৱা স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে। আজি চেক লাভ কৰি উৎফুল্ল হৈ পৰে মহিলা সকল। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মহিলা সকলে চেকৰ ধনেৰে বিভিন্ন ব্যৱসায় বাণিজ্য কৰি আত্মনিৰ্ভৰশীল হোৱাৰ কথা প্ৰকাশ কৰে। লগতে ইয়াৰ বাবে মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰে। ইফালে চেক বিতৰণৰ চৰকাৰী কাৰ্যসূচীৰ লগতে লাহৰীঘাট সম-জিলাৰ স্থায়ী কাৰ্যালয়ৰ ভূমি পূজন আৰু ভূৰাগাঁও উন্নয়ন খণ্ড কাৰ্যালয়ৰ শুভাৰম্ভ আদি কৰি কোনোটো কাৰ্যসূচীতে উপস্থিত নাথাকিল লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰ। এই লৈ মন্ত্ৰী কৌশিক ৰায়ে প্ৰতিক্ৰীয়া প্ৰকাশ কৰি কয় যে - কংগ্ৰেছ দলে বিজেপি চৰকাৰৰ উন্নয়ন মুলক কাম কাজত বাধাহে দিব বিছাৰে। নিজৰ সমষ্টিত অনুষ্ঠিত হোৱা চৰকাৰী নতুন কাৰ্যালয় শুভাৰম্ভৰ দৰে কাৰ্যসূচীত স্থানীয় বিধায়কজন উপস্থিত নথকাটোৱে প্ৰমাণ কৰিছে তেওঁ সমষ্টিৰ কিমান উন্নয়ন বিছাৰে কংগ্ৰেছী বিধায়ক জনে। এনেদৰে সমালোচনামুখৰ হৈ পৰে মন্ত্ৰী কৌশিক ৰায়।

# আমগুৰি ক্ৰীড়া সন্থাৰ উদ্যোগত অভীৰুচি ক্ৰীড়া দিৱস উদ্‌যাপন

**অসম বাৰ্তা, আমগুৰি, ৪ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে আমগুৰি ক্ৰীড়া সন্থাৰ উদ্যোগতো আমগুৰিত ৪২ সংখ্যক অভীৰুচি ক্ৰীড়া দিৱস দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপনৰ আয়োজন কৰা হয়। পুৱা ড° অনিল কুমাৰ গগৈদেৱে ক্ৰীড়া সন্থাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পিছতে সমূহীয়া দৌৰৰ ফ্লেগ অফ কৰে ডাঃ হেমেন গগৈদেৱে। ইয়াৰ পিছতে খেলুৱৈ সকলৰ মাজত এথ্‌লেটিকচ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লিলৈ প্ৰাক্তন ফুটবল খেলুৱৈ লীলা দুৱৰা, বীৰেণ(মাজু) ফুকন, ক্ৰীড়া সংগঠক জগত চুতীয়া, হৰেণ বৰগোহাঁই, উদীয়মান ক্ৰীড়া সংগঠক সুৰজিত গগৈ(আৰ্চাৰী), টুলু চেতিয়া( এথলেটিকচ), প্ৰাক্তিক প্ৰতীম গগৈ(ফুটবল)ক সম্বৰ্ধনা জনোৱা হয়। বিয়লি ৩ বজাত প্ৰয়াত শিক্ষাবিদ তথা ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি সম্পাদক ক্ৰমে বিপিন দত্ত আৰু দুলাল বৰুৱাদেৱৰ সোঁৱৰণত অনুষ্ঠিত কৰা ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী খেল উদ্বোধন কৰে আমগুৰি অৰুণোদয় একাডেমিৰ সঞ্চালক মৃণ্ময় দত্তই। খেলৰ আগে-আগে প্ৰতিযোগিতাৰ স্থান প্ৰাপ্ত খেলৱৈ সকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। আজিৰ উদ্বোধনী খেলত ট্ৰাই ব্ৰেকাৰত নিউ ষ্টাৰ ক্লাৱে বৰবাম চাহ বাগিচাক ৭-৬ গলৰ ব্যৱধানত পৰাজয় কৰে। খেল পৰিচালনা কৰে ৰাজীৱ শইকীয়াই আৰু সহায় কৰে বিশ্বজিত গগৈ, মিণ্টু গগৈ আৰু দিলীপ শইকীয়াই। কালিলৈ প্ৰথম খেল দেওপানী চাহ বগিচা বনাম লাডৈগড় চাহ বাগিচা। দ্বিতীয় খেল আমগুৰি টাউন ক্লাৱ বনাম বৰচিলা চাহ বাগিচা।

### দৰমহা কৰ্তন কৰিলে বৰ্জন কৰিব শিক্ষক দিৱস

# মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ কাৰ্যনিৰ্বাহক সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ এখন গুৰুত্বপূৰ্ণ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভা আজি মৰিগাঁও চহৰৰ শিক্ষক ভৱনত অনুষ্ঠিত কৰা হয়। মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মিহিৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক মানস প্ৰতীম পাটৰে। সভাত শিক্ষা বিভাগৰ শিক্ষাসেতু এপত পলমকৈ উপস্থিতি দিয়াৰ অজুহাতত শিক্ষকৰ দৰমহা কৰ্তনৰ বাবে মৰিগাঁৱৰ জিলা আয়ুক্তৰ নিৰ্দেশনা আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ আদেশ অনুসৰি শিক্ষকৰ দৰমহা কৰ্তন কৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয়। মৰিগাঁও জিলা প্ৰশাসনে গ্ৰহণ কৰা শিক্ষকৰ দৰমহা কৰ্তনৰ দৰ হঠকাৰী সিদ্ধান্তৰ প্ৰতিবাদ স্বৰূপে জিলা প্ৰশাসন আৰু শিক্ষা বিভাগে আয়োজন কৰা আগন্তুক ৫ ছেপ্টেম্বৰৰ পবিত্ৰ শিক্ষক দিৱসৰ কাৰ্যসূচী বৰ্জন কৰি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেই মৰ্মে শিক্ষাৰ্থী-অভিভাৱক সকলে আয়োজন কৰা শিক্ষক দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মৰিগাঁৱত শিক্ষক সকলে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিব। তদুপৰি শিক্ষা বিভাগৰ অধীনৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়কৰ জৰিয়তে বিভাগীয় ভাবে প্ৰেৰণ কৰা অনলাইন কামসমূহ কৰাৰ পৰা শিক্ষকসকল বিৰত থাকিবলৈ সভাই প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপদেষ্টা গিৰীন্দ্ৰ খাটনিয়াৰ, দীপক কুমাৰ মেধি, মিণ্টু কুমাৰ বৰঠাকুৰ, উপ-সভাপতি ইমৰান শ্বাহ আৰু নজৰুল ইছলাম, সাংগঠনিক সম্পাদক জিতেন শইকীয়া, সহকাৰী সম্পাদক প্ৰদীপ কুমাৰ নাথ, ৰাজীৱ চহৰীয়া আৰু উৎপল কুমাৰ দাস, ডিজিটেল কোষৰ সম্পাদক অনুপ কুমাৰ দাস, কপিলী খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি তিলক নাথ, লাহৰীঘাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক মিঠুন ঠাকুৰ প্ৰমুখ্যে কেইবাগৰাকীও বিষয়ববীয়াই বক্তব্য দাঙি ধৰে।

### আৰক্ষীৰ তদন্ত অব্যাহত; কোনো দুৰ্বৃত্ত জড়িত থকাৰ সন্দেহ

# চামগুৰিৰ শালনা চিমনাবস্তিত মাতৃ আৰু পুত্ৰৰ ৰহস্যজনকভাৱে অগ্নিদগ্ধ হৈ মৃত্যু

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ শালনা আৰক্ষী চকীৰ অন্তৰ্গত ১ নং চিমনাবস্তিত যোৱা নিশা শুই থকা অৱস্থাত ৰহস্যজনকভাৱে জীৱন্তে অগ্নিদগ্ধ হৈ মাতৃ আৰু পুত্ৰৰ মৃত্যু হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, যোৱা নিশা শালনা আৰক্ষী চকীৰ অন্তৰ্গত ১ নং চিমনাবস্তি অঞ্চলৰ বীণা সিং আৰু তেওঁৰ ১২ বছৰীয়া পুত্ৰ সাগৰ সিং ওৰফে ভাই সিং জীৱন্তে শোৱাপাটীতে ৰহস্যজনকভাবে অগ্নিদগ্ধ হৈ কৰুণভাবে মৃত্যুক আঁকোৱালি ল'বলগা হয়। উল্লেখ্য যে, ঘটনাটো সংঘটিত হোৱাৰ সময়ত ঘৰত নাছিল বীণা সিঙৰ কন্যা বিছিকা সিং। যোৱা নিশা অনুষ্ঠিত হোৱা কৰম পূজা চাবলৈ গৈছিল বীণা সিঙৰ ১৭ বছৰীয়া কন্যা বিছিকা সিং। কৰম পূজা চাই ঘৰলৈ উভতি আহি বিছিকা সিঙে ঘৰৰ ভিতৰ জুই জ্বলি থকা দেখা পায় চিঞৰ বাখৰ কৰাৰ লগতে ওচৰ-চুবুৰীয়াক খবৰ দিছিল যদিও জুই নিৰ্বাপণ কৰিবলৈ কোনো লোক উপস্থিত নহ'ল বুলি অভিযোগ উঠিছে। আজি পুৱা স্থানীয় একাংশ লোকে উক্ত ঘটনা প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত শালনা আৰক্ষী চকীৰ আৰক্ষী আৰু চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ লগতে ফৰেনছিকৰ দল আৰু কলিয়াবৰ সমজিলাৰ আৰক্ষী বিষয়াৰ লগতে নগাঁও জিলা আৰক্ষী অধীক্ষক উপস্থিত হৈ সামগ্ৰীক ঘটনাৱলীৰ ওপৰত তদন্ত আৰম্ভ কৰিছে। আনহাতে, উক্ত ঘটনাৰ সন্দৰ্ভত স্থানীয় একাংশ লোকে হত্যাকাণ্ড বুলি সন্দেহ প্ৰকাশ কৰিছে। কোনো দুৰ্বৃত্তই নিশা মাতৃ-পুত্ৰক অগ্নিসংযোগ কৰি হত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় একাংশ লোকে। উক্ত ঘটনা সন্দৰ্ভত আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব প্ৰকৃত ৰহস্য। কোনো দুৰ্বৃত্তই মাতৃ আৰু পুত্ৰক নৃশংসভাৱে হত্যা কৰি জ্বলাই দিছে বুলি স্থানীয় একাংশ লোকে সন্দেহ কৰিছে। আনহাতে, ঘটনাস্থলীত নগাঁও জিলাৰ আৰক্ষী অধীক্ষক গৰাকী উপস্থিত হৈ উক্ত ঘটনা অমানৱীয় ঘটনা বুলি অবিহিত কৰাৰ লগতে কোনো দুৰ্বৃত্তই হত্যাকাণ্ড সংঘটিত কৰা বুলি সন্দেহ প্ৰকাশ কৰিছে। এইক্ষেত্ৰত আৰক্ষীয়ে জোৰদাৰ তদন্ত আৰম্ভ কৰিছে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আনহাতে, আৰক্ষীয়ে তদন্ত বৰ্তমান অব্যাহত ৰাখিছে যদিও বাতৰি লিখা সময়লৈকে উক্ত ঘটনাৰ লগত জড়িত কোনো অপৰাধীক আটক কৰা নাই বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, চিমনাবস্তি অঞ্চলত বিগত দিনটো এনেদৰে ৰহস্যজনকভাৱে হত্যাকাণ্ড সংঘটিত হৈছিল বুলি স্থানীয় একাংশ লোকে অভিযোগ কৰাৰ লগতে উক্ত অঞ্চল সমূহত নিশা হ'লে মাদক দ্ৰব্য সেৱন কৰি একাংশ লোক মাতাল হৈ পৰে বুলি অভিযোগ উঠিছে।

## দীঘলটৰং চাহ বাগিচা ১০ নং লাইন এফ চি চেম্পিয়ন

# বাঘজানত প্ৰাইজমানি ফুটবল-শৈক্ষিকমূলক খেল-ধেমালিৰ সামৰণি

**অসম বাৰ্তা, তিনিচুকীয়া, ৪ ছেপ্টেম্বৰ ঃ** ১ নং বাঘজান গাঁও কৰুৱাবস্তি প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত অসম চাহ জনজাতি ছাত্ৰ সন্থা, বাঘজান গাঁও প্ৰাথমিক গোটৰ উদ্যোগত বাঘজানক গাঁও চাহ জনজাতি কল্যাণজ্যোতি যুৱক সংঘ আৰু ৰাইজৰ সহযোগত ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে স্বৰ্গীয় মচুদন কৰুৱা সোঁৱৰণীত ১৫ আগষ্টৰ পৰা অনুষ্ঠিত হোৱা প্ৰাইজমানি ফুটবল আৰু শৈক্ষিকমূলক খেল-ধেমালি প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰে। এই প্ৰতিযোগিতাত কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ১০০ মিটাৰ, ২০০ মিটাৰ দৌৰ লগতে বিভিন্ন ধৰৰ খেল অনুষ্ঠিত কৰে। সমান্তৰালকৈ ফুটবল প্ৰতিযোগিতাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ফুটবল দলে অংশগ্ৰহণ কৰে। আজি দিয়ামূলী চাহা বাগিচা ফুটবল দল আৰু দীঘলটৰং চাহ বাগিচা ১০ নং লাইন ফুটবল দলৰ মাজত অনুষ্ঠিত চূড়ান্ত খেলত ১-১ গ'লত দ্ৰ হয় আৰু টাইব্ৰেকাৰ পদ্ধতিৰে ৪-৩ গ'লৰ ব্যৱধানত ১০ নং লাইন ফুটবল দলে চেম্পিয়ন হয়। ৰেফাৰী মণ্টু মৰাণ, সহযোগী সাগৰ বৰাইক, উপেন্দ্ৰ ফুকন, চতুৰ্থ জীৱকান্ত মৰাণ। বাঘজান অঞ্চলৰ সমাজসেৱক কমল বৰুৱাৰ পৰিচালনাত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত অসম মৰাণ সভা, ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বিশ্বজিত হাজৰিকা, বাঘজান আঞ্চলিক পঞ্চায়তৰ সদস্য অন্নজিৎ হাজৰিকা, বাঘজান গাঁও পঞ্চায়তৰ উপ-সভাপতি অবিনাশ ভূঞা, যুৱ সাংবাদিক পাপুল গগৈ, বাঘজান গাঁৱৰ সমাজসেৱক ৰিপুঞ্জ বৰুৱা, তপন বৰুৱা, স্বৰ্গীয় মচুদন কৰুৱাৰ পুত্ৰ বাবুল কৰুৱা, অসম চাহ জনজাতি ছাত্ৰ সন্থা, বাঘজান গাঁও প্ৰাথমিক গোটৰ সভাপতি বাবুল উৰাং, সম্পাদক গণেশ চিকসহ বিষয়-ববীয়া, কল্যাণজ্যোতি যুৱক সংঘৰ সভাপতি-সম্পাদকৰ লগতে বিষয়-ববীয়াসকল আৰু বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ডিব্ৰুগড়ত আগন্তুক শাৰদীয় দুৰ্গোৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি-আয়োজন সন্দৰ্ভত আলোচনা সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত আগন্তুক ২০২৫ বৰ্ষৰ দুৰ্গা পূজা উদযাপনৰ প্ৰস্তুতি আৰু আয়োজন সন্দৰ্ভত জিলাখনৰ সকলো দুৰ্গাপূজা কমিটিৰ বিষয়ববীয়াৰ সৈতে এখনি বৈঠক অনুষ্ঠিত হয়। বৈঠকত পূজা উদযাপনৰ সময়ত সৰ্বসাধাৰণ ৰাইজৰ সুৰক্ষা, যানবাহনৰ নিয়মাৱলী, পূজা মণ্ডপ সমূহৰ নিৰাপত্তা, পোহৰৰ ব্যৱস্থা, প্ৰতিমা বিসৰ্জন আদি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে বিগত বৰ্ষৰ কাৰ্যবিৱৰণীখন অতিৰিক্ত আয়ুক্ত তথা নাহৰকটীয়া সমজিলা আয়ুক্ত বিৰাজ বৰুৱাই পাঠ কৰে। দুৰ্গা পূজা উদযাপনৰ ক্ষেত্ৰত জিলা প্ৰশাসনে কিছু নিয়মাৱলী জাৰি কৰিছে। সেই অনুসৰি পূজা কমিটি সমূহে জিলা প্ৰশাসনৰ পৰা আগতীয়াকৈ প্ৰয়োজনীয় অনুমতি লোৱাৰ লগতে সংশ্লিষ্ট বিভাগৰ পৰাও আপত্তি বিহীন প্ৰমাণপত্ৰসমূহ সংগ্ৰহ কৰিব লাগিব। প্ৰতিটো পূজা মণ্ডপত চি চি টিভি লগোৱাটো বাধ্যতামূলক। অগ্নি নিৰ্বাপনৰ সামগ্ৰী পূজা মণ্ডপত ৰাখিব লাগিব। প্ৰতিটো পূজা মণ্ডপত ৰাইজৰ বাবে বিশুদ্ধ খোৱাপানীৰ সুব্যৱস্থা কৰিব লাগিব। মণ্ডপসমূহত পুৰুষ আৰু মহিলাৰ বাবে প্ৰৱেশ আৰু প্ৰস্থানৰ পৃথক পৃথক ব্যৱস্থা কৰিব লাগিব। পূজা কমিটিসমূহে পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব আৰু পৰ্যাপ্ত ডাষ্টবিনৰ ব্যৱস্থা কৰিব লাগিব। পূজা মণ্ডপ নিৰ্মাণৰ সময়ত ৰাজহুৱা সম্পত্তিৰ ক্ষয় ক্ষতি কৰিব নোৱাৰিব। পূজা মণ্ডপৰ চাৰিওফালে পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰিব লাগিব। পূজা কমিটিসমূহে পৰ্য্যাপ্ত পৰিমাণৰ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব আৰু স্বেচ্ছাসেৱক সকলৰ নাম সমূহ পুলিচ ভেৰিফিকেচনৰ বাবে তেওঁলোকৰ নিকটৱৰ্তী আৰক্ষী থানাত আগতীয়াকৈ জমা দিব লাগিব। দেৱীৰ প্ৰতিমাসমূহ প্ৰকৃতিৰ অনুকূল সামগ্ৰীৰে নিৰ্মিত হব লাগিব। নিশাৰ ভাগত দুৰ্গা পূজাস্থলীৰ যাৱতীয় সুৰক্ষাৰ ক্ষেত্ৰত পূজা কমিতিসমূহে ব্যৱস্থা লব লাগিব। পূজা কমিটিসমূহে পূজা মণ্ডপৰ ওচৰে পাজৰে মাদক দ্ৰব্য ব্যৱহাৰৰ ওপৰত চোকা নজৰ ৰাখিব লাগিব। পূজা উপলক্ষে কোনো ধৰ্মীয় সমদল উলিয়াব লগা হ'লে, তাৰ বাবে আগতীয়াকৈ জিলা প্ৰশাসনৰ অনুমতি লব লাগিব। জৰুৰীকালীন ফোন নম্বৰ সমূহ ভক্তগণৰ সুবিধাৰ্থে পূজা মণ্ডপত সকলোৱে দেখাকৈ প্ৰদৰ্শিত কৰি ৰাখিব লাগিব। প্ৰতিমা বিসৰ্জন স্থলীত সীমিত সংখ্যক লোকেহে অংশগ্ৰহণ কৰিব পাৰিব। অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱাই জিলাখনত শান্তি -শৃংখলা বজাই ৰাখি আগন্তুক দুৰ্গাপূজা শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাত সকলোৱে সহায় -সহযোগিতা আন্তৰিকতাৰে কামনা কৰে। এই বৈঠকত ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত জয় বিকাশ, ডিব্ৰুগড় পৌৰ নিগমৰ উপ-মেয়ৰ উজ্জ্বল ফুকন, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষ, ডিব্ৰুগড় পূব ৰাজহচক্ৰৰ চক্ৰ বিষয়া সমুজ্জল বৰা, নিৰ্বাচনী বিষয়া প্ৰাঞ্জীল গগৈ, সহকাৰী আয়ুক্ত সুৰভী শ্ৰীৱাস্তবা প্ৰমুখ্যে আৰক্ষী তথা জিলা প্ৰশাসনৰ অন্যান্য বিষয়ববীয়া, আৰক্ষীৰ যান-বাহন শাখা, অগ্নিনিৰ্বাপক বাহিনী, বিদ্যুৎ বিভাগ, লোকনিৰ্মাণ (পথ) আৰু লোকনিৰ্মাণ (গৃহ) বিভাগ, জলসম্পদ বিভাগ, প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগৰ বিষয়াসকল আৰু পূজা কমিটিসমূহৰ সভাপতি, সম্পাদক আৰু সদস্য সকল উপস্থিত থাকে।

### অভয়াপুৰীৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস

# ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে যুৱ মহোৎসৱৰ আছে প্ৰাসংগিকতা

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৪ ছেপ্টেম্বৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয় পশ্চিম মণ্ডল আন্তঃ-মহাবিদ্যালয় যুৱ মহোৎসৱ ২০২৫ কালি বিয়লিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়ত অনুষ্ঠিত হৈছে। এই উপলক্ষে উদুলি-মুদুলি হৈ পৰিছে মহাবিদ্যালয় চৌহদ। আজি পুৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডণ্ননীগোপাল মহন্তই পতাকা উত্তোলন কৰাৰ পিছত বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ পতাকা উত্তোলন কৰে সঞ্চালক ৰঞ্জন কাকতিয়ে। আনপিনে অভয়াপুৰী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰাণজিত কলিতাই। তাৰ পিছতে অভয়াপুৰী মহাবিদ্যালয়ৰ ডেৰ শতাধিক ন-পুৰণি শিল্পীয়ে জিলিকাব লুইতৰে পাৰ শীৰ্ষক গীত পৰিবেশন কৰে। তাৰ পিছতে মহাবিদ্যালয়ৰ ২০০ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে বিহু নৃত্য আৰু কোচৰাজবংশী হুদুম নৃত্য প্ৰদৰ্শন কৰে। প্ৰায় ৩০খন মহাবিদ্যালয়ৰ ৯ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই বাৰৰ যুৱ মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে অসম চৰকাৰৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি দল, কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ চীফ জীৱশ ৰায় আৰু অভয়াপুৰী সমজিলাৰ আয়ুক্ত কান্তা কাৰ্কী ছেত্ৰীয়ে। উক্ত অনুষ্ঠান মন্ত্ৰী দাসে ভাষণ প্ৰসংগত কয় যে পূৰ্বতে যুৱ মহোৎসৱৰ মাদকতা আছিল যুৱ মহোৎসৱ বুলি ক'লে গুৱাহাটী বিশ্ব বিদ্যালয়ৰ ভিতৰতে ডাঙৰ উৎসৱ আছিল। কিন্তু দিন যোৱাৰ লগে লগে তথা নিয়ন্ত্ৰণৰ সুবিধাৰ বাবে মাণ্ডলিক পৰ্য্যায়ত যুৱ মহোৎসৱ অনুষ্ঠিত হোৱা বুলি মন্ত্ৰী দাসে উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত যুৱ মহোৎসৱৰ প্ৰাসংগিকতা থকা বুলি উল্লেখ কৰে। অনুষ্ঠান মুকলিৰ পিছতেই আৰম্ভ হয় যুৱ মহোৎসৱৰ মূল প্ৰতিযোগিতাসমূহ।

## থিতাতে মৃত্যু এজন, আহত কেইবাজনো যাত্ৰী

# বিলাসীপাৰাৰ যমদুৱাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, বিলাসীপাৰা, ৪ ছেপ্টেম্বৰ ঃ** বিলাসীপাৰাত সংঘটিত হয় ভয়ংকৰ পথ দুৰ্ঘটনা। চিৰাকুটাৰ যমদুৱাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এই ভয়ংকৰ পথ দুৰ্ঘটনাটো। যাত্ৰীবাহী ই-অটো আৰু মাৰুতি ছুজুকি বাহনৰ মাজত মুখা-মুখি সংঘৰ্ষ হয়। এই ভয়ংকৰ পথদুৰ্ঘটনাটোত এজন যাত্ৰী তিথাতে মৃত্যু বৰণ কৰাৰ লগতে আন কেইবাজনো যাত্ৰী গুৰুতৰ ভাবে আহত হয়। যমদুৱাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হোৱা এই পথ দুৰ্ঘটনাৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰত্যক্ষ দৰ্শীয়ে জানিবলৈ দিয়া মতে বিলাসীপাৰাৰ পৰা এ এছ ১৬ এ চি ৬৫৪০ নম্বৰৰ ই-অটোখন যাত্ৰীলৈ চাপৰলৈ গৈ আছিল। ইফালে এ এচ ১৬ এইচ ৫৩৯৬ নম্বৰৰ মাৰুতি বাহনখনে গুৱাহাটীৰ পৰা বিলাসীপাৰাৰ দিশে আহি থকা অৱস্থাত যমদুৱাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত মুখামুখি সংঘৰ্ষত লিপ্ত হয়। তীব্ৰ গতিত দুয়োখন বাহনৰ সংঘৰ্ষ হোৱাত ই-অটোখন পথৰ পৰা চিটিকি পথাৰত পৰে। তেনেদৰে মাৰুতি বাহনখনৰো বিস্তৰ ক্ষতি সাধন হয়। দুৰ্ঘটনাটোত আহত সকলক স্থানীয় ৰাইজে ক্ষিপ্ৰতাৰে উদ্ধাৰ কৰি বিলাসীপাৰা আদৰ্শ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইয়াৰে সন্তোষপুৰৰ কবাদ আলী দুৰ্ঘটনাস্থলীতেই মৃত্যু বৰণ কৰা বুলি চিকিৎসকে জানিবলৈ দিয়ে। ইফালে গুৰুতৰ ভাবে আহত আন তিনিজন ক্ৰমে বাঙালীপাৰাৰ তফিকুল ইছলাম, কৈমাৰীৰ মজনুৰ ৰহমান আৰু ছুৱাপাতাৰ নৌসাদ আলীক প্ৰাথমিক চিকিৎসা প্ৰদান কৰি সংকটজনক অৱস্থাত ধুবুৰী আৰু কোকৰাঝাৰলৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। আজি সংঘটিত দুৰ্ঘটনাক কেন্দ্ৰ কৰি সচেতন মহলে শোকপ্ৰকাশ কৰাৰ লগতে ই-অটো আৰু ই-ৰিস্কা সমূহক নাকী লগোৱাৰ বাবে প্ৰশাসনক আহ্বান জনায়।

# গেলেকীৰ মুদি নগৰ চাহ বাগিচাত অগ্নিকাণ্ডৰ ঘটনা!

**অসম বাৰ্তা, গেলেকী, ৪ ছেপ্টেম্বৰ ঃ** নাজিৰা সমজিলাৰ অন্তৰ্গত গেলেকী মুদি নগৰ চাহ বাগিচাত এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। গেলেকীৰ মুদি নগৰ চাহ বাগিচাৰ ১ নং লাইনত সংঘটিত হয় এই অগ্নিকাণ্ডৰ ঘটনা। ডিম্বেশ্বৰ নায়ক নামৰ এজন লোকৰ বাসগৃহত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। জানিব পৰা মতে দিনৰ প্ৰায় ১১ মান বজাত সংঘটিত হয় এই অগ্নিকাণ্ডৰ ঘটনা। অগ্নিকাণ্ডৰ ফলত ডিম্বেশ্বৰ নায়ক নামৰ লোকজনৰ ঘৰৰ ভিতৰৰ সকলো সামগ্ৰী জুইত জাহ যায়। পৰৱৰ্তী সময়ত ঘটনা স্থলীত অ', এন, জি, চিৰ অগ্নিনিৰ্বাপক বাহিনীৰ দল উপস্থিত হৈ অগ্নিনিৰ্বাপণ কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ সূত্ৰপাতৰ বিষয়ে এই মুহূৰ্তৰলৈকে জানিব পৰা হোৱা নাই যদিও লক্ষাধিক টকাৰ সা-সম্পত্তি অনিষ্ট হোৱাৰ আশংকা কৰা হৈছে।

### আমগুৰিৰ চক্ৰ পৰিদৰ্শকৰ নেতৃত্ব

# চাৰিঙত অপহৃত ট্ৰাকৰ সামগ্ৰীসহ এজন আটক

**অসম বাৰ্তা, আমগুৰি, ৪ ছেপ্টেম্বৰ ঃ** যোৱা বুধবাৰৰ নিশা প্ৰায় ১১.৩০ বজাত আমগুৰি চক্ৰ পৰিদৰ্শক মৃণাল হাজৰিকাৰ নেতৃত্বত হালোৱাটিং আৰু গৌৰীসাগৰ থানাৰ সহযোগত চলোৱা এক অভিযানত আৰক্ষীয়ে অবৈধ ভাৱে লুকুৱাই ৰখা বিভিন্ন সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অভিযানত গৌৰীসাগৰ থানাৰ অন্তৰ্গত বাৰুৱতী গাঁৱৰ প্ৰাঞ্জল চুতীয়া ওৰফে মইনা(পিতা মোহন চুতীয়া)ৰ ঘৰ পৰা ৫ কিলোগ্ৰাম ওজনৰ ৪টা গৰু ঘিঁউৰ টিন (প্ৰতিটোৰ আনুমানিক মূল্য প্ৰায় ৪২০০ টকা) আৰু ৬টা অন্নপূৰ্ণা গাখীৰৰ ১ কিলোগ্ৰাম পেকেট উদ্ধাৰ কৰে। গোপন সূত্ৰৰ পম খেদি উদ্ধাৰ হোৱা সামগ্ৰীৰ লগতে প্ৰাঞ্জল চুতীয়াকো আৰক্ষীয়ে আটক কৰে। জানিব পৰা মতে, এই সামগ্ৰীসমূহ যোৱা আগষ্ট মাহত সোণাপুৰৰ পৰা অপহৃত হোৱা চৌধচকীয়া ট্ৰাকখনৰেই অংশ। উল্লেখযোগ্য যে উক্ত ট্ৰাকখন ইতিমধ্যে শিৱসাগৰৰ চেৰেকাপাৰত উদ্ধাৰ হোৱা লগতে হালোৱাটিং অঞ্চলৰ বিভিন্ন স্থানৰ পৰা ট্ৰাকখনত অনা ৰঙীন টিনপাত উদ্ধাৰ হৈছিল। সেই সংবাদ ইতিমধ্যে বিভিন্ন সংবাদ মাধ্যমত বিষদভাৱে প্ৰকাশ পাইছিল। ধৃত প্ৰাঞ্জল চুতীয়াই আৰক্ষীৰ জেৰাত স্বীকাৰ কৰিছে যে গৌৰীসাগৰত অৱস্থিত মেচাৰ্চ টি.জি. ষ্টীল হাউচৰ মালিক উদিপ্ত গগৈয়ো সমগ্ৰ ঘটনাৰ সৈতে জড়িত। তেওঁৰ ভাষ্য অনুসৰি উদিপ্ত গগৈয়েও সোণাপুৰৰ পৰা অপহৃত ট্ৰাকখনৰ পৰা একাংশ সামগ্ৰী হস্তগত কৰিছিল। আৰক্ষীয়ে জনোৱা মতে অপহৃত ট্ৰাকখনৰ বৃহৎ পৰিমাণৰ সামগ্ৰী এতিয়াও উদ্ধাৰ হোৱা নাই যদিও তাৰ সন্ধানৰ বাবে অভিযান অব্যাহত আছে। এই অপহৰণ কাণ্ডৰ লগত এটা বৃহৎ নেটৱৰ্ক জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে। আটক প্ৰাঞ্জল চুতীয়াক বৰ্তমান গৌৰীসাগৰ থানাত সোধপোচৰ বাবে ৰখা হৈছে। ইতিমধ্যে সোণাপুৰ আৰক্ষীক এই বিষয়ে লিখিতভাবে আৰু ফোনযোগে অৱগত কৰা হৈছে।

# মেৰাপানীত বিভিন্ন সমস্যা সমাধানৰ দাবীত অসমীয়া যুৱ মঞ্চৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, মেৰাপানী, ৪ ছেপ্টেম্বৰ ঃ** অসম-নাগালেণ্ড সীমান্তৰ গোলাঘাট জিলাৰ মেৰাপানীত আজি অসমীয়া যুৱ মঞ্চ গোলাঘাট জিলা সমিতি আৰু দৈয়াং আঞ্চলিক সমিতিৰ উদ্যোগত দৈয়াংবাসীৰ সহযোগত, অসম নাগালেণ্ড সীমা সমস্যা সমাধান কৰা দৈয়াংবাসীক ভূমি পট্টা প্ৰদান কৰা, অসমৰ মাটি নগা আগ্ৰাসনৰ ৰোধ কৰা আদি সমস্যা সমাধানৰ বাবে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। আজি দিনৰ ১২ বজাত অসমীয়া যুৱ মঞ্চই নগা সুচিয়া, অসমীয়াৰ ওপৰত নগা দাদাগিৰি নচলিব, অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰে শ্ৰীঘ্ৰে নাগালেণ্ডৰ সীমা সমস্যা স্থায়ী সমাধান কৰক, আদি ধ্বনিৰে মেৰাপানী উত্তাল কৰি তোলে, চৰকাৰে শ্ৰীঘ্ৰে দৈয়াংবাসীৰ ভূমি পট্টা প্ৰদান, সীমা সমস্যা সমাধান নকৰিলে, নাগালেণ্ডৰ বিৰুদ্ধে অৰ্থনৈতিক পথ অৱৰোধ কৰাৰ লগতে অনাগত দিনত তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে। অৱশেষত আন্দোলনকাৰীসকলে অসম চৰকাৰলৈ সীমান্ত দণ্ডাদীশৰ হাতত দৈয়াংৰ মাটি পট্টা প্ৰদান কৰা, অসম নাগালেণ্ড সীমান্তৰ সীমা সমস্যা কৰা, অসমৰ মাটিত নগাৰ আগ্ৰাসন ৰোধ কৰাৰ দাবীত এখন স্মাৰক পত্ৰ প্ৰদান কৰে।

# জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অচিনাক্ত দুৰ্বৃত্তৰ তাণ্ডৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ, মেৰাপানী, ৪ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুস্কৃতিকাৰী তাণ্ডৱ। যোৱা নিশা বিদ্যালয়খনত কোনো অচিনাক্ত দুৰ্বৃত্তই শিক্ষকৰ জিৰণি কোঠাত তলা ভাগি প্ৰৱেশ কৰি কোঠাৰ ভিতৰত থকা বিভিন্ন আজ-বাব লণ্ডভণ্ড কৰাৰ লগত যাৱতীয় নথি-পত্ৰ সিঁচৰিত কৰি থৈ যায়। আজি পুৱা বিদ্যালয়ৰ কৰ্মচাৰী আৰু শিক্ষক-শিক্ষয়ত্ৰী সকলে জিৰণি কোঠাটো দেখি হতবাক হৈ উঠে। ইফালে ঘটনা সন্দৰ্ভত জামুগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা উৎপলা ভূঞাই। আনহাতে ঘটনা স্থলীত জামুগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত ৰিতু বৰাৰ নেতৃত্বত এটা আৰক্ষী দল উপস্থিত তদন্ত অব্যাহত ৰাখিছে। স্থানীয় শিক্ষানুৰাগী ৰাইজে দোষীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি বিহাৰ দাবী জনাইছে।

**শিক্ষকৰ জিৰণি চ'ৰা লণ্ডভণ্ড**

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন